# গল্প শিতান



(গল্প)

# ৰ'দালী

ডিম্পী বৰা



আবেলিৰ অস্তাচলগামী হেঙুলী আভাই হেঙুলী বৰণ কৰি পেলোৱা কুলু-কুলুকৈ বৈ থকা নদীখন চাই চাই ৰ'দালিয়ে নিজৰ জীৱনৰ প্ৰতিটো সোঁৱৰণীত যেন কিতাপৰ পৃষ্ঠাত চকু ৰখাৰ দৰে এবাৰ আগুৰাইছে। নদীৰ সোঁতবোৰৰ দৰে তাই নিজৰ স্মৃতিবোৰৰ চকুৰ সন্মুখত চাই চাই এৰি দিছে বহু দূৰলৈ। নদীৰ পাৰৰ সেই অচিনা বতাহজাকে তাইক মাজে মাজে সঁহাৰি জনাই থকাৰ দৰে লাগিল। সঁচাকৈ কি বিচিত্ৰ জীৱন। ৰামধেনুৰ ৰঙৰ দৰেই মানুহৰ জীৱন নানাৰঙী, ষাঠি বছৰত ভৰি দিয়া ৰ'দালিয়ে তাইৰ জীৱনৰ মধুৰ স্মৃতি বিচাৰিবলৈ আজি ভয় কৰিছে।

সকলোৱে কয় শৈশৱৰ, বাল্যকালৰ স্মৃতি, কৈশোৰৰ সপোন আৰু সাংসাৰিক জীৱনৰ মাদকতা এইবোৰ হেনো ভিন্ন ভিন্ন অনুভূতি। কিন্তু ৰ'দালিৰ চোন মাত্ৰ একেটাই অনুভূতি। শৈশৱতে পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিতা ৰ'দালি খুৰাকৰ ঘৰত অনুগ্ৰহৰ পাত্ৰ হৈ নিয়ম মতে পঢ়া-শুনা কৰি কৈশোৰত ভৰি দিয়ে, সকলোৰে দৰে তাইৰো পৰিচয় ঘটে সোণালী সপোনবোৰৰ লগত। ৰ'দালিৰ বাবে কোনোবাই লিখিবলৈ আগবাঢ়ি আহিল প্ৰেমৰ কবিতা। সেই কোনোবাজনে লিখিছিল, 'প্ৰেমিক চৰাই মই....প্ৰেমৰ আকাশত মুক্তমনে উৰিছোঁ প্ৰেমিক চৰাইজনী বিচাৰি...'

কিন্তু সেই প্ৰেমিক চৰাই বিচৰাজনক ধৰা দিব নোৱাৰি ৰ'দালি ঘৰৰ অনুমতিত বিয়া হৈ গ'ল এজন অচিনা পুৰুষৰ লগত। সপোন কোঁৱৰ, প্ৰেমৰ দেৱতাজনক উপহাস কৰি ৰ'দালি আঁতৰি গ'ল শিৰত সেন্দুৰ পিন্ধি স্বামীৰ ঘৰলৈ লগত লৈ গ'ল কাৰোবাৰ হৃদয়ে দিয়া অভিশাপ বুকুত সামৰি।

সমাজৰ উচ্চ স্থানত থকা স্বামীঘৰত তাই যৌতুকৰ বাবে আকৌ এবাৰ অৱহেলিত হ'বলগা হ'ল। ই আকৌ এক নতুন অধ্যায়। যৌতুকৰ সুযোগ লৈ স্বামীগৃহত নানা অত্যাচাৰ নীৰৱে মূৰপাতি লৈ বিয়াৰ দুবছৰ পিছত এজনী কন্যা সন্তান জন্ম দিয়ে। আকৌ এবাৰ নেদেখাজনে তাইক উপহাস কৰি গ'ল। পুত্ৰ সন্তান নোহোৱাৰ বাবে স্বামীগৃহত ৰ'দালিৰ ওপৰত আগতকৈ দুগুণ অত্যাচাৰৰ সন্মুখীন হ'বলগা হয়। অৱশেষত অত্যাচাৰ সহ্য কৰিব নোৱাৰি নিজৰ ছোৱালী ৰশ্মিক বুকুত সাৱটি এখন নতুন সমাজ আৰু এটা নতুন জীৱনৰ বাবে ৰ'দালি আগুৱাই আহে।

এটা সৰু চাকৰি কৰি নিজৰ ছোৱালী ৰশ্মি আৰু তাই এটা নতুন জীৱন আৰম্ভ কৰে। ৰশ্মি লাহে লাহে ডাঙৰ হৈ কলেজ জীৱনত ভৰি দিয়ে। কিন্তু মাতৃ-কন্যাৰ সুখৰ সংসাৰখন ভগৱানৰ এইবাৰো যেন সহ্য নহ'ল। কলেজ জীৱনত পঢ়ি থকা ৰশ্মি অলপ দিনৰ জ্বৰ আৰু সৰু-সুৰা ৰোগতে মৃত্যুৰ অচিন দেশখনলৈ গুচি গ'ল। এইবাৰ যেন একেবাৰে নিঃশেষ হৈ পৰিল ৰ'দালি। ৰ'দালিৰ অন্ধকাৰ জীৱনত ৰশ্মি সঁচাকৈয়ে পোহৰ হৈ আহিছিল। ৰ'দালিয়ে ৰশ্মিৰ মৃত্যুৰ পিছত আত্মহত্যাৰ পথ বাচি লৈছিল যদিও ৰশ্মিৰ আত্মাক তাইৰ মৃত্যুৰ দায়ী নসজাবলৈ যেন ইয়াৰ পৰাও আঁতৰি আহিল। তাই যেন এইবাৰো হাৰি গ'ল জীৱনৰ ওচৰত।

ইমানবোৰ কথা ভাবি ভাবি ৰ'দালিৰ দুচকুৰ পৰা বাগৰি অহা চকুলোবোৰে কেতিয়ানো তাইৰ গাল উপচাই পেলাইছিল ধৰিবই পৰা নাছিল। তাই নিজকে সংযত কৰি কৈ উঠিল, তই ৰ'দালি, তই নাৰী। সকলোৰে পৰা লাঞ্ছিতা-বঞ্চিতা হৈও সকলো বুকুত সামৰি লোৱা তই ৰ'দালি আৰু অলপ ধৈৰ্য ধৰ, কিয়নো সকলো শেষ হৈ যোৱাৰ পিছতো বহুত কিবা থাকি যায়।



# আত্ম পৰিচয়

দুলুমণি শইকীয়া

‘পঢ়িবলৈ যদি মন আছিল মাকৰ ঘৰতে পঢ়িব লাগিছিল। ফুল কুমলীয়া বয়সত পলাই আহি এতিয়া কামৰ ভয়ত কলেজলৈ অহা-যোৱা কৰি দেখাইছে। কলেজলৈ গৈ ক’ত বা দাঁত চেলাই থাকে কোনে জানে? নিজৰ জীৱনটোতো খালেই মোৰ ল’ৰাটোৰ জীৱনটোও এই কুলক্ষিণীজনীয়ে শেষ কৰিলে।’ কলেজৰ পৰা বুলি ঘৰ সোমাওতেই শাহুয়েকে কোৱা কথা কেইষাৰ বহু সময়লৈকে ৰূপালীৰ কাণত বাজি থাকিল। অৱশ্যে এইবোৰ কোনো নতুন কথা নহয়। যোৱা ন মাহে এইধৰণৰ কটুক্তি তাই শুনিয়ে আহিছে। প্ৰথম অৱস্থাত আঘাত দিছিল। হৰ্‌হৰাই চকুলো বৈ আহিছিল। ঘৰলৈ মনত পৰিছিল। মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ দিনা মাকে কোৱা কথাষাৰ বাৰে বাৰে মনলৈ আহিছিল-‘মই কলেজ গচকি নাপালো। তোক সুবিধাটো দিছোঁ। তই সুবিধাখিনি গ্ৰহণ কৰিবি আৰু নিজৰ এটা পৰিচয় গঢ়িবি। বুজিছ, নিজৰ পৰিচয়।’ কিয় জানো শাহুয়েকৰ কথাখিনি শুনাৰ পাছত শুৱনি কোঠাৰ বিচনাখনত বহুদেৰিলৈকে পৰি আছিল। তাই যেন ভীষণ দুৰ্বল হৈ পৰিছে, হাত-ভৰিকেইটা ধুৱলৈ উঠি যাবলৈ যেন তাইৰ শক্তি নাই।



চকুৰ আগত অতীতৰ নানা ছবিয়ে অগা-দেৱা কৰিছে। সেই যে দেওবাৰৰ দিনা মাকে বনাই দিয়া ৰুটি-ভাজি খাই আৰ্টস্কুলত উপস্থিত হোৱা, ছুটি কাপোৰত লেপেটা কাঢ়ি বহি বহি ছবি আঁকা, বিদ্যালয়ৰ বছৰেকীয়া খেল-ধেমালিত চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম পুৰষ্কাৰ গ্ৰহণ কৰা আদি নানা ছবি তাইৰ চকুত ভাঁহি উঠিছিল। তাইতো আৰ্ট ভালেই কৰিছিল। চেষ্টা কৰিলে নিশ্চয় তাই এতিয়াও আৰ্ট কৰিব পাৰিব। এজন আৰ্টিষ্ট হিচাপে প্ৰতিষ্ঠিত নহ’লেও তাই অন্ততঃ কাপোৰত বিভিন্ন ফেব্ৰিক কৰি তাইতো নিজৰ জীৱনতো চলিবলৈ প্ৰয়োজন হোৱা উপাৰ্জনখিনি কৰিব পাৰিব হঠাৎ এক অনন্য দৃঢ়তাৰে ৰূপালী বিচনাৰ পৰা উঠিল।

বাকচৰ চুকত গোপনে সাঁচি থোৱা পাঁচশ টকীয়া নোটখন লৈ তাই ওলাই গ’ল ৰং-তুলিকা আনিবলৈ। আত্মপৰিচয় গঢ়াৰ এসাগৰ আশাৰ আভাৰে ৰূপালীৰ মুখখন উজ্বলি উঠিল।

# মৰীচিকা

গোমেশ্বৰ টাইদ



...নম্ৰতাই শুই উঠি হাতত একাপ চাহ লৈ পিছফালৰ বাৰান্দাতে বহিছে। অমলপ্ৰভাৰ কথা শুনি থাকোঁতেই কালি বহুপৰ হ'ল। আজিও দেৰিকৈ সাৰ পালে। অমলপ্ৰভা এতিয়াও শুই আছে...

শাওণ মাহৰ ওন্দোলা আকাশ। বৰষুণজাকৰ পিছতো আকাশৰ ক'লা ডাৱৰবোৰ আঁতৰি যোৱা নাই। বতৰ গোমা। হয়তো বৰষুণ এজাক আকৌ আহিব। পথাৰত থকা খেতিয়কবোৰ পুনৰ তিতিব। তথাপি তেওঁলোকৰ তাৰ প্ৰতি ভ্ৰূক্ষেপ নাই। তেওঁলোকে ঘৰলৈও গুচি নাযায়। তিতি বুৰি হ'লেও এইকেইদিনতে হাড়ভঙা পৰিশ্ৰম কৰি খেতিকণ কৰি ল'ব পাৰিলে বছৰটো সুখেৰে খাব পাৰিব।

...বৈবাহিক
জীৱনৰ পাতনি
মেলাৰে পৰা
এগৰাকী শাহু
আৰু এজন
দেওৰ যে
ভালো থাকিব
পাৰে, সেই
ধাৰণাটোৰেই
অমলপ্ৰভাৰ
মনৰ পৰা
হেৰাই গ'ল...

নম্ৰতাই শুই উঠি হাতত একাপ চাহ লৈ পিছফালৰ বাৰান্দাতে বহিছে। অমলপ্ৰভাৰ কথা শুনি থাকোঁতেই কালি বহুপৰ হ'ল। আজিও দেৰিকৈ সাৰ পালে। অমলপ্ৰভা এতিয়াও শুই আছে। কিমান দিন চাগৈ ভালকৈ খাবলৈ-শুবলৈ পোৱা নাই তেওঁ। আজিও নম্ৰতাৰ সন্মুখত অমলপ্ৰভাৰ জীৱন বৃত্তান্তৰ প্ৰতিটো দৃশ্য স্পষ্টকৈ ভাঁহি আছে। মনত আছে তাইৰ অমলপ্ৰভাই কোৱা প্ৰতিটো কথা।

বৈবাহিক জীৱনৰ পাতনি মেলাৰে পৰা এগৰাকী শাহু আৰু এজন দেওৰ যে ভালো থাকিব পাৰে, সেই ধাৰণাটোৰেই অমলপ্ৰভাৰ মনৰ পৰা হেৰাই গ'ল। অমলপ্ৰভাৰ মতে এগৰাকী শাহুৰ স্থান পোৱাৰ লগে লগে প্ৰতিগৰাকী নাৰী কেৱল বোৱাৰীয়েকৰ ওপৰত শাৰীৰিক বা মানসিক অত্যাচাৰী হৈ পৰে। তথাপি অমলপ্ৰভাই হুতাকৈ হ'লেও এযাৰি মাত পাইছিল শাহুৱেক আৰু দেওৰ দুজনৰ পৰা। কাৰণ ঘৰখনত একমাত্ৰ চাকৰিয়াল অমলপ্ৰভাৰ স্বামী অৰ্থাৎ ঘৰখনৰ ডাঙৰ ল'ৰা অমৃত। দেউতাক ঢুকোৱাৰ পাছত ককায়েকৰ তত্ত্বাৱধানত পঢ়া-শুনা কৰিও কিন্তু ককায়েকৰ প্ৰতি থাকিবলগীয়া সামান্যতম সন্মানকণো নাই অমলপ্ৰভাৰ দেওৰ দুজনৰ। কেৱল চাকৰিৰ ধনকেইটাৰ বাবেহে ককায়েকৰ প্ৰয়োজন। কিন্তু ককায়েক অমৃত সম্পূৰ্ণ ওলোটা। অমৃত কেৱল মাক আৰু ভায়েক দুজনৰ মৰমত অন্ধ। প্ৰতিটো মুহূৰ্তত পোৱা অপবাদ আৰু ককৰ্থনাৰ মাজতে অমৃত আৰু অমলপ্ৰভাই পৈতৃক সম্পত্তিৰ ভাগ নোলোৱাকৈ ওলাই আহি কাষৰ গাঁৱতে নতুন ঘৰ সাজি সংসাৰ পাতিলে। অকণমান স্বস্তিৰ নিশ্বাস পেলোৱাৰ পিছত আহিল অমলপ্ৰভাৰ এই অভিশপ্ত জীৱনটো। এটা দুৰ্ঘটনাত অমৃত চিৰদিনৰ বাবে আঁতৰি গ'ল; কোলাত দি গ'ল দুটি ফুলকুমলীয়া সন্তান। এক অসহ্য যান্ত্ৰণা, লাঞ্ছনা আৰু কলংকৰ সাগৰত অকলশৰীয়া জীৱন তাইৰ। একমাত্ৰ ফুলকুমলীয়া শিশু দুটাৰ মুখলৈ চাই সকলোবোৰ তাই নীৰৱে সহ্য কৰি গৈছিল।

অমলপ্ৰভাৰ অৱস্থা শাওণৰ পথাৰৰ খেতিয়কবোৰৰ দৰেই হ'ল। জীৱনৰ এইছোৱা সময় অশেষ কষ্ট কৰি ল'ৰা-ছোৱালী দুটাক মানুহ বনাব পাৰিলে জীৱনৰ শেষৰ কালছোৱা সুখেৰে কটাব পাৰিব বুলি ভাবি অমলপ্ৰভাই কঠোৰ পৰিশ্ৰম কৰি সন্তান দুটাক মানুহ বনোৱাত উঠি পৰি লাগিল। তাই জীৱনৰ সকলো তিক্ততা তথা জটিলতা অতিক্ৰম কৰি দুখতো হাঁহি থাকে, ল'ৰা-ছোৱালীৰ পঢ়া-শুনাত একো ত্ৰুটি নৰখাকৈ। নিজৰ জীৱনটো বিসৰ্জন দিলে সিহঁতৰ নামত। সময় বাগৰি গ'ল, সিহঁত দুটা ডাঙৰ হ'ল। জোখতকৈ বেছি কষ্ট কৰিব লগা হ'ল, গাত বয়সৰ চাপ আহি পৰিল। পাৰ্যমানে ত্যাগ কৰি পালন কৰিলে মাক-দেউতাক দুয়োৰে দায়িত্ব অমলপ্ৰভাই।

— আইজনী, অলপ পানী পাম নেকি ? অমলপ্ৰভাৰ মাতত নম্ৰতাৰ তন্ময়তা ভাঙিল। হাতৰ চাহকাপটো চেঁচা পৰিল ইতিমধ্যে।

অমলপ্ৰভাই পুনৰ সুধিলে ঃ কিবা ভাবি আছিলা ?

— নাই একো নাই।

এইগৰাকী অমলপ্ৰভা ষাঠিৰ উৰ্ধৰ এগৰাকী বৃদ্ধা। পুত্ৰই এৰি যোৱা অৱস্থাত, পথৰ দাঁতিৰ পৰা নম্ৰতাই অমলপ্ৰভাক উঠাই আনিলে, যাৰ জীৱনত সুখৰ মুখ দেখা নাপালে, আৱৰ্জনা ৰূপত পথৰ দাঁতিত পৰি থাকিবলগা হ'ল। অমলপ্ৰভাৰ সুখ সদায় মৰীচিকা হৈ ৰ'ল।

আজি নম্ৰতাই তেওঁক নগৰৰ বৃদ্ধাশ্ৰমত থৈ আহিবগৈ।

জীনা আৰু মীতালি বৰ নলে-গলে লগা বান্ধৱী আছিল। দুয়ো একেখন স্কুলৰে দশম শ্ৰেণীত পঢ়ে। জীনাৰ ঘৰুৱা অৱস্থা সিমান ভাল নহয়। কিন্তু মীতালিৰ দেউতাক ব্যৱসায়ী, মাকো শিক্ষয়িত্ৰী। সেয়েহে অভাৱ কি বস্তু নাজানিছিল।



# এনাজৰী

সুকন্যা প্ৰিয়া দেৱী

জীনা আৰু মীতালি বৰ নলে-গলে লগা বান্ধৱী আছিল। দুয়ো একেখন স্কুলৰে দশম শ্ৰেণীত পঢ়ে। জীনাৰ ঘৰুৱা অৱস্থা সিমান ভাল নহয়। কিন্তু মীতালিৰ দেউতাক ব্যৱসায়ী, মাকো শিক্ষয়িত্ৰী। সেয়েহে অভাৱ কি বস্তু নাজানিছিল। মীতালি ছোৱালীজনী অলপ অহংকাৰীও। নিজৰ ধন-সম্পত্তিক লৈ বৰ গৰ্ব কৰে। অহংকাৰী স্বভাৱটোৰ বাবে তাইক বহুতে বেয়া পায়। পঢ়াতো তাই সিমান ভাল নহয়। পৰীক্ষাত যেনে তেনে পাছ কৰে। কিন্তু দুখীয়াৰ ঘৰত অভাৱৰ মাজেৰে ডাঙৰ হোৱা জীনা সদায় শ্ৰেণীত প্ৰথম হয়। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে তাই মৰমৰ। শ্ৰেণীত সদায় প্ৰথম হোৱা জীনালৈ মীতালিৰ খুব হিংসা হয়। কাৰণ তাই নিজে শ্ৰেণীত প্ৰায়ে গালি-গালাজ খায়। কিন্তু সকলোকে দেখুৱাই জীনাৰ লগত তাই ভালে আছিল। জীনাই বুজি পোৱা নাছিল, মীতালিৰ মাজত থকা তাইৰ প্ৰতি হিংসাৰ কথা। কিন্তু সিদিনা মীতালিৰ কি হ'ল? নিজেতো নামাতিলেই জীনাই মাতিলতো তাই মুখ বেকেটিয়াই ক'লে— ঐ আজিৰ পৰা তই মোক নামাতিবি? ইয়াকে কৈ তাই শ্ৰেণীৰ বাকীকেইজনী

ছোৱালীৰ ওচৰলৈ গুচি গ'ল। হঠাতে কি ঘটি গ'ল জীনাই বুজিবই নোৱাৰিলে। তাই ভাবিলে যে মীতালিয়ে তাইৰ লগত ধেমালিহে কৰিছে। কিন্তু কি তাই গোটেই দিনটো ধেমালিহে কৰিলেনে? কথাষাৰ বুজিবলৈ তাইৰ বেছি সময় নালাগিল। টিনাই তাইক সকলো ক'লে যে, ঘৰুৱা অৱস্থাৰ আকাশ-পাতাল পাৰ্থক্যৰ বাবে মীতালিয়ে জীনাৰ লগত থাকিবলৈ অলপ অসুবিধা পায়। জীনা পঢ়াশুনাত তাইতকৈ আগবঢ়া কাৰণে তাইৰ প্ৰতি মীতালিৰ হিংসা হয়।

এসপ্তাহ মানৰ পাছত মীতালিৰ জন্মদিন পৰিল। জীনাৰ বাহিৰে শ্ৰেণীৰ আটাইকেইজনী ছোৱালী অৱস্থা সম্পন্ন ঘৰৰ। আটাইকেইজনীকে মীতালিয়ে জীনাৰ আগতে জন্মদিনলৈ মাতিলে। কিন্তু তাইক এবাৰলৈও নামাতিলে। এই কথাত জীনাই বৰ আঘাত পালে। তেতিয়া জীনাই প্ৰতিজ্ঞা কৰিলে যে, তাই ভালদৰে পঢ়াশুনা কৰি মীতালিক দেখুৱাব যে ঘৰুৱা অৱস্থাই সকলো নহয়।

তেতিয়াৰে পৰা জীনাই খুব মনপুতি পঢ়াশুনা কৰি মেট্ৰিক পৰীক্ষাত ষ্টাৰ মাৰ্ক পাই সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইফালে মীতালিঙ্গ তাইতো যেনেতেনেহে তৃতীয় বিভাগত উত্তীৰ্ণ হ'ল। অহংকাৰী স্বভাৱটোৰ বাবে তাইৰ বন্ধু-বান্ধৱীৰ সংখ্যাও সীমিত হৈ আহিল।

> ...জীনাৰ দেউতাকে দিন হাজিৰা কৰিহে চাৰিজনীয়া পৰিয়ালটো চলাইছিল। কোনোবাদিনা কাম নাপালে পৰিয়ালটো লঘোণে থাকিব লাগে...

জীনাৰ দেউতাকে দিন হাজিৰা কৰিহে চাৰিজনীয়া পৰিয়ালটো চলাইছিল। কোনোবাদিনা কাম নাপালে পৰিয়ালটো লঘোণে থাকিব লাগে। তেনেস্থলত তাইক কলেজত পঢ়াবলৈ বুলি শ-শ টকা ব্যয় কৰিবলৈ ক'ত পাব? আৰ্থিক অনাটনৰ বাবে যেতিয়া জীনাৰ দেউতাকে কলেজত পঢ়াব নোৱাৰিম বুলি ক'লে, তেতিয়া চুবুৰীয়াৰ মৰমীয়াল মানুহ এজনেই তাইক পঢ়োৱাৰ দায়িত্ব ল'লে।

মানুহজনৰ নিজৰ ল'ৰা-ছোৱালী নাই। কিন্তু উপাৰ্জন বহুত। সেইবাবে তেওঁ কেইটামান দুখীয়া ঘৰৰ কিন্তু মেধা সম্পন্ন ল'ৰা ছোৱালীক পঢ়াই মনৰ তৃষ্ণা দূৰ কৰে। চোকা ছোৱালীৰ বাবে তাই কেইবাঘৰতো টিউচন কৰি নিজৰ হাত খৰচ উলিয়ালে। কলেজতো তাই বিশেষ সুখ্যাতি অৰ্জন কৰিলে।

লাহে লাহে মীতালিয়ে ভাবিবলৈ ধৰিলে, যি জীনাক তাই দুখীয়া বুলি হাঁহি তাইৰ লগৰ পৰা আঁতৰি আহিছিল সেই জীনা আজি গৌৰৱৰ অধিকাৰী। তাই যেনেতেনে জীনাৰ ওচৰত ক্ষমা খুজিব লাগিব। কিন্তু কেনেকৈ? তাইতো আজিকালি জীনাক লগ নাপায়। অৱশেষত তাই এটা উপায় উলিয়ালে। জীনাৰ ভায়েক ঋতুৰাজৰ হাতত এখন চিঠি দি তাই ক্ষমা খুজিলে আৰু জীনাৰ লগত পুনৰ বান্ধৱী হ'বলৈ বিচাৰিলে। কিন্তু চিঠিখন দিলে যদিও মীতালিয়ে ভাবিছিল যে জীনাই তাইৰ চিঠিখনৰ উত্তৰ বহু দেৰিকৈহে দিব আৰু তাইক ক্ষমা কৰিব যদিও তাইৰ দৰে এজনী ছোৱালীৰ লগত পুনৰ বান্ধৱী নহ'ব। কিন্তু তাইক আচৰিত কৰি পিছদিনাখনেই ঋতুৰাজে বায়েকৰ উত্তৰ মীতালিক দিলেহি।

লগে লগে তাই চিঠিখন খুলি পঢ়ি চাই আচৰিত হ'ল। জীনায়ে লিখিছে যে— তাইতো এইবোৰ কথা মনত ৰাখি থোৱা নাই। মীতালিৰ প্ৰতি জীনাৰ বেয়া ভাৱেই নাই। তাই সিহঁত দুয়োজনীৰ মাজৰ বন্ধুত্ব পুনৰ গজগজীয়া কৰিব খোজে। যদিহে মীতালিয়ে আগৰ দৰে প্ৰতাৰণা নকৰে। মীতালিয়েও প্ৰতিশ্ৰুতি দিলে আৰু সিহঁতৰ দুয়োজনীৰ মাজৰ বন্ধুত্বৰ এনাজৰীডাল পুনৰ গঢ়ি উঠিল।

■■



# অকৃতজ্ঞ পুত্ৰ

আশাৰাণী নাথ

অৱশেষত নিজৰাই বৃদ্ধা আশ্ৰমলৈ যোৱাৰ সিদ্ধান্ত ল'লে, কাৰণ তাইৰ ওচৰত আৰু অন্য উপায় নাছিল। পুত্ৰ বোৱাৰীৰ পৰা আৰু কিমান কঠোৰ মাত, গালি-গালাজ শুনিব। ইটো নকৰিব, সিটো নকৰিব, ইটো নুচুব. ইফালে নাযাব, সিফালে নাযাব, চাৰিওফালে মুঠতে বাধা। উসংগ তাই আৰু আমনি লাগিছে। নাই, তাই আৰু ঘৰত নাথাকে। নিজৰ পুত্ৰই যেতিয়া তাইৰ ত্যাগ নুবুজিলে, তেন্তে এইখন ঘৰত থাকি তাইৰ লাভ কি? পুত্ৰ-বোৱাৰীৰ শান্তিৰ বাবে তাই ঘৰ এৰি যোৱাৰ সিদ্ধান্ত ল'লে।

নিজৰা চহৰৰ এটা মধ্যবিত্ত পৰিয়ালৰ এজনী সহজ সৰল, মৰমলগা ছোৱালী আছিল। নিজ ইচ্ছা মতে তাই অবিনাশ শইকীয়াৰ লগত প্ৰেম বিবাহ কৰিছিল। ঘৰৰ মানুহো তাইৰ এই সিদ্ধান্তত মান্তি আছিল। কাৰণ অবিনাশ আছিল এজন ভাল মানুহ। এখন চৰকাৰী হাইস্কুলৰ ইংৰাজী বিষয়ৰ এজন আদৰ্শ শিক্ষক। দুয়ো দুয়োক লৈ বহুত সুখী আছিল। বিয়াৰ দুবছৰৰ পিছত

**ৰাজক অতি মৰমেৰে নিজৰা আৰু অবিনাশে ডাঙৰ** কৰিছিল। সুখ, হাঁহি-ধেমালিৰ মাজেৰে তেওঁলোকে এখন **সুখৰ সংসাৰ পাতিছিল।**

নিজৰা অন্তঃসত্বা হৈছিল। এই কথাটোৱে তেওঁলোকৰ জীৱনলৈ আৰু অধিক আনন্দ কঢ়িয়াই আনিছিল। তাৰ পিছত জন্ম হৈছিল ৰাজৰ। অতি মৰমলগা আছিল ৰাজ। ৰাজক অতি মৰমেৰে নিজৰা আৰু অবিনাশে ডাঙৰ কৰিছিল। সুখ, হাঁহি ধেমালিৰ মাজেৰে তেওঁলোকে এখন সুখৰ সংসাৰ পাতিছিল। ৰাজক এখন চৰকাৰী স্কুলত নাম লগাই দিছিল। তেওঁলোকৰ এই

> ...৫ বছৰীয়া ৰাজক লৈ তাই জীৱনটো কেনেকৈ কটাব, কি কৰিব, তাক ভাবি তাই অধীৰ হৈ পৰিছিল। ওচৰ-চুবুৰীয়া মানুহ আৰু ঘৰৰ মানুহে তাইক নানা পৰামৰ্শ দিছিল...

সুখৰ সংসাৰখন বেছিদিন নাথাকিল। ভগৱানৰ কুদৃষ্টি পৰিল তেওঁলোকৰ সংসাৰখনৰ ওপৰত। এদিন নিয়তিয়ে ৰাজ আৰু নিজৰাক অকলশৰীয়া কৰি অবিনাশক তেওঁলোকৰ মাজৰ পৰা আঁতৰাই লৈ গ'ল। এটি দুৰ্ঘটনাত অবিনাশৰ মৃত্যু হ'ল। অবিনাশৰ মৃত্যুৰ খবৰ পাই নিজৰা পাগলৰ নিচিনা হৈছিল। ৫ বছৰীয়া ৰাজক বুকুৰ মাজতলৈ তাই চিঞৰি চিঞৰি কান্দিছিল। ভগৱানক তাই পাৰে মানে গালি পাৰিছিল। তাৰ পিছৰ পৰাই তেওঁলোকৰ জীৱনত অমানিশাৰ অন্ধকাৰ নামি আহিছিল। ৫ বছৰীয়া ৰাজক লৈ তাই জীৱনটো কেনেকৈ কটাব, কি কৰিব, তাক ভাবি তাই অধীৰ হৈ পৰিছিল। ওচৰ-চুবুৰীয়া মানুহ আৰু ঘৰৰ মানুহে তাইক নানা পৰামৰ্শ দিছিল। অৱশেষত তাই সকলো ভাবি চিন্তি এখন দোকান খোলাৰ সিদ্ধান্ত ল'লে। সাঁচতীয়া টকা যি কেইটা আছিল, সেইকেইটাৰে তাই এখন দোকান খুলিলে। দোকানত তাই দিনৰ দিনটো কাপোৰ চিলাইছিল। কাপোৰ চিলাই যিকেইটা টকা পাইছিল, তাৰে আধা তাই পুতেকৰ বাবে সাঁচি গৈছিল। তাইৰ মাত্ৰ এটাই সপোন আছিল, পুতেক ৰাজক ভাল মানুহ কৰি গঢ়ি তোলা। ৰাজ দিনক দিনে ডাঙৰ হৈ আহিল। নিজৰাই নিজেই লঘোণে থাকি হ'লেও পুতেকক খুৱাইছিল। তাৰ প্ৰতিটো অভাৱ পুৰণ কৰিবলৈ তাই চেষ্টা কৰিছিল। ফটা কাপোৰ পিন্ধিয়েই তাই ঘূৰি ফুৰিছিল। কিন্তু পুতেকক সদায় ভাল কাপোৰ পিন্ধাইছিল। ৰাজ পঢ়াত ভালেই আছিল। মাকৰ কষ্ট দেখি সি দুখ কৰিছিল। সেয়েহে সি মনপুতি পঢ়িছিল। কষ্টৰ ফল সদায় মিঠা। অৱশেষত সি মেট্ৰিক পৰীক্ষাত ষ্টাৰ সহ পাছ কৰিছিল। সেইদিনা নিজৰা বহুত সুখী হৈছিল। পুত্ৰ ৰাজক লৈ গৌৰৱ কৰিছিল। অবিনাশৰ সপোন পূৰ কৰিবলৈ নিজৰাই তাক ওচৰৰ এখন চৰকাৰী কলেজত বিজ্ঞান বিভাগত নাম লগাই দিছিল। নতুন বন্ধু-বান্ধৱী, এটা নতুন পৰিৱেশে ৰাজক পৰিৱৰ্তন কৰিছিল। কলেজলৈ বুলি ওলাই গৈ চিনেমা চাবলৈ যোৱা, ক্লাচ নকৰি লগৰ বন্ধু-বান্ধৱীৰ লগত কথা পাতি সময় পাৰ কৰা, কামবোৰ সি প্ৰায়েই কৰিছিল। এই কথাবোৰ গম পাই নিজৰাৰ মন ভাগি গৈছিল। তাইৰ ভয় হৈছিল, কিজানি সি বেয়া সংগত পৰি বেয়া হৈ যায়। কিন্তু ৰাজে সকলোবোৰৰ মাজতো পঢ়াতো ঠিক ৰাখিলে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত সি ষ্টাৰ সহ পাছ কৰিলে। অবিনাশৰ সপোন আছিল, ৰাজক ডাক্তৰ বনোৱা। সেই সপোন পূৰ কৰিবলৈ নিজৰাই বহুত চেষ্টা কৰিছিল। বেছি কষ্ট কৰাৰ ফলত তাইৰ শৰীৰ দুৰ্বল হৈ পৰিছিল। গাত নানা বেমাৰে বাহ লৈছিল। কিন্তু ৰাজক ডাঙৰ মানুহ কৰিবলৈ তাই সকলো কষ্ট সহ্য কৰিছিল। কিন্তু এইবাৰ তাই বিফল হৈছিল। কাৰণ ৰাজক ডাক্তৰ পঢ়াবলৈ তাইৰ ওচৰত টকা নাছিল। এনেতে এটা সংস্থাই ৰাজলৈ সহায়ৰ হাত আগবঢ়ালে। মেধা ছাত্ৰ হিচাপে তাক ডাক্তৰ পঢ়োৱাৰ দায়িত্ব সেই সংস্থাটোৱে ল'লে। অৱশেষত নিজৰাৰ সপোন পূৰ হ'ল। ৰাজ ডাক্তৰ হ'ল। এখন চৰকাৰী হাস্পতালত সি ডাক্তৰৰ চাকৰি পালে। নিজৰাৰ অৱস্থা দিনক দিনে বেয়া হৈ আহিল। তাই বেছি কষ্ট কৰাৰ ফলত আদবয়সতে বুঢ়ী হ'ল। পুতেকে মাকক এটা ডাঙৰ ঘৰ বনাই দিলে। গাড়ী মটৰ ল'লে। এইবোৰ দেখি মাক নিজৰাৰ আনন্দ লাগিল। নিজৰাই ভাবিলে তাক যেনেতেনে বিয়াখন পাতি দিলেই মোৰ দায়িত্ব শেষ। কিন্তু ৰাজে মাকক নুবুজিলে। এদিন সি এজনী ছোৱালী কৰ্তত বিয়া পাতি আনি ঘৰ

সুমুৰালেহি। তাৰ মতে সি মাকক ঘৰ দুৱাৰ বনাই দি সকলো সুখ দিছে। সি ভাবিলে সি মাকৰ সকলো ঋণ পূৰ কৰিলে। মাকে সেইদিনাহে পুতেকক বুজি পালে। মাকে পুতেকক একো নকলে। বোৱাৰীয়েকক নীতি নিয়মেৰে আদৰি নি ঘৰ সুমুৱালে। বোৱাৰীয়েক ৰুজী আছিল এজনী ফেশ্চন ডিজাইনাৰ। তাইৰ নিজৰাক দেখি খং উঠিল। নিজৰাৰ চেহ্‌ৰাটো দেখি তাইৰ ঘৃণা উপজিল। ৰাজক কৈ তাই মাক নিজৰাক ঘৰৰ পাছফালৰ কোঠা এটাত থাকিবলৈ দিলে। খোৱা বোৱা সকলো বেলেগ কৰি দিলে। মাকক ঘৰৰ বাহিৰলৈ ওলাবলৈ নিদিয়া হ'ল। লগৰ মানুহৰ আগত হাড় চাল ওলোৱা নিজৰাক মাক বুলি চিনাকি দিবলৈ হেনো সিহঁতৰ লাজ লাগে। বেমাৰী মানুহজনীক সিহঁতে টান কাম কৰিবলৈ দি আৰু অধিক বেমাৰীহে কৰিলে। পুতেকে মাকক সকলো বস্তুৰেই আনি দিয়ে। মাকক কয় তোক কি কি লাগে মোক ক'বি, মই সকলো আনি দিম। তোৰ ঋণটো মই শেষ কৰিব লাগিব নহয়। এইযাৰ কথাই মাকক বহুত দুখ দিয়ে। খোৱা বোৱা, পিন্ধা, থকা খোৱা সকলো পিনৰ পৰাই তাইৰ সুখ। কিন্তু মনৰ শান্তি নাই। কাৰণ তাই কাৰো পৰা এষাৰি ভাল মাত নাপায়। দিনক দিনে তাইৰ অৱস্থা বেয়া হৈ গৈ থাকিল। এযাৰ ভাল মাতৰ অভাৱত তাই মানসিকভাৱেও বিকাৰগ্ৰস্ত হ'ল। তাইৰ ওপৰত বোৱাৰীয়েকৰ মানসিক অত্যাচাৰ বাঢ়ি গ'ল। তাই সহ্য কৰিব নোৱাৰা হ'ল। আত্মহত্যা কৰাৰ কথা তাই ভাবিলে। কিন্তু আত্মহত্যা কৰিবলৈও তাইৰ গাত শক্তি নোহোৱা হ'ল। মৃত্যু আৰু জীৱনৰ লগত খেলি তাই জীয়াই থাকিল।

এদিন তাই কাপোৰ ধুই থাকোঁতে কাপোৰ মেৰাই থোৱা এখন বাতৰি কাগজত এখন বৃদ্ধা আশ্ৰমৰ কথা পঢ়িবলৈ পালে। তাত বৃদ্ধা আশ্ৰমখনৰ ঠিকনাটোও আছিল। দিনটো তাই বৃদ্ধা আশ্ৰমখনৰ কথাকে ভাবিলে। অৱশেষত তাই ঘৰ এৰি গুচি যোৱাৰ সিদ্ধান্ত ল'লে। অলপ মনৰ শান্তি বিচাৰি তাই বৃদ্ধা আশ্ৰমখনলৈ যোৱাৰ সিদ্ধান্ত লৈ পুত্ৰ বোৱাৰীক কথাটো ক'লে। বোৱাৰীয়েক ৰুজী একেবাৰতে মান্তি হ'ল। তাই যেন তাকে বিচাৰি আছিল। ৰাজে মাকক মানা কৰি ক'লে— তোক কি দিয়া নাই। যি লাগে তাকে আনি দিছোঁ। যি ভাল পাৰ তাকে খাবলৈ দিছোঁ। তাৰ পিছতো তই কিয় বৃদ্ধা আশ্ৰম যাব লাগে। মই মানুহৰ আগত কি ক'ম। মানুহে মোক কি বুলি ক'ব। নিজৰাই ৰাজৰ কথা শুনি দুখ পালে। তাৰ মানে মাকৰ চিন্তা নাই। মানুহক কি ক'ব তাৰহে চিন্তা। তাই ক'লে— সোণ, তই চিন্তা নকৰিবি। মানুহে তোক একো নকয়। মই যোৱাৰ পিছত তই মই মৰিলো বুলি সকাম পাতি দিবি। তই মোক সকলো দিলি। ধন, সম্পত্তি। কিন্তু মই যি বিচাৰিছিলো তাক নিদিলি। মই আৰু ইয়াত নাথাকোঁ। তহঁত সুখত থাক। ৰুজীয়ে ইতিমধ্যে মাকৰ বাবে প্ৰয়োজনীয় বস্তু বাহিনী কেইটাৰ সৈতে কেইটামান টকা টোপোলা বান্ধি আনিলেই। ৰাজে একো নক'লে। নিজৰাই টোপোলাতো লৈ ঘৰৰ পৰা ওলাই গ'ল।

যাওতে এযাৰ কথা কৈ গ'ল— ৰাজ, মোৰ সোণটো ভালকৈ থাকিবি। তহঁতৰ যাতে মোৰ দৰে অৱস্থা নহয়, তাৰ বাবে ভগৱানক প্ৰাৰ্থনা জনাম। ৰাজে পুনৰ মাকক ৰখাবলৈ চেষ্টা নকৰিলে। নিজৰাৰ চকু দুটি পানীৰে উপচি পৰিল। পাছলৈ নোচোৱাকৈ তাই গৈ থাকিল। অকৃতজ্ঞ পুতেকলৈ এবাৰ ঘূৰি চাবলৈ তাইৰ মন নগ'ল।

■■

গল্প

# আত্মবিশ্বাস

দিপজ্যোতি হাজৰিকা



এপইন্টমেন্ট লেটাৰখন হাতত লৈ ৰীমা থৰ লাগি ৰ'ল। তাইৰ চকুৰে দুধাৰি চকুলো বৈ আহিল। পিছফালৰ চোতালৰ পৰা বাৰাণ্ডালৈ ওলাই অহা মাকে তাইক কোন আহিছিল, কি দিলে সেইখন আদি কেইবাটাও প্ৰশ্ন সুধি আছে যদিও তাইৰ মুখৰ পৰা এটা শব্দও ওলাই নাহিল। কিহে জানো তাইক বাকৰুদ্ধ কৰি পেলাইছে, তাই নিজেই নাজানে। চকুৰ আগলৈ ভাঁহি আহিছে সেই বিশেষ দিনটো। হয়, একমাত্ৰ সেই দিনটোৱেই তাইৰ জীৱনৰ গতিপথ সলনি কৰি দিলে। ঘূৰাই আনিলে আত্মবিশ্বাস, দৃঢ়তা আৰু বহু কিবা কিবি। কলেজ এখনত শিক্ষয়িত্ৰী কৰা সেই বাইদেউজনীয়েই আজি তাইক নিজৰ ভৰিত থিয় হোৱাৰ সুবিধাকণ দিলে। হাড়ভগা পৰিশ্ৰম কৰি ঘৰখন চলাই নিয়া মাকজনীকে শ্ৰম সাৰ্থক কৰিলে।

ৰীমাৰ আজিও মনত আছে নমিতা বাইদেউ ঘৰলৈ যোৱাৰ দিনটো। তেতিয়া তাইৰ বয়স ১১ বছৰ মান, ষষ্ঠ শ্ৰেণীত পঢ়ে। চুচুক চামাককৈ মাকৰ পাছে পাছে তাইও ভৰি থৈছিলগৈ বাইদেউহঁতৰ বাৰাণ্ডাত। বাইদেউৱে ঘৰটো চাফা কৰি দিবলৈ মাকক মাতি পঠাইছিল। সিহঁত গৈ পোৱাৰ সময়ত বাইদেৱে একমাত্ৰ ছোৱালীজনীক কিবা পঢ়ুৱাই আছিল। তাইতকৈ সৰু তৃতীয়শ্ৰেণীত পঢ়া ছোৱালীজনীয়ে মাকক 'বিশ্ব পৰিবেশ দিৱস' আৰু 'ৰাভা দিৱস' কোন কোন তাৰিখে পালন কৰা হয় সুধিছিল। মাকক কামৰ দিহা দি থকা বাইদেউৰ সলনি প্ৰশ্ন কেইটাৰ উত্তৰ তপককৈ তাইৰ মুখৰ পৰা ওলাই আহিছিল। কথা পাতি থকা বাইদেউজনীয়ে তাইৰ চকুলৈ আচৰিত হৈ চাইছিল আৰু আহিবৰ সময়ত কেইবাখনো পুৰণা অথচ নিলিখা বহী আৰু সাধু কিতাপ দি কৈছিল— "ভালকৈ পঢ়িবা দেই। পঢ়িলে কি হ'বা, ডাঙৰ হ'লে নিজেই গম পাবা"।


কিয় জানো সেইদিনাৰ পৰা তাই আগতকৈ বেছিকৈ পঢ়িবলৈ লৈছিল। ঘৰুৱা কামৰ ফাঁকে ফাঁকে তাই স্কুলৰ কিতাপৰ উপৰিও সাধুকথা আৰু অন্যান্য বাহিৰা কিতাপ পঢ়িবলৈ লৈছিল। মাকৰ লগত গৈ বাইদেউজনীৰ পৰা অন্য শিশু সাহিত্যও আনি পঢ়িবলৈ লৈছিল। বাইদেউজনীয়ে যে ইমান কিতাপ পঢ়ে। তিনিটা ডাঙৰ আলমাৰি কিতাপেৰে ভৰি থকা তাই নিজ চকুৰে দেখিছে। আগতে মাকে তাইক প্ৰায়ে কৈছিল— "আমাৰ দৰে মানুহে পঢ়া শুনা কৰি একো লাভ নাই। হাত দুখনেহে তোক খুৱাব।" অৱশ্যে স্কুলত দিয়া দুপৰীয়া ভাতসাজৰ আশাতেই চাগৈ মাকে তাইক স্কুললৈ যোৱাত বাধা দিয়া নাছিল। তাইও মাকক কাম বনত সহায় কৰি দিয়াৰ লগতে একমাত্ৰ ভায়েকটোৰ যত্ন লৈছিল।

দেউতাকৰ মৃত্যুৰ পাছত মাকে কিদৰে ঘৰখন চলাই আহিছে তাই সৰুৰে পৰা দেখি আহিছে। আধিত দিয়া মাটি কেইডৰাৰ ধানেৰে সিহঁত তিনিটা প্ৰাণীৰ পেটৰ ক্ষুধা পূৰণ কৰিলেও আনুষঙ্গিক আন বহুত খৰচ আছে ঘৰখনত। এটা অভাৱ পূৰণ হ'লে আন এটা অভাৱে মূৰ দাঙি উঠে। আজি যদি ভায়েকৰ পেন্টটো কিনিলে দুদিনমানৰ পিচত চেণ্ডেলযোৰ ছিগিল। এনেদৰেই পাৰ হয় ৰীমাহঁতৰ দিনবোৰ অভাৱৰ মাজত। কিন্তু তাৰ মাজতো এযোৰ ধুনীয়া সাজ, এটা আটোম টোকাৰি ঘৰৰ মাজত মাক, ভায়েক আৰু তাইৰ উজ্বল মুখৰ স্বপ্নই ৰীমাক পঢ়াৰ টেবুলত বহি থাকিবলৈ উৎসাহিত কৰে। মেট্ৰিক পৰীক্ষাত তিনিটা বিষয়ত লেটাৰ মাৰ্ক সহ ৭৮ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হোৱাৰ পিচত তাইৰ আত্মবিশ্বাসটো আৰু বাঢ়ি গৈছিল। তাতে এজোপা গছ পুলি ৰোৱাৰ বিনিময়ত বিনামূলীয়া নামভৰ্তিৰ চৰকাৰী আঁচনিখনে ৰীমাৰ দৰে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী সকলে আশাৰ বতৰা কঢ়িয়াই আনিছিল। অভাৱগ্ৰস্ত পিতৃ-মাতৃয়ে বহুখিনি সকাহ পাইছিল। ৰীমাৰ ফলাফলত আনন্দিত হৈ নমিতা বাইদেৱে তাইক কিতাপখিনি কিনি দিয়াৰ লগতে কলেজৰ পুথিভঁৰালৰ পৰা প্ৰসঙ্গ পুথি পঢ়িবলৈকো উৎসাহিত কৰিছিল। তাইৰ চেষ্টা আৰু নমিতা বাইদেউৰ দিহা পৰামৰ্শৰ বাবেই তাই উচ্চতৰ মাধ্যমিক পৰীক্ষাতো কলাবিভাগত ৮০ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল। তাৰ পিছত ৰাজনীতি বিজ্ঞানত মেজৰ লৈ বি এ পঢ়ি থকাৰ মাজতে ৰেল বিভাগত ওলোৱা এই তৃতীয় বৰ্গৰ চাকৰিটোৰ বাবে লিখিত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। আৰু আজি সম্পূৰ্ণ অনাকাংক্ষিত ভাৱে পিয়নজনে দি থৈ যোৱা খামটো খুলি ৰীমা হতভম্ব হৈ পৰিল। তাইৰ যেন পোহপাল দি ৰখা কণমানি সপোনটো ক্ৰমশঃ পুৰঠ হৈ উঠিছে।

ওচৰতে থিয় হৈ থকা মাকক সাৱটি ধৰি ৰীমাই চিঞৰি চিঞৰি ক'লে— "মা মই চাকৰি পাইছো।" ক্ষন্তেক বিলম্ব নকৰি নমিতা বাইদেউৰ ঘৰলৈ বুলি তাই প্ৰায় দৌৰি যোৱাৰ দৰে গুচি গ'ল...।

■■

...সুখানুভূতিত লীনা বৰাৰ মনটো ভৰি উঠিল। ভাবিবলৈ ধৰিলে, অজয়েতো তাকেই কৰিছে, 'মানুহে মানুহৰ বাবে'। যাৰ ফলশ্ৰুতিত তেওঁ যাত্ৰা কৰি আছে অজয়ৰ লগত পালিতা মাতৃৰূপে স্বীকৃতি পাই এখন সুখৰ ঘৰৰ অভিমুখে...



# মানুহে মানুহৰ বাবে

**ৰিঙ্কু দত্ত, সহকাৰী অধ্যাপিকা, গণিত বিভাগ**

অৱশেষত অজয়ে বহুত বুজোৱাৰ পিছত তাৰ লগত যাবলৈ মান্তি হ'ল লীনা বৰাই। দুবছৰ ধৰি দিন কটোৱা বৃদ্ধাশ্ৰমখনৰ সকলো আৱাসিকৰ পৰা বিদায় লৈ অশ্ৰুসিক্ত নয়নেৰে লীনা বৰাই অজয়ৰ সৈতে গৈ পদূলিত ৰৈ থকা গাড়ীত উঠিল গৈ। অজয়েও বৃদ্ধাশ্ৰমখনৰ কৰ্তৃপক্ষক তেওঁলোকৰ তত্বাৱধানত ইমানদিনে তাৰ মহীয়সী মাকক সুস্থ শৰীৰে, হাঁহি ফুৰ্তিৰে ৰখাৰ বাবে আজীৱন প্ৰতি মাহেকে-পযেকে আহি আশ্ৰমৰ আই মাতৃ সকলৰ স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা প্ৰদানৰ প্ৰতিশ্ৰুতি দি মাকক লগত লৈ নিজ ঘৰলৈ যাত্ৰা আৰম্ভ কৰিলে। লীনা বৰাই গৈ থকা বাটত অজয়ৰ লগত একোৰেই কথা নাপাতি কেৱল ভাবিবলৈ ধৰিলে, আজি লোকৰ ল'ৰা এটাই আহি যি দায়িত্ব পালন কৰিছে, নিজৰ কোখৰ ল'ৰাই কি কৰিলে, বৃদ্ধাশ্ৰমত থকাৰ অৱস্থা কৰি দিলে। তেওঁৰ মন পুৰণা সেই দিনবিলাকলৈ উৰি

গ'ল... হয়, এইটোৱেই সেই অজয় যিটো আহিছিল তেওঁলোকৰ ঘৰলৈ আজিৰ পৰা প্ৰায় ১৫ কি ২০ বছৰৰ আগতে নিজৰ মাকৰ লগত লীনা বৰাহঁতৰ ঘৰলৈ ভিক্ষা মাগিবলৈ। তেতিয়া তাৰ বয়স ৮ বছৰমান আছিল। অজয়ৰ মাকে আহিয়েই কথাৰ মাজতে কৈছিল যে পুতেকে হেনো বৰ ধুনীয়াকৈ গীত গাব পাৰে। বিশেষকৈ ভূপেন হাজৰিকাৰ গীত। তাক গাবলৈ কোৱাত অলপো লাজ ভয় নকৰাকৈ সি চিঞৰি চিঞৰি গান গাব ধৰিছিল। সঁচাকৈ সি শুৱলাকৈয়ে গীত গাইছিল। লীনা বৰাৰ ল'ৰাটো দেখি বৰ মৰম লাগিছিল। কি নাম সুধিলে, তপৰাই সি উত্তৰ দিছিল, অজয় হাজৰিকা। কোন শ্ৰেণীত পঢ়া বুলি সোধাত সি সেমেনা সেমেনিকৈ কৈছিল যে সি স্কুল পঢ়া বাদ দিছে। মাকে তেতিয়া কৈছিল যে সিহঁত বহুত দুখীয়া, স্কুললৈ যাবলৈ কাপোৰ কানি নাই বাবে সি স্কুললৈ যাব পৰা নাই। কিন্তু তাৰ পঢ়াশুনাত বহুত আগ্ৰহ আছে। লীনা বৰা সিহঁতৰ কথাত সন্তুষ্ট নহ'ল। তেওঁ কৈছিল অজয় স্কুল যোৱা উচিত। পঢ়াশুনা কৰিলেহে মানুহ ভাল হয়, জ্ঞানী হয়। অজয়ে বৰ মনোযোগেৰে তেখেতৰ কথা শুনিছিল। তাৰপিছত লীনা বৰাই ভিক্ষাৰ নামত কিছু বস্তু দিয়াৰ লগতে অজয়লৈ বুলি পুতেকৰ পুৰণা কিছু কাপোৰ দিয়াত সি বৰ আগ্ৰহেৰে সাৱতি লৈছিল। এনেকৈ অজয় আৰু তাৰ মাক প্ৰায়ে সিহঁতৰ ঘৰলৈ মাগিবলৈ আহিছিল কিন্তু তেওঁ উপদেশ দিয়াৰ দৰে তাক মাকে স্কুললৈ পঠিওৱা নাছিল। অৱশেষত লীনা বৰাই অজয়ক তেওঁলোকৰ ঘৰতে ৰাখি পঢ়োৱাৰ সিদ্ধান্ত ল'লে। অজয় আৰু তাৰ মাকে কোনো আপত্তি নকৰিলে। স্বামীৰ অনুমতি লৈ তাক তেওঁলোকৰ ঘৰতে ৰাখি ওচৰৰ এল পি স্কুলখনত নাম ভৰ্ত্তি কৰি দিলে। ভাবিলে মাজে সময়ে ঘৰৰ ইটো সিটো কামতো সহায় হ'ব। কিন্তু এইক্ষেত্ৰত লীনা বৰাৰ একমাত্ৰ পুত্ৰ সত্যজিতৰ বৰ ভাল লগা নাছিল, 'চাকৰ ৰাখিছা ৰাখা- পঢ়োৱাৰ কি দৰকাৰ? গাঁৱৰ দৰিদ্ৰ ল'ৰা, চোৰ কৰি পলাব কেতিয়াবা'— মাকৰ কিন্তু ল'ৰাটোলৈ বহুত মৰম লাগিছিল। তাৰ পঢ়াৰ প্ৰতি আগ্ৰহ দেখি, স্কুলৰ কিতাপবোৰ টেবুলৰ ওপৰত ধুনীয়াকৈ সজাই পঢ়িবলৈ বহা ষ্টাইলটো দেখি তেওঁৰ ল'ৰাটোলৈ বহুত পুতৌ উপজিল। লীনা বৰাৰ স্বামী মানে সত্যকাম বৰা সেই অঞ্চলটোৰ এজন নাম থকা দামী ব্যৱসায়ী। ৰাজনীতিৰ পৃষ্ঠপোষকতাত দামী দামী ঠিকাদাৰী কামবোৰ কৰি বাৰুকৈয়ে তেওঁ ধন ঘটিছে।

পুত্ৰ সত্যজিতেও বাপেকৰ পথকে অনুকৰণ কৰি ৰাজনীতিৰ মেৰপাকত পৰি হায়াৰ চেকেণ্ডেৰীতে পঢ়া সমাপ্ত কৰি ধন ঘটাতহে বেছি গুৰুত্ব দিলে। মাকে সেইবোৰ ভাল নাপায়। কিন্তু পুতেকে মাকৰ কথাত অলপো গুৰুত্বই নিদিয়ে। সম্পূৰ্ণ নিজৰ মতেহে চলে। লীনা বৰা এগৰাকী কোমল অন্তৰৰ ধাৰ্মিক আদৰ্শবাদী মহিলা। তেওঁ তেওঁৰ স্বামী আৰু পুত্ৰৰ ধনতান্ত্ৰিক মনৰ সম্পূৰ্ণ বিপৰীত আছিল। সৎ চৰিত্ৰ, শিক্ষাদীক্ষাৰ প্ৰতি আগ্ৰহী মানুহৰ প্ৰতিহে তেওঁ বেছি আকৃষ্ট আছিল। সেয়েহে তেওঁ ভাবিলে নিজৰ পুতেকেটো বহুত কোৱাৰ পিছতো পঢ়াৰ প্ৰতি আগ্ৰহ নেদেখুৱালেই; গতিকে অজয়ৰ দৰে এটা দুখীয়া নিছলা ল'ৰাকে যাৰ পঢ়াৰ প্ৰতি ইমান দুৰ্বাৰ আগ্ৰহ, তাকে পঢ়াশুনা কৰোৱাই সৎ আদৰ্শ মানুহ কৰি গঢ়ি তুলিব। অজয়েও লীনা বৰাৰ মৰম পাই পঢ়াশুনাত অধিক মন দি স্কুললৈ যাবলৈ ধৰিলে। শ্ৰেণীত সি সদায়েই প্ৰথম হ'বলৈ ল'লে। লীনা বৰাৰ মনটো বহুত ভাল লাগিল। অজয়ৰ মাক মাজে মাজে তেওঁলোকৰ ঘৰলৈ আহি পুতেকৰ খবৰ লোৱাৰ লগতে লীনা বৰাই অজয়ৰ নামত কিছু ধনো দি পঠিয়ায়। এইদৰে অজয়ে তেওঁলোকৰ ঘৰত লাগতিয়াল ইটো সিটো কামত সহায় কৰি দি নিজৰ পঢ়াশুনা অব্যাহত ৰাখি নৱম শ্ৰেণী পালেগৈ। তাৰ অমায়িক স্বভাৱ, দায়িত্ববোধ আদিবোৰ দেখি অতিব্যস্ত হৈ থকা সত্যকাম বৰায়ো ঘৈনীয়েকক নশলাগি নোৱাৰিলে। কিন্তু সত্যজিতেহে তাক বৰ ভাল ভাবেৰে ব্যৱহাৰ নকৰে। প্ৰতি সময়তে ইটো কৰ, সিটো কৰ, জোতা পলিছ কৰ, হাত ভৰি মালিছ কৰ আদি কামত লগাই সি যে এটা চাকৰ তাক প্ৰতিক্ষেত্ৰতে উপলব্ধি কৰোৱাই থাকে। কিন্তু অজয়ে সেই সকলোবোৰ হাঁহিমুখে গ্ৰহণ কৰি কামবোৰ সদায় নিষ্ঠাৰে কৰি থকা দেখি লীনা বৰাৰ মনটো তাৰ প্ৰতি অতি আকুল হৈ পৰে। কিন্তু সৰুৰে পৰা অতি মৰমত উঠোৱা উদণ্ড স্বভাৱৰ একমাত্ৰ পুত্ৰক তেওঁ কোনোপধ্যেই বুজাব নোৱাৰে। সিহে ওলোটাই জাঙুৰ খাই উঠে। যিকি নহওঁক- এইদৰেই লীনাহঁতৰ ঘৰখন চলি আছিল। কিন্তু সেই এটা বিশেষ দিনলৈ মনত পৰিলে লীনাৰ মনতো আজিও বিচলিত হৈ পৰে। সেইদিনা অজয় ঘৰতে আছিল, দেওবাৰ, স্কুল বন্ধ। সত্যজিতৰ ডিঙিৰ চাৰিতোলা ওজনৰ চেইনডাল

পুত্ৰ সত্যজিতেও বাপেকৰ পথকে অনুকৰণ কৰি ৰাজনীতিৰ মেৰপাকত পৰি হায়াৰ চেকেণ্ডেৰীতে পঢ়া সমাপ্ত কৰি ধন ঘটাতহে বেছি গুৰুত্ব দিলে। মাকে সেইবোৰ ভাল নাপায়।

হেৰাল, তাৰমতে সেইডাল সি বাথৰুমত থৈছিল, তাত নাই অজয়ে চোৰ কৰিছে। অজয়ে ক'লে, 'দাদা মই দেখা নাই, লোৱা নাই'। কিন্তু তাৰ কথা সত্যজিতে ক'ত শুনে, 'চাকৰ, মৰম কৰি পঢ়োৱাই শুনোৱাই আশ্ৰয় দিছোঁ, শেষত চোৰ কৰিলি।, মই মাক আগতেই কৈছিলোঁ— এনে দুখীয়া দৰিদ্ৰ, গাঁৱলীয়া এটাক লাই নিদিবলৈ'। লীনাই কথাটোত মধ্যস্থতা কৰি অজয়ে যে চেইনডাল চোৰ কৰা নাই বুজাবলৈ যাওঁতে মাকক গতিয়াই উফৰাই সত্যজিতে অজয়ক ধৰি উধাই মুধাই মাৰিবলৈ ধৰিলে। ঘুচিয়াই চৰিয়াই লপা-থপা দি চেইন উলিয়া, চেইন উলিয়া, বুলি ঠেকেচিবলৈ ধৰিলে। উপায়হীন অজয়ক বচাবলৈ মাতৃ লীনায়ো অপাৰগ হৈ পৰিল। আৰু সেইদিনাই অজয়ক সত্যজিতে ঘৰৰ পৰা খেদাই পঠিয়ালে। লীনাই কান্দি কান্দি চিঞৰি চিঞৰিও পুতেকৰ হাতৰ পৰা অজয়ক বচাব নোৱাৰিলে। কিন্তু তাৰ দুদিন পিছত লীনাই সত্যজিতৰ বিচনাৰ তলতে তাৰ চেইনডাল বিচাৰি পালে। কিন্তু তেতিয়া বহুত দেৰি হৈ গৈছিল। অজয় আৰু তেওঁলোকৰ ঘৰলৈ ঘূৰি নাহিল। তাৰ খবৰ আৰু লীনাই নাপালে। সত্যজিতক বিচাৰিবলৈ কোৱাত সিয়ো নিজে লাজ পোৱাৰ চিন্তাত কথাটোত গুৰুত্ব নিদিলে। লীনা বৰ অকলশৰীয়া হৈ পৰিল। নিজৰ সৰু পুত্ৰক হেৰোৱা যেন অনুভৱ কৰিলে। কি কৰিব উপায় বিচাৰি নাপালে।

ইফালে সত্যজিতৰ স্বভাৱ চৰিত্ৰবোৰো দিনক দিনে উশৃংখল হৈ গৈ আছিল, কিন্তু তাক বুজাবলৈ গৈ আৰু বেলেগ পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ মাকৰ মন নগ'ল। পৰিস্থিতি চম্ভালি নিজকে সুস্থিৰ কৰিবলৈ চেষ্টা কৰোঁতেই নিয়তিয়ে যেন তেওঁৰ লগত কিবা খেলহে খেলিলে। অকস্মাতে এদিন তেওঁৰ স্বামী সত্যকাম বৰাই উচ্চ ৰক্তচাপত ভুগি হঠাতেই কামৰ ব্যস্ততাৰ মাজতেই চিৰদিনৰ বাবে ইহলীলা সম্বৰণ কৰিলে। লীনা বৰাৰ মূৰত যেন আকাশী সৰগহে ভাগি পৰিল। নিজক আৰু চম্ভালিব নোৱাৰা অৱস্থা হ'ল। কোনোদিনে ঘৰ চলোৱাৰ ক্ষেত্ৰত টকা-পইচাৰ দায়িত্ব নোলোৱা মানুহগৰাকী একেবাৰে অকলশৰীয়া হৈ পৰিল। ব্যৱসায়ৰ একো ভু নোপোৱা লীনা বৰা সম্পূৰ্ণ পুত্ৰৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। পিতৃ বিয়োগৰ পিছত সত্যজিত প্ৰায় বেপেৰুৱা হৈ পৰিল। নিজৰ ইচ্ছাৰে সকলো কাম কৰিবলৈ ধৰিলে। দেউতাকৰ দৰে পৰিপক্ক ব্যৱসায়ী হ'ব নোৱাৰি দেউতাকৰ উপাৰ্জনৰ ধন যথে-মথে খৰচ কৰিবলৈ ধৰিলে। আনকি মাকে গম নোপোৱাকৈয়ে দেউতাকৰ মৃত্যুৰ এক বছৰ পাৰ নহওঁতেই বিয়া পাতি ছোৱালী আনি ঘৰ সুমোৱালেহি। মাক একেবাৰে বিবুদ্ধিত পৰিল। মইমতলীয়া স্বেচ্ছাচাৰী পুতেকক বুজাব নোৱাৰা হ'ল। একেবাৰে উশৃংখল জীৱন যাপন কৰা পুত্ৰ বোৱাৰীৰ কাৰ্যকলাপত মাকে আৰু মাত নমতাকৈ থাকিব নোৱাৰা হ'ল। কিন্তু মাকে ভবাৰ দৰে সিহঁতে মাকক মানি নাথাকিল। ওলোটাই মাককহে তিৰস্কাৰ কৰিবলৈ ধৰিলে। লাহে লাহে লীনা বৰাই উপলব্ধি কৰিলে, তেওঁ আৰু সত্যজিতৰ লগত সহজভাবে থাকিব নোৱাৰে। প্ৰতিটো ক্ষণে তেওঁৰ বাবে অসহ্যকৰ হৈ পৰিল। সাধাৰণ

চেলু এটা উলিয়াই লৈ দুয়ো পুত্র-বোৱাৰীয়ে তেওঁক আক্ৰমণ কৰিবলৈ খেদি আহে। সিহঁতে কাকো নমনা হ'ল। ব্যৱসায়ত বহুত টকা পানী কৰাৰ পিছত নিজৰ পৈত্তিক সম্পত্তিও বেচি বলৈ কুণ্ঠাবোধ নকৰা হ'ল। মাকৰ অজানিতেই সি খেতি মাটিখিনি কোনোবা অনা অসমীয়কে বেচি দিলে। মাক নিৰুপায়। কিবা প্ৰতিবাদন কৰিলেই কাজিয়া। হতাশাত ভুগি, উপায়বিহীন হৈ স্বামীৰ ফটোখনকে বুকুত সাৱটি ওচৰৰ মহিলা এগৰাকীৰ সহযোগত আহি এই বৃদ্ধাশ্ৰমখনত আশ্ৰয় ল'লেহি। যোৱাৰ সময়ত সি অলপো মাকক বাধা নিদিলে। ক'লে যে নিজৰ ইচ্ছাত যোৱা মানুহ পুনৰ যাতে আকৌ ঘৰলৈ ঘূৰি নাহে। সেইদিনাই মাকৰ তালৈ বহুত ঘৃণা উপজিছিল আৰু কোনোদিনে তাৰ ওচৰলৈ পুনৰ ঘূৰি নাহো বুলি দৃঢ়মন এটা লৈ ওলাই গৈছিল। তাৰ পিছত মনত এবোজা বেদনা কঢ়িয়াই লাহে লাহে শান্ত, নিৰিবিলি পৰিবেশৰ মাজত আশ্ৰমখনত থাকি মাকে পুত্ৰৰ লগতে কটোৱা সেই অসহ্যকৰ দিনবোৰ পাহৰি গৈছিল। কিন্তু আজি...

'মা, আপুনি ইমান দেৰিৰ পৰা কিয় মনে মনে আছে, মোৰ লগত আহি ভাল পোৱা নাই নেকি"— বুলি অজয়ে সোধাতহে তেওঁ সম্বিত ঘূৰাই পাইছিল। "নাই নাই, কিয় তেনেকৈ ভাবিছা, কিন্তু তোমাৰ কথা.... তোমাৰ কথাহে ভাবিছো, কেনেকৈ, কি ধৰণেৰে অতিক্ৰম কৰি তুমি আজিৰ এই ড° অজয়টো হ'লাহি।' তেওঁ উত্তৰ দিলে। অজয়ে হাঁহিলে আৰু ক'লে— 'আপোনাৰ আৰু মোৰ জন্মদাত্ৰীৰ আৰ্শীবাদ আৰু কষ্টৰ ফলতেই আজিৰ মোৰ এই অৱস্থা। মোৰ জন্মদাত্ৰী মাতৃয়ে জীৱনত কেনেকৈ দৰিদ্ৰতাৰ সৈঁতে যুঁজি, সংগ্ৰাম কৰি জীয়াই থাকিব লাগে শিকাইছিল, কিন্তু মা, আপুনি আৰু অলপ আগুৱাই দি প্ৰকৃত যি সত্য শিক্ষা দীক্ষা সহকাৰে, সৎ পথেৰে স্বাৱলম্বী হৈ কঠোৰ শ্ৰমেৰে বৰ্তমানৰ পৃথিৱীখনত নিজক প্ৰতিষ্ঠা কৰিবলৈ যি লাগে তাক অনুপ্ৰেৰণা যোগাইছিল। আৰু সেই দুয়োগৰাকীৰ মাতৃৰ কৃপাত মই আজি আপোনালোকৰ সন্মুখত। বলক আপুনি, মোৰ জন্মদাত্ৰী মা ৰৈ আছে, মোৰ পালিত মাৰবাবে, দুয়োগৰাকীৰ সান্নিধ্যত থাকি মই মোৰ জীৱন সাৰ্থক কৰোঁ।' লীনা বৰাৰ মন প্ৰাণ ভৰি উঠিল। সুখৰ চকুলো বৈ আহিল আৰু তাৰ মুখলৈ অপলক নেত্ৰেৰে চাই ৰ'ল।— সেই সৰু অজয়টো এতিয়া বহুত ডাঙৰ হ'ল, এতিয়া আৰু সি সত্যজিতলৈ ভয় নকৰে, এতিয়া তাৰ দৃঢ়তা বাঢ়িল, মাতৃৰ দায়িত্ব ল'ব পৰা হ'ল।

লাহে লাহে তেওঁলোকৰ যাত্ৰাপথ চমু চাপি আহিছিল। বাটৰ কাষৰ ভাল ৰেষ্টুৰেন্ট এখনত দুপৰীয়াৰ আহাৰ খাই আকৌ যাত্ৰা আৰম্ভ কৰিলে। অজয়ে তাৰ কাহিনী ক'বলৈ ধৰিলে, সত্যজিত দাদাই মৰিয়াই চৰিয়াই ঘৰৰ পৰা বাহিৰ কৰি দিয়াৰ পিছত সি নিৰুপায় হৈ বহুত দূৰ লেঙেৰাই লেঙেৰাই গৈ ৰাস্তাৰ কাষতে বহি ৰ'ল, ভাবিলে ক'লৈ যাব। সত্যজিতলৈ ভয় লাগিল, সিটো চেইনডাল লোৱা নাই, ক'ৰ পৰা উলিয়াই দিব? ভাবি ভাবি একো ওৰ

...লাহে লাহে লীনা বৰাই উপলব্ধি কৰিলে, তেওঁ আৰু সত্যজিতৰ লগত সহজভাবে থাকিব নোৱাৰে। প্ৰতিটো ক্ষণে তেওঁৰ বাবে অসহ্যকৰ হৈ পৰিল। সাধাৰণ চেলু এটা উলিয়াই লৈ দুয়ো পুত্ৰ বোৱাৰীয়ে তেওঁক আক্ৰমণ কৰিবলৈ খেদি আহে...

নাপাই পকেটত থকা দহটকাটোৰ সহায়তেই গাঁৱৰ ঘৰলৈকে গুছি গ'ল। গাঁৱলৈ গৈ তাৰ স্কুলতে পঢ়াৰ সিদ্ধান্ত ল'লে। প্ৰতিক্ষেত্ৰতে মাতৃ লীনা বৰালৈ তাৰ মনত পৰি থাকিল। তাক বচাবলৈ আহোতে সত্যজিতদাই গতিয়াই লীনা বৰাক উফৰাই দিয়া ছবিটো তাৰ মনত যেতিয়াই তেতিয়াই ভাঁহি থাকে। তেওঁকে আদৰ্শ ভাবি তেওঁৰ মনৰ আশা পূৰণ কৰিবলৈকে যথাসাধ্য চেষ্টা কৰি সকলো কাম বন চম্ভালি মনপুতিৰে পঢ়াশুনা কৰি গাঁৱৰ স্কুলৰ হেড চাৰৰ সহায়ত অতি সুখ্যাতিৰে সি মেট্ৰিক পাছ কৰিলে। সেইদিনা তাৰ মাকলৈ বৰ মনত পৰিছিল, তেওঁৰ পৰা আৰ্শীবাদ ল'বলৈ বহুত মন গৈছিল, কিন্তু নিৰুপায় আছিল, সত্যজিতলৈ ভয় লাগিছিল। সি প্ৰতিজ্ঞা কৰিছিল, সি এদিন বহুত ভাল মানুহ হৈ মাতৃ লীনাৰ ওচৰলৈ যাব। আৰু সেইমতেই নিজক উপযুক্ত কৰি সৎ সাহসেৰে লীনা বৰাহতঁৰ ঘৰলৈ গৈছিল, কিন্তু ঘৰত কোনো নাছিল। তলা বন্ধ। ওচৰৰ জীৱনহঁতৰ ঘৰৰ পৰা গম পাইছিল যে সত্যজিত আজিকালি সেই ঠাইত নাথাকে আৰু মাক থাকে এখন বৃদ্ধাশ্ৰমত... সি দুখত ভাগি পৰিছিল, ভাবিলে ক'ৰ পৰা কি হৈ গ'ল??

মেট্ৰিকত তাৰ ৰিজাল্ট অতি ভাল হোৱাৰ বাবে এখন নাম থকা প্ৰাইভেট কলেজে তাক কচিং সহ বিনামূলীয়াকৈ শিক্ষা গ্ৰহণৰ সুবিধা কৰি দিলে। তাৰ পিছত সি আৰু পিছলৈ ঘূৰি চোৱাৰ সময়ে নাপালে। নিজৰ কষ্ট আৰু একাগ্ৰতাৰ লগতে সন্মানীয় শিক্ষাগুৰু সকলৰ সহায় সাহাৰ্যত আৰ্শীবাদপুষ্ট হৈ মেডিকেলৰ শিক্ষাও সাং কৰিলে। কিন্তু সেই সকলোবিলাক হোৱাৰ পিছতো সি নিজকে এক আধাৰুৱা সমাপ্তিৰ দৰে অনুভৱ কৰিলে। কাৰ বাবে আজি সি এই লক্ষ্যত উপনীত হ'ব পাৰিলে? একমাত্ৰ লীনা বৰাৰ দৰে মাতৃৰ বাবে। নিজৰ জন্মদাত্ৰী মাতৃয়ে তেওঁৰ সীমিত সামৰ্থৰে তাক কেৱল দুখৰ লগত সংগ্ৰাম কৰি জীয়াই থাকিবলৈ শিকাইছিল, কিন্তু প্ৰকৃত মানুহ হ'বলৈ শিকাইছিল তাৰ পালিতা মাতৃ লীনা বৰাইহে। কিন্তু মাতৃৰ আজি এই দুৰাৱস্থা। তাৰ অলপো সহ্য নহ'ল। সত্যজিতলৈ বহুত খং উঠিল, মাতৃৰ মমতা বুজি নোপোৱাত।

ইয়াৰ মাজতে অৱশ্যে তাৰ এটা কথা ভাল লাগিল যে সি দুয়োগৰাকী মাতৃৰ চোৱাচিতাৰ দায়িত্ব ল'বলৈ পৰম সৌভাগ্যৰ অধিকাৰী হ'ল। কৰ্মজীৱনৰ প্ৰতিক্ষেত্ৰতে মাতৃ দুগৰাকীৰ চৰণৰ ধূলি আৰ্শীবাদ হিচাপে ল'বলৈ পাই সি সৌভাগ্যবান হ'ল। কথাৰ মাজতে লীনা বৰাই সুধিলে, অজয়, আজিকালি তুমি আগৰদৰে গান গোৱানে? আমাৰ ঘৰত থাকোঁতে যে পঢ়াৰ মাজে মাজে কামৰ ফাঁকে ফাঁকে চিএৱৰি চিএৱৰি ভূপেন হাজৰিকাৰ গীতবোৰ গাই আছিলা, আজিকালিও গাই থাকানে? অজয়ে হাঁহি ক'লে,— কিয় নাগাম মা, ড° ভূপেন হাজৰিকাদেৱৰ গীতবোৰেইটো মোৰ জীৱনৰ অন্যতম এক প্ৰেৰণাৰ উৎস। 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে' আদি সুধাকণ্ঠৰ গীতৰ বাবেইটো আজি মই এই পৰ্যায়ত আছোঁ। ভিক্ষা মাগিবলৈ আহোঁতে কেৱল ভিক্ষাৰী বুলি নাভাবি মোক অন্য ধৰণেৰে জ্ঞান কৰি নিজৰ পুত্ৰৰ শাৰীলৈ তুলি স্কুলৰ হেডচাৰে মোক সহায় সুবিধা কৰি নিদিয়া হ'লে, মৰমৰ সেই প্ৰখ্যাত জুনিয়ৰ কলেজখনে মোক বিনামূলীয়া অমূল্য শিক্ষা প্ৰদান নকৰা হ'লে, মেডিকেল পঢ়িবলৈ সুবিধা কৰি নিদিয়া হ'লে লগতে পুত্ৰৰ পৰা বৰ্জিত হৈ সেই মহান বৃদ্ধাশ্ৰমখনে আপোনাক থাকিবলৈ অকণমান ঠাই নিদিয়া হ'লে আজিটো আমি নাপাত্তা হৈ গ'লো হয়।' শেষত অজয়ে ক'লে, 'মা, আপুনি বৰ মহান, নিজৰ পুত্ৰই অত্যাচাৰ কৰাৰ পিছতো তাক আপুনি কোনোধৰণৰ নিয়মৰ শাস্তি প্ৰদান নকৰি তাৰ শান্তিৰ বাবে নিজেই ঘৰৰ পৰা ওলাই মাতৃৰ মৰমৰ যি নিদৰ্শন দিলে, সি সঁচাই অতুলনীয়। আপোনাক মই কোনোদিনেই কোনো চৰ্তত মোৰ লগৰ পৰা যাব নিদিও। সত্যজিতদাক মই লগ ধৰিম, বুজাম, এগৰাকী মাতৃৰ মূল্য শিকাম, কিন্তু আপোনাক মোৰ লগৰ পৰা ভিন্ন কৰি নহয়। মোক ভগৱানে সুযোগ দিছে আপোনাৰ প্ৰতি কৰ্তব্য কৰিবলৈ, ধাৰ সুজিবলৈ। হয়তো নোৱাৰিম ধাৰ সুজিবলৈ দুয়োগৰাকী মাতৃৰ, তথাপিও যৎপৰোনাস্তি চেষ্টা কৰিম। মানুহ যদিহে নহয় মানুহ, দানৱ কাহানিও নহয় মানুহ....।

সুখানুভূতিত লীনা বৰাৰ মনটো ভৰি উঠিল। ভাবিবলৈ ধৰিলে, অজয়েতো তাকেই কৰিছে, 'মানুহে মানুহৰ বাবে'। যাৰ ফলশ্ৰুতিত তেওঁ যাত্ৰা কৰি আছে অজয়ৰ লগত পালিতা মাতৃৰূপে স্বীকৃতি পাই এখন সুখৰ ঘৰৰ অভিমুখে...।

■■

# কবিতা

## শিতান



# সহযাত্ৰী

বিশ্বজ্যোতি দাস

আপুনি ৰৈ দিয়া বাবেই
মই আপোনাক লগ পালোঁ
দুই-এষাৰ কথাও পাতিলোঁ
ক্ষণিক ৰৈ নিদিয়া হ'লেই
আপোনাক লগেই নাপালোঁহেঁতেন
নপৰিলেহেঁতেন দুয়োৰে চকুত চকু।
আপোনাৰ হৃদয়ৰ উজ্জ্বলতা
কিদৰে দেখিলোঁহেঁতেন,
জীৱনৰ গতিময় পথত?
লগ পালে কাৰোবাক মাত এষাৰ দিওঁ
সুখ-দুখৰ এষাৰ কথা পাতোঁ,
আত্মীয়তা গঢ়ো ভাৱ বিনিময় কৰি।
ক'বতো নোৱাৰোঁ
কিজানিবা মোৰ জীৱনৰ বাটত,
আপুনিয়েই হয় মোৰ উত্তৰণৰ সহযাত্ৰী।



# মা

মুনমী শইকীয়া



এটি সৰগীয় শব্দ
নিভাঁজ নিষ্পাপ মৰমৰ আঁকৰ
জীৱনৰ প্ৰতিটো মুহূৰ্তৰ সংগী
যাৰ অনুপস্থিতিত জীৱন অৰ্থহীন।
বলিদান তেওঁৰ, সফলতা আমাৰ
হাঁহিৰ আঁৰত সুপ্ত বহু দুখ-যান্ত্ৰণা
অনুভৱ অসম্ভৱ আমাৰ বাবে
ত্যাগৰ প্ৰতীক সেই নাৰী 'মা'
সঁচাই মৰ্মস্পৰ্শী তেওঁক হেৰুওৱা বেদনা
চিৰস্মৰণীয় তেঁৱেইতো জন্মদাত্ৰী।

# নাহৰৰ পাতত খেলা এটা পাটবাউসীৰ জোন

কনক দত্ত

নাচি নাচি হৈ অহা বতাহজাকতে
গধূলিগোপাল ফুলে
বাঢ়ি অহা নদীৰ কোবাল সোঁতত
ভক্তিৰ গীত এটিত কঁপে
নাহৰৰ কোমল পাতত খেলি ভালপোৱা
পাটবাউসীৰ এটা জোন।
পিতাই দিনত দহা ভোক এটাৰে
জোনটো মোৰ বুকুত শিপায়
সেউজ সুগন্ধি পথাৰৰ আঁহে আঁহে
মায়াময় নদীৰ কোবাল সোঁতত কঁপে
আকাশত নকৈ হাঁহিৰোৱা তৰাবোৰ,
বিস্মৃত মই, যেন এটি শিল নিজৰ মাজতেই
চৌপাশে বিৰাজে নৈমিষাৰণ্যৰ ধ্বনি প্ৰতিধ্বনি
মই তাতে লীন হৈ নতুনকৈ জী উঠিব খোজো।

# আইৰ হিয়াভঙা বিননি

নীহাৰিকা বৰা

আউলি-বাউলি হৈ অশ্রু বোৰাই
কিমান দিন থাকিবা নীৰৱে
অ' মোৰ আই
তুমিতো জানাই
হেৰাই যোৱাবোৰ তোমাৰ কাষলৈ
নাহে যে দুনাই।
দুখ নকৰিবা অতীতলৈ চাই
সময়ৰ সোঁতে সকলো নিয়ে উটুৱাই
তোমাৰ কোলাতে জন্মলৈ
তোমাৰ বাবেই দিলে আত্মবলিদান
তোমাক কৰিলে মহীয়ান।



# মৃত্যু

নিৰ্মালী দাস

সুউচ্চ পাহাৰটোৰ এইপাৰে মই
সিপাৰে তুমি
মাজত এই দুৰ্ভেদ্য প্ৰাচীৰ
তোমাৰ অবৰ্তমানত অক্টোপাছৰ দৰে
দুখবোৰে মেৰিয়াই ধৰিছে
কুৰুকি কুৰুকি সোমাই আহিছে
অন্তৰৰ মাজলৈ, নিভৃত কোণলৈ
আৰু আজি
শ্মশানৰ জুইকুৰাই তোমাক
আগুৰি লেলিহান শিখাৰ মাজত
দগ্ধ কৰিছে তোমাৰ সুকোমল শৰীৰ
কুণ্ডলী পকাই উৰা চিতাৰ ধোঁৱাত
বোবা হৈ পৰিছে দিনৰ পোহৰ
জয়াল নিশা হৈ উচুপি উঠিছে
মোৰ লগতে হাজাৰজনৰ অন্তৰ
পদপথত এতিয়াও ৰঞ্জিত
তোমাৰ বুকুৰ শোণিতৰ কঁৰাল
হাহাকাৰ কণ্ঠত বাজি আছে এটি সুৰ
মৃত্যু তোমাক প্ৰণাম
তোমাক প্ৰণামো বাৰে বাৰে।

# সন্ধিয়া


নয়নমণি দলে

হেঙুলীয়া সূৰ্যটো লাহে লাহে
পশ্চিম আকাশত ডুব গ'ল
পেঁপাটি মুখত লৈ গৰখীয়া
গৰুজাকৰ সৈতে ঘৰমুৱা হ'ল।
ফুলো-নুফুলো কৰা গধূলি গোপালজুপি
মলয়াৰ কোমল পৰশত
ৰঙতে বিভোৰ হৈ দুটি এটি কলি মেলি
সন্ধিয়াৰ জেউতি বঢ়ায়।
মৃণাল ভূঞ্জিবলৈ এৰি ৰাজহাঁহ জাকেও
দিহাদিহি গ'ল এৰি নৈ
ঘৰমুৱা হ'ল ঘাটৰ জীয়ৰী বোৱাৰী
সন্ধিয়াৰ চাকিটি জ্বলাই
হাটৰুৱা বাটৰুৱা চাপিলেহি ঘৰ
শেৰালিয়ে বিলালে সুবাস
পূব আকাশৰ পৰা ক'লা ঢাকনিয়ে
আনি দিলে নিশাৰ আভাস।
লুইতৰ দুয়োপাৰে নাৱৰীয়াই
নিজ নিজ নাও ৰাখে বান্ধি
নামঘৰ মন্দিৰত দবা-শংখ বাজি
বিয়পালে সন্ধিয়াৰ মংগল ধ্বনি।

# প্ৰকৃতিৰ আহ্বান

জানমণি গগৈ

ক্ৰমে উদং হৈ আহিছে মোৰ বুকুখন
বৰ নিৰুপায় হৈ পৰিছোঁ।
কোনে শুনিব মোৰ আৰু বন্যপ্ৰাণীৰ
প্ৰাণকাতৰ আৰ্তনাদ।
জীৱশ্ৰেষ্ঠ মানৱ সমাজত যেন
উৎসৱমুখৰ হৈছে মোৰ ধ্বংসযজ্ঞ।
য'ত শ্বাসৰুদ্ধ হৈ পৰিছোঁ মই...
কোনে বুজিব সেউজ মাতৃৰ
দুচকুৰে নিগৰি অহা তপত অশ্ৰুক
তথাপিও হে মানৱ সমাজ
তোমালোকলৈ প্ৰকৃতি মাতৃৰ
আকুল আহ্বান
বন্ধ কৰা তোমালোকৰ ধ্বংসযজ্ঞ
মোৰ চিৰসেউজ আবুৰতাৰ পৰা
আঁতৰাই নগ্ন নকৰিবা,
বঞ্চিত নকৰিবা সহস্ৰজনক
মাতৃত্বৰ উমৰ পৰা।



# জীৱন তৃষ্ণা

ড° ৰমেশ কুমাৰ কাকতি
সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ


বাসনাই বেৰিছে আমাক
মৃত্যুৰ আলিংগনৰতক
দেখি বাৰে বাৰে
হোৱা নাই এবাৰো হতবাক।
দুচকুত সন্তানৰ সপোন
মানৱতাৰ দায়িত্ব পাহৰি
আঁজুৰি আনিব খোজে
আকাশৰ পূৰ্ণিমাৰ জোন।
দৰিদ্ৰজনৰ অনুনাদে
অন্তৰ্দৃষ্টি নানে কোনোদিন
অন্তৰাত্মাত নহয় অনুকম্পা
ব্যক্তিস্বাৰ্থত লীন হয় নিৰ্বিবাদে।
লাগে মাথোঁ লাগে
ভোগবাদী জীৱনধাৰাত
কোৰোণাৰে চপালেও ধন
আমনি নেলাগে।
ভোগত দেখোন তৃপ্তি নপলায়
মায়াময় সংসাৰত
নিত্য নতুন ভোগৰ স্পৃহাই
বাসনাৰ পৰিধি চেৰায়।
চকুৰ আগত মৃত্যুৰে কিৰিলিয়াই
ক্ষন্তেকতে পাহৰি দুনাই
লোভ-মোহ-মায়াই আৱৰি
জীৱন তৃষ্ণা দুগুণে বঢ়ায়।

# মা

জয়প্ৰভা দত্ত

দুচকু যেতিয়া পানীয়ে উপচে
মনত পৰে তোমালৈ
ঘূৰাই পাবৰ মন যায় সেই দিনবোৰ
কিবা এটা নিদিয়াৰ বাবে যে ঠুনঠুনাইছিলোঁ
তোমাৰ চাদৰৰ আঁচলেৰে চকুলো মচি দি কৈছিলা
মাজনী নাকান্দিবা, 'দেউতা আহিলে আনি দিম।'
ক'ত হেৰাল সেই দিনবোৰ, ক'ত বিলীন হ'ল?
জাকি মাৰি অহা স্মৃতিবোৰ
মিথ্যাচাৰৰ পৃথিৱীত
কেৱল তুমিহে সঁচা আছিলা
নিঃস্বাৰ্থ আছিল মৰমবোৰ
কেৱল তোমাৰ মা
মই আকৌ জনম ল'ব বিচাৰোঁ
তোমাৰ কোলাত মা
টোপনি যাব বিচাৰোঁ
'আমাৰে মইনা শুব এ...
বাৰীতে বগৰী ৰুব এ...।





# সংগ্ৰামী

হিমাংশু বৰা

যদি কোনোবাই সাজিব পাৰে
শিল-বালিৰ তৰপেৰে সু-উচ্চ অট্টালিকা
কিয় বাৰু সাজি দিব নোৱাৰে
এখন টিনৰ, চালি নিৰাশ্ৰয়জনৰ বাবে
যদি কোনোবাই আলৈ-আথানি
কৰি খাব পাৰে
মঙহেৰে ভাত
কিয় বাৰু খুৱাব নোৱাৰে আৰ্তজনক
লোণ-তেলেৰে কেইটামান ভাত।
যদি এমুখ কৃত্ৰিম হাঁহিৰে
বিলাব পাৰে কোনোবাই
ভোগ-বিলাসৰ মান-অভিমান
কিয় বাৰু দিব নোৱাৰে
শব্দৰে এটি সুমধুৰ মিঠা মাত।
যদি কোনোবাই শব্দৰ স'তে উমলিব পাৰে
লিখিব পাৰে হাজাৰটা
মানৱতাৰ গান
কিয় বাৰু ক'ব নোৱাৰে
মই খ্ৰীষ্টান, মই হিন্দু
ভালপাওঁ এগৰাকী মুছলমান নাৰীক।

## কবিৰ স্বপ্ন

**দিপাংকৰজ্যোতি নাথ**

দুৰ্ভীক্ষৰ দিনবোৰত
এটা কলম নাছিল
লিখিবৰ বাবে তোমাক
উৎসৰ্গি অজস্ৰ কবিতা
তেতিয়া
বাৰিষাৰ বৰষুণত শব্দবোৰে
ঢৌ খিলিব ধৰিছিল অনায়াসে
অপৰিপক্ক সপোনবোৰ
উৰা মাৰিব খুজিছিল
জিলমিল জোনাকৰ সন্ধানত
শ্বাসৰুদ্ধতাত থমকি ৰৈছিল
পথভ্ৰষ্ট কবি
নিঃসংগ আৰু বিষণ্ণতাত ডুব গৈছিল
সেইয়ে
আজিও ৰৈ আছে কবি
জোন-তৰা আকাশৰ ঠিকনা বিচাৰি।



## মনালিচা

**শিল্পী গগৈ**

মাতাল নিশা একোঠালি আন্ধাৰ
আৰু মই মজিয়াত খেপিয়াই ফুৰিছোঁ এমুঠি
জোনাকী
হাতত লাগিছে মাথোঁ খোলাকটি
আৰু এটি ভাগি যোৱা প্ৰস্তৰ নাৰীমূৰ্তি
জোনাকীবোৰে হাঁহি মাৰি ৰং চাইছে
এতিয়া বিচৰা তোমাৰ মনালিচাৰ হাঁহি।
দেৱালত আঁৰি থোৱা কেলেণ্ডাৰখন বতাহে
কোবাইছে
টেবুলৰ ডায়েৰীখনৰ পৃষ্ঠাবোৰ বৰকৈ কঁপিছে
কোঠাটোত যেন এখন ছায়ানাটৰ আখৰা চলিছে
দেৱালত আঁৰি থোৱা মনালিচাৰ ছবিখনেও অট্টাহাস্য কৰিছে
নাৰীমূৰ্তিৰ ভগ্নাৱশেষবোৰত চকু থৰ কৰি।



## সৰাপাত

**মুনমী শইকীয়া**

সপোন সেউজীয়া আছিল
বেলিৰ লগে লগে
সপোনো লহিয়ালে।
সেউজীয়াবোৰ ক'ৰবাত এৰিলোঁ,
হেঙুলীয়া আভাৰে আকাশ উজ্বলিল,
সপোনবোৰ সৰাপাত হৈ সৰিল।

এখিলা-দুখিলাকৈ সপোন বুটলিলোঁ
লিৰিকি বিদাৰি চালোঁ
কিজানিবা পাওঁ,
এধানি সেউজীয়া বিচাৰি।

এতিয়াচোন মোৰ চৌপাশে
হেজাৰ সপোনৰ সমাধি
আহিবানে কেতিয়াবা আমি গঢ়া
সপোনৰ জীৱাত্ম বিচাৰি?

# ভটিয়াই যোৱা সপোনটো

নিমিষা কোঁৱৰ

মুগা বৰণৰ সুৰাগমণি সপোনটো
ব'হাগৰ কোমল পুৰাতেই
উচুপি উঠিল
কলিজাটো সাৱটি
নিচুকাই থ'লোঁ
বৰ্ণময় উন্মুক্ত বেদনাবোৰ।
সীৰলুত বাঢ়ি অহা সপোনটো
বাৰিষাৰ আবেলি
উটি গ'ল জাঁজী ঘাটত
আকৌ আহিল বৰণীয়া সপোনটো
আঘোণৰ সন্ধিয়া
কেঁকুৰি ঘূৰি
ভটিয়াই গ'ল
বুকুত শিল এটা বন্ধাদি
গোপনে থৈ দিলোঁ
ভালপোৱাৰ সেউজ স্মৃতিবোৰ।





# মনৰ আশা

জয়প্ৰভা দত্ত

ডাৱৰৰ আঁৰে আঁৰে
জোনে খেলে...
দুখৰ মাজে মাজে
সুখে ভুমুকি মাৰে...
        কলিয়া ডাৱৰ যেতিয়া
        আঁতৰে...
        জোনে ধৰিত্ৰী পোহৰাই তোলে...
এদিন আহিবই
সুখৰ পছোৱা
দুখবোৰ উৰুৱাই নিব
        মৰমে হাঁহিব
        আশাৰ ফুল ফুলিব
        বেদনা নোহোৱা হ'ব...।

# অশ্ৰুসিক্ত দুচকু

**ৰুবুল দাস**

ধুমুহাই উৰুৱাই নিয়া পঁজাটো দেখি
নাকান্দিবা 'মা',
তোৰ কঠোৰ শাসন আৰু মৰমেৰে গঢ়া
হোৱা নাই নিঃশেষ
নামী-দামী ব্ৰেণ্ডৰ কাপোৰ পিন্ধাই,
বিলাতী গাড়ীৰে অনা-নিয়া কৰিব নোৱাৰিলেও
তোৰ অনুশাসনত আৱদ্ধ আৰু
অকৃত্ৰিম কেঁচা মৰমৰ বান্ধোনত থাকি
তোৰ পোনাকেইটিয়ে এতিয়াও পাহৰি যোৱা নাই
মানৱতাৰ সংজ্ঞা, নৈতিকতা আৰু সামাজিক দায়বদ্ধতা।
'মা' তই নাকান্দিবি,
তোৰ দুচকুৰ উষ্ম অশ্ৰু থৈ দে সযতনে,
এদিন যেতিয়া তোৰ বুকুৰ উমত ডাঙৰ হোৱা
পোনাকেইটিৰ নাম সমগ্ৰ পৃথিৱীবাসীয়ে ল'ব
যেতিয়া সিহতে ধনী-দুখীয়াৰ বৈষম্য আঁতৰাই
কেৱল মানুহ হিচাপে মানুহক এক কৰিব পাৰিব।
নাথাকিব য'ত ব্ৰেণ্ডৰ মূল্য
থাকিব কেৱল মানৱীয় প্ৰমূল্য
তথা নৈতিকতাৰ মূল্য
আৰু কৃতকাৰ্যতাৰ শৃংগত থিয় হৈ
সিহঁতৰ হৃদয়ৰ পৰা নিগৰিত হ'ব
এটাই মাথোঁ শব্দ 'মা'।
আৰু মা তেতিয়াই
তোৰ চকুৰে দুখৰ সলনি
নিগৰিব সুখৰ চকুলো,
বোৱতী নদী হৈ ব'ব।
উটুৱাই দৰিদ্ৰতা, অস্পৃশ্যতা, যত কলুষতা।



# আকৌ আহিবানে তুমি

**জ্যোতিষ চেতিয়া**

যি বাটেৰে আহিছিলা তুমি
আহিবানে সেই বাটেৰে
কুঁৱলিত তিতি তিতি
এবুকু আশালৈ, হাজাৰটা স্বপ্ন ৰচি
সুখ-দুখ, হাঁহি-কান্দোন নিমিলা অংক
কত দোমোজা কত হেঁপাহ
লক্ষজনৰ অশ্ৰু মচি
এখনি বিশাল সাগৰ হৈ
আহিবানে তুমি,
জোনাক সিঁচা শাৰদী গধূলিত
দুবৰি বনত মুকুতা সিঁচি
শেৱালিৰ সুগন্ধি বিলাবলৈ
আহিবানে তুমি
নাহৰৰ ৰঙা কুঁহিপাত হৈ
বসন্তৰ এটি মিঠা গান হৈ
বাট চাই থাকিম
মাথোঁ তোমালৈ...

# লিমাৰিক

বৰ্ণালী বৰুৱা

(১)

দুৰ্নীতিয়ে ভৰা অসমৰ প্ৰজাগণ হেনো লেজি
যেতিয়াই তেতিয়াই মূল্যবৃদ্ধি কৰি ৰাইজক দিয়ে বেজি
মোদীয়ে পানীত ফু মাৰি
কথাত নেযায় হাৰি
এইয়ে হ'ল অচ্চেদিনৰ ৰাজনীতি।

(২)

ৰাহুলক জানে সবেই ষ্টাইল মাষ্টাৰ বুলি
এখন কামত পিন্ধে তিনিপাতকৈ ফুলি
কেতিয়াবা এমুখ দাড়ি
কেতিয়াবা চাফা
কেতিয়াবা আকৌ পাঞ্জাৰীৰ লগত পিন্ধে পায়জামা।

(৩)

পাতি চাইকেল চলাই ফুৰা বিধায়কৰ একচন
বিধানসভাত অৱগত নকৰে ৰাইজৰ টেনচন
ৰাইজৰ মাজলৈ আহে ভোট বিচাৰি
প্ৰতিশ্ৰুতিবোৰ দিয়ে ভৰিয়ে গচকি মোহাৰি
ইয়াকে কয় বোলে গণতন্ত্ৰৰ প্ৰহসন।

জয়প্ৰভা দত্ত

(ক)


পকেটত ম'বাইল বাইকত এয়া আধুনিক ডেকা
আজিলৈকে গছকিয়ে পোৱা নাই বোকা
ৰেষ্টুৰেণ্টলৈ যোৱাতো নিয়মীয়া
কাৰ্যতঃ হিয়া দিয়া নিয়া
আজিকালি হেনো গুৰুতকৈ শিষ্যহে বেছি চোকা।

(খ)

সোণজনীৰ কাৰণে বিচাৰিছে দৰা
হ'বই লাগিব সি গাড়ী ল'বপৰা
ছোৱালীও ভাল আধুনিক ষ্টাইল
ধৰিবহে নোৱাৰি মাত্ৰ ছোৱালী নে ল'ৰা।

(গ)

যোড়শী গাভৰু তাইৰ কথা লগা নাই গাত
মাম্মী পাপাৰ একমাত্ৰ জী নিতৌ নতুন নাট
ফুৰে তাই ঊনৈশত বা বলাই
মনা নাই কাহানিও গুৰু গোসাঁই
এঘৰলৈ উলিয়াই দিলেহে বজাব পিঠিত ও বগৰা হাত।



ডলী বৰা

(১)

আজাদৰ ছোৱালীবোৰ সঁচাই বৰ দামী
খোজকাঢ়ি নাযায়
লাগে একোখন দামী গাড়ী
গাড়ী চলাই গ'লে হেনো
নিজকে লাগে ৰাণী।

(২)

আজিকালি ভণ্টীহঁতে নকয় সঁচা কথা
ঘৰত সুধিলে লাগে কিমান যে লেঠা
কথাই প্ৰতি তৰ্ক লাগে
তাকে চাই মস্তি লাগে
ফেচবুক, হোৱাট্‌চ এপৰ এৰিব নোৱাৰে বেথা।

## যন্ত্ৰ

প্ৰণালী চুতীয়া

সকলো দেখোন আজি
একোটা যন্ত্ৰৰ দৰে
নাই কোনো মানৱতাৰ তান
ব্যস্ত আজি প্ৰতিজন মানুহ
জিৰাবলৈ সময় নাই
ক্ষন্তেকৰ বাবে,
প্ৰতিটো পলেই যেন জিনিব লাগিব
জীৱন সাৰ্থক কৰিবলৈ।
ব্যস্ত মাথোঁ নিজক লৈ
হৃদয়হীনতাই পংগু কৰিছে
আহৰি নাই উভটি চাবলৈ।
ফুটপাথত পৰি থকা
অসহায়জনৰ ভোকাতুৰ চাৱনি
অৰ্থৰ অভাৱত মৃত্যুৰ ক্ষণ গণি
কাতৰ আৰ্তনাদ কৰাজনৰ হাঁহাকাৰে
গলাব নোৱাৰে হৃদয়
নিজক লৈয়ে ব্যস্ত
নিজৰ স্বাৰ্থৰ পম খেদা মানুহবোৰ
সকলো যেন একো একোটা
আজি কৃত্ৰিম মানৱ যন্ত্ৰ.



## ফাগুন

ৰুবী বৰা
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ

সেই চকুহালি
আৰু
কোৱা নোকোৱা কথাবোৰ
কেতিয়াবা কুঁৱলী
কেতিয়াবা বৰষুণ...।

## মানৱতাৰ অৱক্ষয়

পিতাম্বৰ দেৱগোস্বামী

আজিৰ মানৱ...
মানৱৰ মুখাপিন্ধা একোজন দানৱ
মানৱতাৰ পতন ঘটাই
হিংসাৰে কলুষিত কৰি আনিছে সন্ত্ৰাস।
বৰঘৰ, মাৰলঘৰ, আখলঘৰ
সকলোতে কেৱল
লুণ্ঠন, প্ৰলোভন
ন্যায়-অন্যায় বিচাৰি চাবলৈ
কাৰোৰে নাই আহৰি
জোৰ যাৰ মুলুক তাৰ
এয়াই যেন বৰ্তমান সমাজৰ নীতি
হায় জাতীয়তা
হায় মানৱতা...।

## আশাৰ সপোন

নিমিষা কোঁৱৰ

সপোনে মেলিছিলে কলি
এটি দুটিকৈ
নিঃশব্দে নিৰলে
জীৱনৰ চঞ্চল বাটেৰে
খোজ পেলাইছিলোঁ
এখুজি দুখুজিকৈ
আৱেগ অনুৰাগে
খুপি খুপি সোমাইছিলোঁ
তোমাৰ মনত ক'ব নোৱাৰাকৈ।
সপোনৰ দলিচাত
জোনাকৰ তৰা লেখি
মাথো অপেক্ষা কৰিছিলোঁ
আশা ভৰা জীৱনৰ
মধুৰ মুহূৰ্তলৈ
জীৱনৰ ৰংবোৰে
হাত বাউলি মতালৈ
বাট চাই আছোঁ
সেই মধুৰ ক্ষণলৈ।
চঞ্চল মনটোক
সামৰি ধৰিছোঁ
কিমান যে
কষ্ট হৈছে মোৰ
চঞ্চল মনটোক
ধৰি ৰাখিবলৈ
কলেজৰ জীৱনৰ
ক্ষণবোৰ শিকিছোঁ
জীৱনৰ সৈতে যুঁজিবলৈ
মই যুঁজি আছোঁ
আপ্ৰাণ চেষ্টা
মাথোঁ পৃথিৱীৰ ৰংবোৰ
মোৰ হাতত তুলি ল'বলৈ
বিশ্বাস ৰাখিছোঁ।
মাথোঁ বিশ্বাস
আধুনিক চিকিৎসা বিজ্ঞানে
মোক দেখুৱাই দিব
মই ৰচা সপোনৰ ৰাস্তা।

## ভগ্ন হৃদয়

মুনমী শইকীয়া

দুখৰ সাগৰত ডুবি থকা
এখনি ভগ্ন হৃদয়ে,
কক্‌বকাই থাকে।
মুক্তিৰ তাড়নাত জীৱন যাত্ৰাত
প্ৰতিটো ক্ষণতে
দুখৰ নিয়ন্ত্ৰণ
খহি পৰে।
কোমাল হৃদয়ত
জীৱন সংগ্ৰামৰ কাঁইটীয়া
খলা-বমা পথত।
ভাগি পৰে
সোণৰ বালিঘৰ
অমূল্য এনাজৰীডাল।
সহস্ৰ সমস্যা নেওচি
প্ৰেৰণা দিয়া
মোৰ ভগ্ন হৃদয়ক।

## অস্তিত্ব

দেৱব্ৰত শইকীয়া

অন্ধকাৰ নিশাবোৰত
চিনাকি অচিনাকি ভাৱেৰে
খেপিয়াই খেপিয়াই গৈছিলোঁ
অজান বাটত
বিচাৰি পাওঁ নেকি ক'ৰবাত
তোমাৰ অস্তিত্ব।
প্ৰজ্বলিত জুইয়ে ছানি ধৰা
মোৰ দেহটো
শুকাই কংকাল হৈ
অঘৰী আত্মাৰ ৰূপ লৈছিল
আজিও হাবাথুৰি খাই ফুৰোঁ
বিশালতাৰ মাজত
আঙুলিৰ ফাঁকত লুকাই থকা
তোমাৰ অস্তিত্বক বিচাৰি...।



# সংগ্ৰাম

করুণা খনিকৰ

সংগ্ৰামী চোলাটো কেতিয়াবাই
এৰি আহিলোঁ
সোঁৱৰণিৰ ঘাটত
এক দীঘলীয়া সংগ্ৰামৰ পৰিক্ৰমাত
পৰিৱৰ্তিত সময়ে
এটা নতুন চোলা পৰিধান কৰালে।
এতিয়া মই মাতাল
দিন-ৰাতি একাকাৰ কৰি
কদম ফুলা সপোনৰ
আদি-অন্ত বিচাৰি
তথাপি দৌৰি আছোঁ
নদীৰ লগত নদী হৈ
গানৰ লগত গান হৈ
জেউতি হেৰুওৱা যেন
এটা শূন্যতালৈ।
মানৱতাৰ জয়গান গোৱা
মাটিৰ মানুহবোৰে
এতিয়া মাটিৰ পৰিধিৰ
কথাকে ক'ব নোৱাৰে.
সহস্ৰ জনতাৰ দুচকুৰ সপোন
ভৰিৰে মোহাৰি
চৌদিশে শিয়ালৰ ৰাউচিত
যুদ্ধোত্তৰ পৰিৱেশ।
সেয়েহে এতিয়া
দিন-ৰাতি একাকাৰ কৰি
কদম ফুলা সপোনৰ
বাট বিচাৰি
আকৌ এটা নতুন যাত্ৰা
নব্ধপেৰে সাজে কাচে মোৰ সংগ্ৰামে।

# এয়া মোৰ দুপৰ ৰাতি

জানমণি গগৈ

তুমিতো জানাই জীৱন বাৰুদ
কি যে ভয়ংকৰ
তাতোতকৈ ভয়ংকৰ উন্মুক্ত যৌৱনৰ
উন্মুক্ত যৌৱনৰ
উত্তাল হৃদয়ৰ চুকে-কোণে থাকে
বলিয়া অচিনাকি বতাহ
জীৱনৰ দুৱাৰডলিত
হৃদয়ৰ কৰুণ কাহিনী।
জীৱনৰ সাগৰখন কিমান যে গভীৰ
গৈছোঁ আগুৱাই
কোনোবা একোণত বৈছোঁ থমকি,
পাৰাপাৰ হেৰুৱাই।
যাত্ৰাৰ শেষত
যদি লগ নাপাওঁ কাকোকে
হতাশ নহওঁ কাৰোবাৰ আশাত
মই বিচাৰিম অনন্তকালৰ শান্তিৰ সন্ধান।





# My Books

Miss Tarali Gogoi

*When I feel deep and down,*
*I feel your presence beside me,*
*Guiding and inspiring*
*You are my finest friend,*
*Whom I deem more than anything else,*
*You confer on me,*
*With the wisdom of the world and the life,*
*You fill my wobbly brain,*
*With thoughts of great mind.*
*And whenI look through your eyes,*
*I see the splendour of the life and the world.*
*In my weal and woe,*
*I always find you there holding my hands,*
*Speaking of great souls and their arduous deeds,*
*And thus, show me the right path,*
*My books! You are my best friend,*
*I owe you a lot.*

# এসাগৰ নীলাত বন্দী মই

**মায়াশ্ৰী দাস**

এসাগৰ নীলাত বন্দী মই,
সাগৰৰ গভীৰ নীলাত।
গৰ্ভৰ যাৰ অযুত ঢৌৰ উক্‌মুকনি
ৰিণি ৰিণি যৌৱা ধুমুহাৰ গুম গুমনি
ইপাৰৰ সমুদ্ৰত মই
জানো সিপাৰে কোন?
এসাগৰ নীলাত বন্দী।
সাগৰ মানেই নহয় মাথোঁ লহৰ
আৰু ধুমুহাৰ তাণ্ডৱ।
সাগৰৰ নীলাবোৰেইতো জোৰা লগায়
ইয়াৰ দুয়োপাৰ।
মেলি দিয়াৰ হিয়াৰ পানচৈ উতলা লহৰৰ
নীলা সমুদ্ৰত।
পাল হৈ থাকিব মোৰ
হিয়াৰ অযুত ভালপোৱা
সিপাৰে থাকিম মই
সাগৰৰ বালিচৰত সৰু তালপাতৰ
জুপুৰি সাজি।
আহিবানে তুমি? নীলাভ সাগৰত
ভালপোৱাৰ ডিঙা মেলি??




# শৈশৱ

**বিশ্বজ্যোতি দাস**

মনে মোৰ ৰিঙিয়ায়
শৈশৱ তই আকৌ এবাৰ উভতি আহ্
তোৰ বোকোচাত উঠি আৰম্ভ কৰিবলৈ
বিচাৰিছোঁ উভটনি যাত্ৰা
ক'ত হেৰাল সেই ককা, আইতাৰ সাধু কথাৰ
ভঁৰাল,
ক'ত হেৰাল সেই চিনাকি চোতাল?
শৈশৱ তই উভতি আহ্।
নাৰিকলৰ খোলাত বনোৱা ধূলিৰ ভাত,
কঁঠাল গছৰ পাতৰ টকাৰে কৰা বজাৰ।
নাই সেই আজি টোকোৰা চৰাইৰ বাঁহ।
নাই সেই তামোলৰ ঢকুৰাত,
শৈশৱ আহচোন, আকৌ এবাৰ,
আনৰ ঘৰত বিচাৰি আম, কঁঠাল, জামু
ধূলিৰে বুৰ যোৱা সেই দিন।
জুইশালৰ কাষত ঘুমতি মৰা গধূলি
মাৰ চিটিপনিৰ কোবে আজিও
মনত পেলায় শৈশৱৰ সোণোৱালী দিন
মনে মোৰ ৰিঙিয়াই
শৈশৱ অ'
তই আকৌ এবাৰ উভতি আহ্।

# ভালপোৱা এনেকৈয়ে


হিমাংশু বৰা



লিখো নিলিখোকৈ আগবাঢ়িছো
তোমাৰ বাবে কবিতাবোৰ
গল্প, উপন্যাস, আত্মজীৱনী হ'বলৈ
তোমাৰ বাৰু সন্মতি আছেনে... ?

বৈ থকা নদীখনৰ সুঁতিবোৰৰ দৰে
উশাহ-ঘনকৈ বৈ উঠে
জানানে কাৰ বাবে তুমি
অনামিকা... ?

তোমাৰ বাবে মই তুমি হ'ব পাৰো
মাঁথো মোৰ বাবে হ'বা তুমি উশাহ
নিজানত কোনোবা মৰম সহিতে
উজ্বলাহি মোৰ হিয়া



তোমাৰ সেই বহল বুকুখনত
মূৰ গোজাই উফন্দি উঠা
মোৰ পলকৰ মৰ্মস্পদ
বেদনাৰ উন্মাদনাবোৰ প্ৰতিটো পলকৰ
উভটনি যাত্ৰা

প্ৰতিধ্বনিত কৰা তুমি নামৰ
সেই জীয়া গানবোৰ
আছাহি মাঁথো দুচকুত।
নদীৰ পাৰৰ বতাহ
ক'ত সুবাসৰ চন্দ নামৰ
ফাগুনৰ সুগন্ধিৰে
উপচায় পেলোৱা বৰষুণ
তুমি বিহীন ভাৱে ভাল নালাগে মোৰ জানা।

অভাৱনীয় হৃদয়খনত
নতুন পৰশেৰে
তোমাৰ হুমুনিয়াহবোৰ সাঁচি থম সযতনে
আহিবা,
এদিন মোৰ ধৰাৰে
জীৱন জিৰোৱা শব্দ হৈ
দুয়োবদ্ধ হ'ব আলিংগনৰ মাজত।

# EXAMINATION


Sanjay Mohan Gogoi

*Mom says you are splendid!*
*But your impending footsteps,*
*Brings shudder to my bones,*
*And sweat on my forehead.*
*Amplifies palpitation of heart,*
*Loads mind with acute stresses,*
*Nothing seems to be right,*
*Siesta flies to somewhere unknown.*
*Syllabus seems to be a gigantic dinosaur,*
*Confusin descends seeing own notes,*
*Friends stop picking calls.*
*Mom starts shouting,*
*Dad peeks at with red eye,*
*Dreams of being late to exam,*
*And meager of time at exam hall,*
*Starts haunting at night.*
*Meals seem to be intruders,*
*Guests seem to be adversaries,*
*Never prayed one is now being prayed,*
*With new agrremments;*
*At the examination hall,*
*The teacher seems to be a gothic character,*
*And his budging to and fro,*
*Make me feel uneasy and discomfited.*
*But everything goes away.*
*The moment the pen starts scratching,*
*At the end!*
*My year long tools and pains,*
*My exertions and sleepless night,*
*All are being glorified by you.*



# প্রতিবেদন সমূহ

# সভাপতি (২০১৭-১৮ বৰ্ষ)



প্ৰতিবেদনৰ আগলি পাততেই সেইসকল মহানুভৱক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ, যিসকল ব্যক্তিৰ অশেষ কষ্ট, সৎ প্ৰচেষ্টা আৰু অমূল্য ত্যাগৰ বিনিময়ত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰিছে। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতিৰূপে নিৰ্বাচিত কৰি মোক প্ৰত্যক্ষ ভাৱে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিলে, তেখেতসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

কাৰ্যভাৰ গ্ৰহণ ঃ সাহস আৰু আত্মবিশ্বাসেৰে শিক্ষাগুৰু সকলৰ অনুপ্ৰেৰণা তথা সতীৰ্থ সকলৰ উৎসাহ উদ্দীপনাৰ মাজত ২০১৭-১৮ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত অপ্ৰতিদ্বন্দিতাৰে জয় লাভ কৰি সভাপতি হিচাপে নিৰ্বাচিত হৈ সংবিধানৰ সাংবিধানিক মৰ্যাদা ও পবিত্ৰতা ৰক্ষা কৰি কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ।

নৱাগত আদৰণি সভা ঃ পুৰণিক বিদায় দি নতুনক আদৰাটোৱেই প্ৰকৃতিৰ নিয়ম। এই নিয়ম অনুসৰি আমিও আমাৰ মহাবিদ্যালয়লৈ নতুনকৈ অহা ছাত্ৰ ছাত্ৰীসকলক আদৰাৰ মানসেৰে ১৮/০৮/২০১৮ তাৰিখে নৱাগত আদৰণি সভাখন দিনজোৰা কাৰ্যসূচীৰে আৰম্ভ কৰিছিলোঁ। পুৱা ৯ বজাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচীৰ আৰম্ভণি কৰিছিল। শ্বহীদ তৰ্পন কৰিছিল আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰী সম্পূৰ্ণা চলিহা বাইদেৱে। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ হৈছিল আৰু মুকলি সভা আয়োজন কৰা হৈছিল। সভাত সঞ্চালক আছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়। উদ্বোধন কৰিছিল আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বন্তি গগৈ হাওবৰা বাইদেৱে। নিৰ্দিষ্ট বক্তা হিচাপে নিমন্ত্ৰণ কৰিছিলোঁ নতুন দিল্লীৰ শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শ্ৰীযুত পদ্মেশ্বৰ দলে ডাঙৰীয়াদেৱক। মুখ্য অতিথি হিচাপে তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া শ্ৰী জুলি বৰুৱা উপস্থিত আছিল। তেখেতসকলক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় সপ্তাহ ঃ ছাত্ৰ-ছাত্ৰীসকলক বৌদ্ধিক, মানসিক, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভা বিকাশৰ হেতু বিগত বৰ্ষৰ দৰে এইবছৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰা হয়। বিশেষকৈ আমাৰ দিনতেই মহাবিদ্যালয় সপ্তাহত পোনপ্ৰথমবাৰৰ বাবে শোভাযাত্ৰা আয়োজন কৰা হয়।

ছাত্ৰ একতা সভাৰ পৰা বিদায় লোৱা প্ৰাক মুহূৰ্তত আমি মহাবিদ্যালয়ৰ শ্ৰীশ্ৰী সৰস্বতী পূজা ভাগ অতি উলহ মালহেৰে আয়োজন কৰিছিলোঁ।

গৌৰৱৰ বিষয় যে আমাৰ দিনতেই মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়ে। সেই হেতু দিনজোৰা কাৰ্যসূচীৰে এক বৰ্ণাঢ্য অৱস্থান আয়োজন কৰা হয়। তদুপৰি শিক্ষক দিৱস, ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আদি বিভিন্ন অনুষ্ঠান সমূহৰ লগত সংগতি ৰাখি পালন কৰা হয়।

## সম্পাদকীয় প্ৰতিবেদন

অগ্ৰগতিৰ দিশত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ উন্নয়নমূলক কৰ্মৰাজিৰ চমু বিৱৰণ-

— গ্ৰীণ এল টি কে (যথেষ্ট গছ ৰোপণ কৰা হ'ল)

— আমাৰ দিনতেই মহাবিদ্যালয়ৰ সন্মুখৰ ৰাস্তাটিৰ পকীকৰণ কাম সম্পূৰ্ণ হয়।

— নতুন শ্ৰেণীকোঠা নিৰ্মাণ।

— গ্ৰন্থগাৰত যথেষ্ট পৰিমাণৰ গ্ৰন্থ যোগান ধৰা হয়।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ এবছৰীয়া কাৰ্যকালত সকলো দিশতে দিহা পৰামৰ্শ আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও মোক প্ৰতিটো কামতে সহায় সহযোগ আগবঢ়োৱা মোৰ প্ৰিয় সতীৰ্থবৃন্দক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**ক্ষীৰোদ নাথ**
সভাপতি

# উপ সভাপতি ( ২০১৭-২০১৮ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনি যিসকল বৰেণ্য ব্যক্তিৰ কষ্ট, ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত প্ৰতিষ্ঠা হৈ বৰ্তমান অৱস্থাত এক মহান শিক্ষানুষ্ঠানৰূপে পৰিগণিত হৈছে, তেখেত সকললৈ লগতে অৱসৰ গ্ৰহণ কৰা শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

দায়িত্ব তথা কাৰ্যাৱলী ঃ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ 'উপ সভাপতি' হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰোঁ আৰু কাৰ্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিৰ সুস্থ পৰিৱেশ বজাই ৰাখিবলৈ ছাত্ৰ একতা সভাৰ প্ৰতিটো কামতে ওতঃপ্ৰোত ভাৱে জড়িত হ'ম বুলি, মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ হেতু সেৱা আগবঢ়াম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ।

উপ সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত আমি সাধ্যানুসাৰে মহাবিদ্যালয়ৰ সকলোবোৰ কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ যত্ন কৰিছিলোঁ। আমাৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্তত সু পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা মাননীয় অধ্যক্ষ ড°

বুবুল কুমাৰ শইকীয়া ছাৰ প্ৰমুখ্যে সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ সহপাঠী তথা ছাত্ৰ একতা সভাৰ সদস্যবৃন্দলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ দৰে এখনি মহান তথা ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতি হিচাপে সেৱা আগবঢ়াবলৈ পাই মই অতি গৌৰান্বিত।

এইখিনিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল তথা কৰ্মচাৰী সকলোলৈকে সশ্ৰদ্ধ প্ৰণাম তথা কৃতজ্ঞ জ্ঞাপন কৰিলোঁ।

অনাগত দিনত মহাবিদ্যালয়ৰ প্ৰতিজন সদস্যই প্ৰতিভাশালী মনোভাৱেৰে অন্তৰৰ মহান প্ৰতিভাবোৰ উজাৰি দি সাহসেৰে সময়ৰ লগত খোজ মিলাই অসমবাসীৰ গৌৰবৰ বাবে সৃষ্টি নতুন সপোন লৈ ওলাই আহক তাৰ বাবে সকলোলৈকে শুভেচ্ছা জনাইছোঁ।

সদৌ শেষত আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী আৰু সতীৰ্থসকলৰ ওচৰত অজানিতে হৈ যোৱা ভুলৰ মাৰ্জনা বিচাৰি মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

শেষত প্ৰতিবেদন আকাৰে মনৰ ভাৱ প্ৰকাশৰ সুবিধা দিয়াৰ বাবে আলোচনী শাখাৰ সম্পাদক তথা সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**দিপাংকৰজ্যোতি নাথ**

উপ সভাপতি

■■

# সাধাৰণ সম্পাদক(২০১৭-২০১৮ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টা, শ্ৰম আৰু ত্যাগ স্বীকাৰৰ বিনিময়ত উচ্চ শিক্ষাৰ অনুষ্ঠান লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় স্থাপিত হৈ সুদীৰ্ঘ পথ অতিক্ৰম কৰি সফলতাৰ বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে, সেইসকল মনীষীলৈ মই সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। ইয়াৰ লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, যিসকলে মোক মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰি প্ৰতিটো ক্ষণতে সহায় সহযোগ আগবঢ়ালে।

সাধাৰণ সম্পাদকৰ ভাৰ গ্ৰহণ কৰাৰ পাছতেই পৰম্পৰাগতভাৱে উদ্যাপন কৰা মহাবিদ্যালয়ৰ সপ্তাহ, সৰস্বতী পূজা, শংকৰদেৱৰ তিথি অতি উলহ-মালহেৰে পাতিবলৈ অশেষ কষ্ট আৰু চেষ্টা হাতত লৈছিলোঁ আৰু সফল হৈছিলোঁ।

মহাবিদ্যালয় সপ্তাহ হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সুপ্ত প্ৰতিভাৰ বিকাশৰ এক অন্যতম প্ৰচেষ্টা। এইক্ষেত্ৰত প্ৰথমবাৰৰ বাবে অতি জাক-জমকতাৰে এক সাংস্কৃতিক শোভাযাত্ৰাৰ কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। এই

## সম্পাদকীয় প্ৰতিবেদন

শোভাযাত্ৰাৰ কাৰ্যক্ৰমণিকাত প্ৰত্যেকটো বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ একান্ত উদ্যম আৰু সহযোগিতাই আমাক সফল হোৱাত সহায় কৰিছিল। বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলক যোগদান আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাৰে 'কাৰেঙৰ লিগিৰী' নাটক উপস্থাপনৰ জৰিয়তে মহাবিদ্যালয় সপ্তাহটি সাফল্যমণ্ডিত হৈ কৰি তুলিছিল। নৱাগতা সকলক আদৰাৰ উদ্দেশ্যে অতি উলহ-মালহেৰে নৱাগত আদৰণি সভা উদ্‌যাপন কৰা হয়। আমাৰ কাৰ্যকালতেই বিজ্ঞান শাখাৰ 'সোণালী বৰ্ষ' উদ্‌যাপন কৰা হৈছিল। এক বিশেষ আকৰ্ষিত কাৰ্যক্ৰমণিকা আৰু বিভিন্ন আদৰ্শবান ব্যক্তিক নিমন্ত্ৰিত অতিথি হিচাপে নিমন্ত্ৰণ কৰাৰ লগতে এক আটকধুনীয়া সাংস্কৃতিক কাৰ্যক্ৰমণিকাৰে এই অনুষ্ঠান সফলভাৱে উদ্‌যাপিত হয়। যিকি নহওক, আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ উন্নতিৰ হকে আৰু বিভিন্ন অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে অশেষ কষ্ট আৰু চেষ্টা কৰিছিলোঁ। যিবোৰ ত্যাগ আৰু কষ্টৰ কথা হয়তো এনেদৰে প্ৰকাশ কৰিব পৰাটো সম্ভৱপৰ নহ'ব। তথাপিও এনেকুৱা লাগে বহুক্ষেত্ৰত বিশেষভাৱে কৰিবলগীয়া বহু কামেই কৰিব নোৱাৰিলোঁ। সেয়েহে অজানিতে বৈ যোৱা কৰ্মবোৰ পিছৰ প্ৰজন্মই সুখ্যাতিৰে কৰিবলৈ সক্ষম হ'ব বুলি আমি আশা কৰিছোঁ।

শেষত অজানিতে হোৱা ভুল ক্ৰটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনালোঁ আৰু আমাৰ কাৰ্যকালত আমাক সৎ দিহা পৰামৰ্শ দি আগুৱাই যোৱাত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকলৰ ওচৰত সদায় চিৰঋণী হৈ থাকিম। যিকোনো সময়তে আমাক সহায় কৰি অহা মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী, ভাইটি-ভণ্টীসকলোলৈকে ধন্যবাদ জনালোঁ। এইখিনিতে পুনৰবাৰ কেতিয়াবা যদি মই কাৰোবাৰ ওচৰত ভুল কৰিছিলো, তাৰবাবে ক্ষমা বিচাৰিছোঁ। পুনৰবাৰ শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা সেৱা আৰু বন্ধু-বান্ধৱীসকললৈ মৰম যাচি লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**আকাশ নাথ**

সাধাৰণ সম্পাদক

# গুৰু ক্ৰীড়া সম্পাদক ( ২০১৭-২০১৮ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিয়ে আপ্ৰাণ প্ৰচেষ্টা শ্ৰম আৰু অশেষ ত্যাগৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ সমন্বয়ৰস্থলী লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ জন্ম লাভ কৰি সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিবলৈ সক্ষম হ'ল, সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ২০১৭-২০১৮ বৰ্ষৰ ছাত্ৰ একতা সভালৈ বিনা প্ৰতিদ্বন্দিতাৰে গুৰুক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰা বাবে সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

গুৰুক্ৰীড়া সম্পাদক হিচাপে মোৰ কাৰ্যকালৰ বিৱৰণ ঃ

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰুক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈয়ে এই বিদ্যালয়ৰ প্ৰতি থকা মোৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰি যাম বুলি সংকল্প গ্ৰহণ কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ সদস্য হিচাপে থকা অৱস্থাত যদিও মোৰ বিভাগটো খেলৰ লগত জড়িত আছিল তথাপিও মই কেৱল খেল বিভাগতে সীমাবদ্ধ নাথাকি ছাত্ৰ একতা সভাৰ অন্যান্য সদস্য সকলক সহায় সহযোগিতা আগবঢ়াইছিলোঁ।

উল্লেখযোগ্য যে, মহাবিদ্যালয়ৰ আটাইতকৈ জাকত জিলিকা অতি জনপ্ৰিয় তথা আকৰ্ষণীয় অনুষ্ঠান মহাবিদ্যালয়ৰ খেলবোৰ। ২০১৭-২০১৮ বৰ্ষৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ মোৰ বিভাগত অনুষ্ঠিত খেলবোৰ হ'ল—

ক্ৰিকেট, দৌৰ, হাই-জাম্প, লং জাম্প, চট পুট থ্ৰ, ডিচকাচ থ্ৰ, জেবলিন থ্ৰ আদি খেল।

মহাবিদ্যালয়ৰ সপ্তাহত অৰ্থ আৰু সময়ৰ নাটনিৰ বাবে কিছুমান খেল অনুষ্ঠিত কৰিব নোৱাৰিলোঁ। তাৰ বাবে মই ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ।

সামৰণি ঃ মোৰ কাৰ্যকালত নিবিড়ভাৱে পৰামৰ্শ আৰু সহায় আগবঢ়োৱা মোৰ চিৰপূজ্য সন্মানীয় শিক্ষাগুৰু শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ শিক্ষাগুৰু বিজু কুমাৰ সোনোৱাল, মনোজ নেওগ ছাৰ আৰু অন্যান্য শিক্ষাগুৰু, কেন্টিনৰ জগত দাদা আৰু বন্ধু-বান্ধৱীসকলক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীসকলৰ তথা ছাত্ৰ-ছাত্ৰীসকলৰ মনত কিবা আঘাত দিছিলোঁ যদি তাৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ আৰু মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**মাইকেল পাতিৰ**
গুৰু ক্ৰীড়া সম্পাদক

# লঘূ ক্ৰীড়া সম্পাদক ( ২০১৭-২০১৮ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিয়ে আপ্ৰাণ প্ৰচেষ্টা শ্ৰম আৰু অশেষ ত্যাগৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ সমন্বয়ৰথলী লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ জন্ম লাভ কৰি সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিবলৈ সক্ষম হ'ল; সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ লঘূ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই নিজকে বহুত গৰ্ব কৰোঁ। লঘূ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই কেইখনমান খেল খেলাব লগা হৈছিল। যেনে- বেডমিন্টন, ভলীবল আৰু কাবাডী।

লঘূ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই নিজৰ বিভাগীয় কামসমূহ নিয়াৰিকৈ পালন কৰাৰ উপৰিও যিমান পাৰো অন্য বিভাগৰ সম্পাদক সমূহক সহযোগ কৰিবলৈ চাইছিলোঁ আৰু সেইমতে কৰিছিলোঁ। মোৰ বিভাগীয় খেল সমূহ অনুষ্ঠিত হোৱাত বিভাগীয় উপদেষ্টা মনোজ ছাৰ, গুৰু ক্ৰীড়া বিভাগৰ উপদেষ্টা বিজু ছাৰে সহায় কৰিছিল। ইয়াৰ কাৰণে মই সকলোমে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। হয়তো আপোনালোক নোহোৱা হ'লে মোৰ বিভাগীয় কাৰ্য সমূহ ইমান নিয়াৰিকৈ পালন কৰিব নোৱাৰিলোহেঁতেন। শেষত মই সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে ছাৰ-বাইদেউসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**দীপক দলে**

**লঘূ ক্ৰীড়া সম্পাদক**

# সাংস্কৃতিক সম্পাদক ( ২০১৭-২০১৮ বৰ্ষ)



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ ফালৰ পৰা যি সকল ব্যক্তিৰ অসীম ত্যাগ আৰু চেষ্টাৰ ফলত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ জন্ম লাভ কৰিছিল, সেই সকল ব্যক্তিলৈ মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছোঁ।

মোৰ শ্ৰদ্ধাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়া, শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দক মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ, আৰু লগতে মোৰ মৰমৰ দাদা, বাইদেউ, ভাইটি, ভন্টি আৰু বন্ধু তথা সহপাঠী সকলোলৈকে মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জনাইছোঁ।

২০১৭-১৮ বৰ্ষৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মই নিজকে ধন্য মানিছোঁ। মোক সহায় সহযোগিতা আগবঢ়োৱা মোৰ শিক্ষাগুৰু আৰু সহপাঠী সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মোৰ কাৰ্যকালত বিজ্ঞান শাখাৰ ২৫ বছৰ অতিক্ৰম কৰাৰ বাবে সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হয় আৰু সৌভাগ্যবশত মই এই কাৰ্যত জড়িত হোৱাৰ সুবিধা পাওঁ আৰু এই সোণালী জয়ন্তীৰ সাংস্কৃতিক অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়াত মই সক্ষম আৰু সফল হওঁ। ইয়াৰ বাবে মই অত্যন্ত সুখী। গোলাঘাটৰ সৰু পথাৰত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয়ৰ যুৱমহোৎসৱত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিবলৈ সুযোগ পায়। মোৰ কাৰ্যকালত "UNIVERSITY OF SCIENCE AND TECHNOLOGY MEGHALAYA" (USTM) এই বিশ্ববিদ্যালয়খন চোৱা আৰু তাত গৈ এটি গীত পৰিবেশন কৰাৰো সুবিধা পাওঁ আৰু এইয়া মোৰ এক সৌভাগ্য বুলি মই ভাবোঁ।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰূপে দায়িত্বভাৰ লোৱাৰ দিনৰে পৰা মোৰ সকলো কাম কাজত মোৰ প্ৰতিটো খোজত সহায় কৰা বিভাগীয় উপদেষ্টা শ্ৰীমতী ৰুমী দত্ত বাইদেউ আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ এই ভূমিকাত সহায় কৰা সকলো বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

প্ৰতিবেদনৰ শেষাংশত উপস্থিত হৈ মই জ্ঞাত বা অজ্ঞাতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো আৰু পৰৱৰ্তী সম্পাদকে দুগুণ উৎসাহেৰে বিভাগীয় কাম কাজৰ দায়িত্ব পালন কৰিব বুলি মই আশা ৰাখিলোঁ। শেষত প্ৰতিবেদনৰ আকাৰে মনৰ ভাৱ প্ৰকাশৰ সুবিধা দিয়াৰ বাবে আলোচনী শাখাৰ সম্পাদক তথা সম্পাদনা সমিতিক মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আহক আমি সকলোৱে মিলি আমাৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন অসমৰ ভিতৰতে সকলো দিশৰ পৰা এখন অন্যতম মহাবিদ্যালয় ৰূপে স্বীকৃতি দিয়া আৰু গঢ়ি তোলাত কষ্ট, সাধনা আৰু সহায় সহযোগিতা কৰোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**ডেভিদ কুমাৰ বৰুৱা**

সাংস্কৃতিক সম্পাদক

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা (২০১৭-১৮ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ লগত জন্ম লগ্নৰে পৰা একাগ্ৰতা আৰু নিষ্ঠাৰে জড়িত থকা প্ৰয়াত প্ৰতি গৰাকী মহান ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো; যি সকলৰ আশাশুধীয়া নিঃস্বাৰ্থ প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন বৰ্তমান অৱস্থাত উপনীত হৈছে। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষা গুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও সেৱা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মৰম তথা শুভেচ্ছা যাচিলোঁ।

জীৱনত কোনো দিনে ভবা নাছিলো এই মহাবিদ্যালয়ৰ দৰে এখন গৌৰৱোজ্জ্বল জিলিকা মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াব পাৰিম বুলি। এই দায়িত্ব গ্ৰহণ কৰাৰ পাছৰ পৰাই মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজন কৰা মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, নৱাগত আদৰণি সভা, শংকৰদেৱৰ তিথি আদি অনুষ্ঠানবোৰ একাগ্ৰতাৰে কৰ্মত নিয়োজিত হোৱাৰ চেষ্টা কৰিছিলোঁ।

প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ আদৰৰ আমাৰ মহাবিদ্যায় সপ্তাহ ২০/০১/২০১৮ তাৰিখৰ পৰা ২৭/০১/২০১৮ তাৰিখলৈ অনুষ্ঠিত হৈছিল। প্ৰতি বছৰে যিবোৰ খেল খেলি আহিছিলো সেইবোৰ খেলৰ প্ৰতিযোগিতা পৰিচালনা কৰিবলৈ পাই যি অভিজ্ঞতা পাইছিলোঁ সেয়া সঁচাকৈয়ে চিৰস্মৰণীয়। এই প্ৰতিবেদনৰ জৰিয়তে সেই সকললৈ অশেষ ধন্যবাদ জনালোঁ যিসকলে বিভাগৰ অন্তৰ্গত খেল সমূহৰ অংশ গ্ৰহণ কৰি মোক মোৰ কাৰ্য পথত আগবঢ়াই নিলে। ২০১৭-১৮ বৰ্ষৰ এই কাৰ্যকালৰ সময়চোৱাত কেতিয়াবা কেনে ধৰণৰ পৰিস্থিতিত কি কি ভুল কৰিছিলোঁ সেয়া মোৰ অজ্ঞাত। এই সকলো ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ। শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**নিশা শইকীয়া**
ছাত্ৰী জিৰণী কোঠা



# সভাপতি (২০১৮-২০১৯ বৰ্ষ)

প্ৰতিবেদনৰ বুলনিতে ১৯৭৭ চনত যিসকল মহান ব্যক্তিয়ে অক্লান্ত প্ৰচেষ্টাৰ ফলশ্ৰুতিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ দৰে এটা মহান অনুষ্ঠানৰ সৃষ্টি কৰিছিল, সেই সকল মহান ব্যক্তিলৈ প্ৰথমে এই প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে ছাত্ৰ একতা সভাৰ তৰফৰ পৰাও সেই সকল মহান ব্যক্তিলৈ সশ্ৰদ্ধা প্ৰণাম জনাইছোঁ।

**কাৰ্যভাৰ গ্ৰহণ ঃ** ২০১৮-২০১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দিতা কৰি কিছুমান পৰিস্থিতিৰ কাৰণে মই জয়লাভ কৰিব নোৱাৰিলো। অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষা মহোদয়াৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ সহযোগিতাত মোক সভাপতি পদত মনোনীত কৰিলে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে মহাবিদ্যালয়ৰ বাবে নিষ্ঠা আৰু সততাৰে অধ্যক্ষ মহোদয়ৰ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগিতাত প্ৰতিটো কাৰ্য সম্পাদন কৰিম বুলি শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ।

**মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ ঃ** বিগত বৰ্ষৰ দৰে এই বছৰো ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে ইংৰাজী ২৮/১/১৯ ৰ পৰা ২/২/২০১৯ লৈ পাঁচদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ উদ্‌যাপন কৰা হয়। ক্ৰীড়া সপ্তাহৰ প্ৰথম দিনা পুৱা ৭ বজাত মাননীয় অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াদেৱে পতাকা উত্তোলন কৰে আৰু উপাধ্যক্ষা ড° সম্পূৰ্ণা চলিহা বাইদেউৱে শ্বহীদ তৰ্পন অনুষ্ঠানত তৰ্পক হিচাপে অংশ গ্ৰহণ কৰে। ইয়াৰ পাচত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ খেলুৱৈয়ে শিখা প্ৰজ্বলনেৰে খেলপথাৰ উদ্বোধন কৰে। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ আৰু শিক্ষাগুৰু সকলৰ সহযোগত এটি শোভাযাত্ৰা উলিয়ায় আৰু কাৰ্যসূচী অনুযায়ী সকলো ক্ৰীড়া সুচাৰুৰূপে চলাই নিয়া হয়।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** ইংৰাজী ১০ ফেব্ৰুৱাৰী তাৰিখে এদিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰী সৰস্বতী পূজা প্ৰতিমা বহুৱাই ধুমধামেৰে উদ্‌যাপন কৰা হয়। পিচদিনা প্ৰতিমা বিসৰ্জন দিয়া হয়। এই অনুষ্ঠানত পূজা উদ্‌যাপন সমিতিৰ উপদেষ্টা মণ্ডলীলৈ আৰু এই অনুষ্ঠানত ভূমিকা আগবঢ়োৱা শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মকৰ্তা সকল, ছাত্ৰ-ছাত্ৰীসকল আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যবৃন্দলৈ কৃতজ্ঞতা যাচিলোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মই পোন প্ৰথমে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° বুবুল কুমাৰ শইকীয়া আৰু উপাধ্যক্ষা ড° সম্পূৰ্ণা চলিহা বাইদেউলৈ কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। যিহেতু অধ্যক্ষ মহোদয়ে উপাধ্যক্ষা মহোদয়াৰ সহযোগিতাত মহাবিদ্যালয়ৰ কোনো স্থায়ী পুঁজি নথকাকৈয়ে কিছুমান নিৰৱচ্ছিন্ন পদক্ষেপ হাতত লৈছিল। আৰু আমাৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিটো দিশত সহায় আৰু পৰামৰ্শ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ কৃতজ্ঞতা জনালোঁ। সামৰণিত মই ইয়াকে কওঁ যে, মোৰ অভিজ্ঞতাৰ অভাৱৰ বাবে কিছুমান কাৰ্যসূচীত কৃতকাৰ্য হ'ব পৰা নাই। ছাত্ৰ একতা সভাৰ সভাপতিৰ গুৰু দায়িত্ব গ্ৰহণ কৰি মই সফল হৈছো বুলি ক'ব নোৱাৰোঁ। মোৰ কাৰ্যকালৰ আগছোৱাত আৰু বৰ্তমানত যদি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীসকল আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মনত আঘাত দিছিলো তাৰ বাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থী।

শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ গৌৰৱ আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**ভাস্কৰজ্যোতি বৰুৱা**

সভাপতি

# সাধাৰণ সম্পাদক (২০১৮-২০১৯ বৰ্ষ)



"সত্যম শিৱম সুন্দৰম"

প্ৰতিবেদনৰ আৰম্ভণিতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত জ্ঞানৰ পোহৰ বিলাই থকা ঐতিহ্যমণ্ডিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ভেটি গঢ়ি তোলা যিসকল সমাজ সচেতন মনীষীয়ে তেওঁলোকৰ অমূল্য কষ্ট আৰু ত্যাগ আগবঢ়াই থৈ গৈছে, সেইসকল স্বনামধন্য মনীষীক সশ্ৰদ্ধ প্ৰণিপাত নিবেদন কৰিছোঁ। ছাত্ৰ একতা সভাৰ বিষয়ববীয়া হৈ থকা সময়চোৱাত যিবোৰ ঘটনা ঘটি গ'ল, তাৰে কিছুমান হয়তো এদিন মনৰ চেলুলয়ডৰ পৰা আঁতৰি যাব আৰু কিছুমানে আমৃত্যু আমনি কৰি থাকিব। দুচকুত অলেখ সপোন, বুকুত অদম্য হেপাঁহ বান্ধি লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শুভাকাংক্ষীসকল আৰু ছাত্ৰ বন্ধুসকলৰ বিপুল দাবীত প্ৰথম ষান্মাষিকতে সাধাৰণ সম্পাদক পদৰ বাবে প্ৰতিদ্বন্দিতা আগবঢ়াই সৰ্বাধিক ভোটত জয় লাভ কৰিছিলোঁ। ক্ৰমশঃ সেউজীয়াৰ বুকুত জীপাল হৈ উঠিছিল মোৰ সপোনবোৰ।

মহাবিদ্যালয়ৰ নিৰ্বাচন ঃ ০৪/১০/২০১৮ তাৰিখটো মোৰ মনত চিৰসেউজীয়া হৈ ৰ'ব। এই পবিত্ৰ দিনটোতে সতীৰ্থসকলৰ বিপুল সমৰ্থনত ২০১৮ বৰ্ষৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদক হিচাপে জয়ী হৈ মহাবিদ্যালয়খনৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰাৰ এক সোণালী সুযোগ লাভ কৰিছিলোঁ।

কাৰ্যভাৰ গ্ৰহণ ঃ ২০১৮ বৰ্ষৰ ১৯ ডিচেম্বৰ তাৰিখে ছাত্ৰ একতা সভাৰ নৱনিৰ্বাচিত সদস্য-সদস্যাই এক নতুন উদ্যম লৈ কাৰ্যভাৰ গ্ৰহণ কৰোঁ। এই দিনটোতে মনত দৃঢ় সাহসেৰে মহাবিদ্যালয়খনি সৰ্বতো প্ৰকাৰে সুন্দৰ কৰাৰ লক্ষ্যলৈ নিজৰে প্ৰস্তুত কৰাৰ লগতে শিক্ষানুষ্ঠানটিৰ সুস্থ শৈক্ষিক পৰিৱেশ ধাৰাবাহিকভাৱে বজাই ৰখাৰ গুৰু দায়িত্ব লৈ নিজকে মহাবিদ্যালয়ৰ সেৱাত উৎসৰ্গা কৰোঁ।

মহাবিদ্যালয় সপ্তাহ ঃ

"এই পৃথিৱী এক ক্ৰীড়াংগন<br>ক্ৰীড়া হ'ল শান্তিৰ প্ৰাংগন"

ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাক বিকাশ কৰাৰ এক অন্যতম মঞ্চ হ'ল মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহটিত ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী সদস্য-সদস্যাই নিজ নিজ বিভাগসমূহ নিস্বাৰ্থভাৱে আৰু সুন্দৰকৈ পৰিচালনা কৰে। বিগত বৰ্ষতকৈ এই বছৰ অন্যান্য প্ৰতিযোগিতাবোৰৰ লগতে কেইবাখনো নাটকে নাটক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি অনুষ্ঠানটিক এক সুকীয়া ৰূপ দিয়ে। সাংস্কৃতিক শোভাযাত্ৰা আৰু বিভিন্ন প্ৰতিযোগিতাবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাই আমাক উৎসাহিত কৰি তুলিছিল। মূল সভাৰ শেষত সন্ধ্যালৈ আমি এক সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰোঁ।

শ্ৰীশ্ৰী সৰস্বতী পূজা ঃ

"বাকদেৱী বীণা পাণি দেৱী সৰস্বতী<br>তোমাৰ পূজাৰ বস্তু নাপালো বিচাৰি"।

নৱনিৰ্বাচিত ছাত্ৰ একতা সভাৰ দ্বিতীয়টো গতানুগতিক কাৰ্যসূচী হ'ল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী "শ্ৰীশ্ৰী সৰস্বতী পূজা"। ছাত্ৰ একতা সভাৰ যৌথ প্ৰচেষ্টাত আৰু তত্বাৱধায়কৰ সহযোগত অনুষ্ঠানটি সুন্দৰভাৱে আয়োজন কৰা হৈছিল। এই বিশেষ দিনটোতে অসমীয়া বিভাগে গীত-কথা-কবিতাৰে নামৰ এটি সুন্দৰ অনুষ্ঠান অনুষ্ঠিত কৰে।

আন্তৰ্জাতিক নাৰী দিৱস ঃ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু মহিলা কোষৰ যৌথ প্ৰচেষ্টাত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ একতা সভাই এখনি আন্তঃমহাবিদ্যালয় দেৱাল অংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত সৰ্বমুঠ ১৫ টা দলে অংশ গ্ৰহণ কৰে। উক্ত প্ৰতিযোগীতাখনি শুভ উদ্বোধন কৰে পৰিচালনা সমিতিৰ সভাপতি বন্তি

হাওবৰা বাইদেৱে। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় উপস্থিত থাকি অনুষ্ঠানটি সফল ৰূপায়ণ হোৱাত সহায় কৰে।

সাধাৰণ সভা । আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত এটা সুন্দৰ শৈক্ষিক পৰিৱেশ যাতে বিৰাজ কৰিব পাৰে তাৰ কাৰণে গুৰুত্ব দিছিলো। গঠনমূলক আলোচনাৰ মাজেৰে মহাবিদ্যালয়খনিৰ বিভিন্ন সমস্যাৰাজি যাতে সমাধান কৰিব পাৰি, তাৰ বাবে কৰ্তৃপক্ষৰ লগত আমি যোগাযোগ ৰাখিছিলো আৰু কিছুক্ষেত্ৰত সফল হৈছিলো। আমাৰ কাৰ্যকালত এদিন ছাত্ৰ একতা সভাই সমূহ ছাত্ৰ-ছাত্ৰীক লৈ তেঁওলোকৰ অভাৱ অসুবিধা সমূহৰ বিষয়ে আলোচনা কৰিবলৈ এখন সাধাৰণ সভা আয়োজিত কৰিছিলোঁ।

সফলতা-বিফলতা ঃ সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয়ৰ সীমিত সুবিধাৰ মাজেৰে বিভিন্ন বিষয় তথা কৰণীয় সমূহত অগ্ৰসৰ হোৱাত চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। আমাৰ কাৰ্যকালতে 'সংবিধান সংশোধন'ৰ কাম সফল হৈছিল। ইয়াৰ উপৰিও আধ্যাত্মিক পাঠ, ছাত্ৰী নিবাসৰ পানীৰ সমস্যা, ছাত্ৰ একতা সভাৰ গৃহ পুনৰ নিৰ্মাণ, মহাবিদ্যালয়ৰ আন আন সমস্যা সম্বলিত এটি প্ৰস্তাৱ অধ্যক্ষ মহোদয়ক প্ৰদান কৰো। এই ক্ষেত্ৰত মই কিছুকামত সফলতাৰ মুখ দেখিছিলো। কিন্তু এতিয়াও বহুতো কাম আধৰুৱা হৈয়ে আছে। সেয়েহে পৰৱৰ্তী সম্পাদকসকলে এই ক্ষেত্ৰত কিছু গুৰুত্ব আৰোপ কৰিব বুলি আশা ৰাখিলো।

কৃতজ্ঞতা জ্ঞাপন ঃ আমাৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা আৰু মহাবিদ্যালয়ৰ বাবে অকনমান সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে অধ্যক্ষ মহোদয় ড° বুবুল কুমাৰ শইকীয়াদেৱক মোৰ শতকোটি প্ৰণাম আৰু কৃতজ্ঞতা জনালোঁ। মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠান অংশগ্ৰহণ কৰি সফল ৰূপায়ণ কৰাত মুখ্য ভূমিকা লোৱা মহাবিদ্যালয়সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ প্ৰতিটো কামতে গাৰ ছাঁৰ দৰে থাকি প্ৰতি মুহূৰ্ততে সহায়-সহযোগিতা, দিহা পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ সকলৰ ওচৰত মই চিৰঋণী হৈ ৰ'লো।

অসমীয়াত এষাৰ কথা আছে— "নল মৰে, গজালি মেলে"। আশা কৰো আমাৰ পিছত আহিব লগা সকলে হয়তো আমাতকৈও আগ্ৰহ আৰু আন্তৰিকতাৰে এই মহাবিদ্যালয়ৰ প্ৰতি কাম কৰিব। কেৱল মহাবিদ্যালয়ৰ প্ৰতিয়েই নহয়, অসমৰ প্ৰতিও এই মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব অপৰিসীম। আমি আশাবাদী 'আমাৰ সোণৰ অসম' নামটো আজিৰ ছাত্ৰ সমাজৰ চিন্তাৰ সোঁতে কল্পনাৰ শীৰ্ষ বিন্দুৰ পৰা নমাই আনি বাস্তৱত ৰূপায়িত কৰিব। তাৰে কামনাৰে—

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**সুভাষ শইকীয়া**
**সাধাৰণ সম্পাদক**

■■

# গুৰু ক্ৰীড়া সম্পাদক ( ২০১৮-২০১৯ বৰ্ষ)



সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰী মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে................

(জ্যোতিপ্ৰসাদ)

শব্দৰ গাঁঠনিৰে কৃতজ্ঞতা প্ৰকাশৰ সফলতা কিমান নাজানো তথাপি প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো, যি সকল নিঃস্বাৰ্থ প্ৰচেষ্টা আৰু হাড়ক মাটি আৰু তেজক পানী কৰি কষ্টৰ ফলস্বৰূপে ঐতিহ্যমণ্ডিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় বৰ্তমানৰ এই অৱস্থা পাইছেহি, লগতে সেইসকল ত্যাগী পুৰুষলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ, যি সকলে দেশ স্বজাতি তথা সাহিত্য সংস্কৃতিৰ হকে যুঁজ দি স্বৰ্গগামী হ'ল।

**কাৰ্যকালৰ খতিয়ান ঃ** লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মই মহাবিদ্যালয়ৰ প্ৰতি মোৰ দায়িত্ব আৰু কৰ্তব্য সততাৰে পালন কৰি যাম বুলি সংকল্প গ্ৰহণ কৰিছিলোঁ। কাৰ্যকালত থকা অৱস্থাত ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত মহাবিদ্যালয় সপ্তাহৰ বিষয়ববীয়াই সহায় কৰিছিল।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ এই এবছৰীয়া কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতেই দিহা পৰামৰ্শ, সহায়ৰ হাত আগবঢ়োৱা অধ্যক্ষ শ্ৰদ্ধাৰ ড° বুবুল কুমাৰ শইকীয়া, উপাধ্যক্ষ সম্পূৰ্ণা চলিহা বাইদেউৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰুৰ ওচৰত মই চিৰ কৃতজ্ঞ। প্ৰতিটো কামতে উৎসাহ উদ্দীপনাৰে সাহস দিয়া ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দৰ লগতে মনলৈ অহা অনেক জনক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজানিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰী তথা ছাত্ৰ ছাত্ৰীসকলক মনত কিবা আঘাত দিছিলা যদি তাৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। শেষত প্ৰতিবেদন আকাৰে মনৰ ভাৱ প্ৰকাশৰ সুবিধা দিয়াৰ বাবে আলোচনী শাখাৰ সম্পাদক তথা সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**জ্যোতিষ্মান হাজৰিকা**
গুৰু ক্ৰীড়া সম্পাদক

# সাহিত্য আৰু আলোচনী সম্পাদক ( ২০১৮-২০১৯ বৰ্ষ)



**পাতনি ঃ**

গৌৰৱোজ্বল ৰূপালী জয়ন্তীয়ে গৰকা উত্তৰ লখিমপুৰ চহৰৰ পৰা উত্তৰ অঞ্চলত অৱস্থিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনি অসমৰ এখন অগ্ৰনী শিক্ষানুষ্ঠান হিচাপে পৰিচিত। প্ৰতিবেদনৰ পাতনিতে এই পৱিত্ৰ শিক্ষানুষ্ঠানটি যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰিলে আৰু যিসকলে বৰ্তমান এই পৃথিৱীৰ পৰা চিৰবিদায় মাগিছে, সেই মহান ব্যক্তি সকলক আজি পৱিত্ৰক্ষণত শ্ৰদ্ধা নিবেদিছো আৰু আমাৰ মাজত জীৱিত থকা সমাজ হিতৈষী ব্যক্তি সকলৰ অৱদানক সশ্ৰদ্ধ প্ৰনিপাত জনাইছোঁ।

**এল. টি. কে. মহাবিদ্যালয় ঃ এক হেঁপাহৰ নাম ঃ**

ঘৰৰ পৰামৰ্শ অনুসৰি ১০ জুন, ২০১৮ তাৰিখে 'উদ্ভিদবিজ্ঞান'ক গুৰু বিষয় হিচাপে লৈ মহাবিদ্যালয়খনৰ এজন সক্ৰিয় সদস্য হ'বলৈ নামভৰ্ত্তি কৰিছিলোঁ। নতুন পৰিৱেশ এটাত কেনেকৈ একাকাৰ হৈ পৰিলো, কেনেকৈ মহাবিদ্যালয়ৰ হিয়াৰ আমঠু হৈ পৰিলো সেয়া এক বৰ্ণাতীত কথা। আজাদৰ মায়াময় আহ্বানত আমিও বিমুগ্ধ নহৈ নোৱাৰিছিলো, ই যেন চিৰ প্ৰবাহমান এক অনুভৱ।

**ছাত্ৰ একতা সভা আৰু নিৰ্বাচনী প্ৰচাৰ ঃ**

এল. টি. কে. মহাবিদ্যালয়ৰ অংগ হোৱাৰ পাছতেই আহিল ছাত্ৰ একতা সভাৰ নিৰ্বাচন। নিৰ্বাচনী বতাহে আমাকো চুই গ'ল। মোৰ সতীৰ্থৰ অনুৰোধত তথা শুভাকাংক্ষীৰ মৰমৰ তাগিদাত এল. টি. কে. মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'সাহিত্য আৰু আলোচনী বিভাগ'ৰ সম্পাদকৰূপে শেহতীয়াকৈ মনোনীত হৈছিলো। এইছোগতে মোক নিৰ্বাচিত কৰা মহাবিদ্যালয়ৰ প্ৰধান অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। নাজানো তেখেত সকলৰ বিশ্বাস আৰু ভৰষাৰ পৰীক্ষাত মই উত্তীৰ্ণ হ'ব পাৰিলো নে নাই, তথাপি মই মোৰ প্ৰয়োজনীয়খিনি পূৰাবলৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছিলো।

**সাহিত্য আৰু আলোচনী সম্পাদক পদ আৰু মই ঃ**

এল. টি. কে. মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত গৌৰৱোজ্বল ইতিহাসত নিজৰ নাম খোদিত কৰিব পাৰি নিজকে ধন্য মানিছিলো। লগতে সন্মুখত আহিবলগীয়া সমূহ প্ৰত্যাহ্বানক প্ৰতিহত কৰিবলৈ মানসিকভাৱে চেষ্টা চলাইছিলো। এই ক্ষেত্ৰত ছাত্ৰ-একতা সভাৰ সম্পাদক /সম্পাদিকা একগোট হৈ প্ৰতিটো কাৰ্যসূচীকে সফলভাৱে ৰূপায়ণ কৰিবলৈ সক্ষম হৈছিলোঁ।

**কাৰ্যসূচী খতিয়ান ঃ**

এল. টি. কে. মহাবিদ্যালয়ৰ আলোচনী আৰু সাহিত্য বিভাগৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰাই মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কিছু কাম কৰাৰ মনোভাৱ আছিল। প্ৰথম পদক্ষেপ হিচাপে আমি মহাবিদ্যালয় সপ্তাহটি সুন্দৰকৈ আৰু সুকলমে সফলভাৱে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। উল্লেখযোগ্য যে সৰস্বতী পূজাকে আদি কৰি নাৰী দিৱসতো সাহিত্য শাখাৰ অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ এক নতুন প্ৰয়াস কৰিছিলোঁ। আনহাতে বিভিন্ন সময়ত বিভিন্নজন বিশিষ্ট ব্যক্তিৰ অনুষ্ঠানে মহাবিদ্যালয়খনিৰ এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰিছিল। তাৰ ভিতৰত উল্লেখযোগ্য আছিল বিশিষ্ট কবি, গল্পকাৰ 'অতনু ভট্টাচাৰ্য' আৰু কণ্ঠশিল্পী 'মিতালী দেৱ' বহুচৰ্চিত 'গল্পকথা'

শীৰ্ষক অনুষ্ঠানটিৰ সফল ৰূপায়ণ।

**কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰ প্ৰণিপাত ঃ**

সৰ্ব প্ৰথমে বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াদেৱক। লগতে মোৰ প্ৰতিটো কামত ছাঁৰ দৰে থকা তত্ত্বাবধায়ক ড° বিনীতা চহৰীয়া বাইদেউক। তেখেতৰ পৰা মহাবিদ্যালয়ৰ কাম-কাজ সমূহ নিয়াৰিকৈ কৰাৰ যথেষ্ট সহায় আৰু জ্ঞান লভিছো। লগতে আমাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক সমিতিৰ প্ৰতিজন বিষয়ববীয়াক কৃতজ্ঞতা জনাইছোঁ। মোৰ বিভিন্ন কামত দিহা-পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ ভাস্কৰজিৎ বৰাদেৱক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। মোক বিভিন্ন কাৰ্য কৰিবলৈ উৎসাহ প্ৰদান কৰা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ সম্পূৰ্ণা চলিহা বাইদেউকো এই ছেগতে মোৰ প্ৰণিপাত জনাইছোঁ।

এল. টি. কে. মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক তেওঁলোকৰ পদত জয়ী কৰোৱাই বৰ্ষটোলৈ সুকলমে কাম-কাজ নিয়াৰিকৈ চলাই নিয়াত সৰ্বতো প্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱা সমূহ বিভাগৰ ছাত্ৰ-ছাত্ৰী, বিভাগীয় প্ৰতিনিধি তথা ছাত্ৰাধীক্ষক আৰু ছাত্ৰীধীক্ষাৰ লগতে সমূহ আৱাসৰ আৱাসীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

লগতে মোৰ এই কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা প্ৰাক্তন ছাত্ৰ বিৰাজ বল্লভ গোস্বামী, খিৰেণ সোণোৱাল আৰু জগদীশ নাথ দাদা কেইজনক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। হয়তো তেখেতসকলৰ বাবেই প্ৰতিটো কামত সফল হোৱাৰ প্ৰেৰণা পাইছিলোঁ।

শেষত অজ্ঞাতে ৰৈ যোৱা সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত—

"ভালে থাকক দিনবোৰ
ভালে থাকক সময়
মই ভালে নাথাকিলেও
ভালে থাকক মানুহৰ শোভাযাত্ৰা
জয় আৰু বিজয়"।

— সনন্ত তাঁতী

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**তন্ময়জ্যোতি ফুকন**
**সম্পাদক, সাহিত্য আৰু আলোচনী বিভাগ**

■■



# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক ( ২০১৮-২০১৯ বৰ্ষ)

হেঁপাহৰ দুৰাৰডলিত ঃ

" আমাৰ চিন্তা-ভাৱনাই আমাক যি ঠাইত থিয় কৰাই তাৰ পৰা আগবাঢ়ি যাবলৈ সাংগঠনিক পটভূমিৰ দৰকাৰ। জাতিগত; সমাজগত, উজনি-নামনিৰ দূৰত্ব পাহৰি একেখন ক্ষেত্ৰতে নিজৰ নিজৰ মানসিকতাৰ স্তৰবোৰৰ বিশ্লেষণৰ আকাংক্ষাত গঢ়ি উঠে চিন্তাৰ সাধনাৰ মিলনভূমি। এই পৃষ্ঠপোষক উৰ্বৰতাৰ পম খেদি যেতিয়াই আমিবোৰ ভৰি দিছোঁ সোৱণশিৰিৰ পাৰৰ এই জ্ঞানকৰ্ষণ মহান যজ্ঞস্থলীত; আমাৰ কৰ্তব্যৰ পৰিসৰ বৃদ্ধি পাইছে আত্মচেতনাৰ পৰা জাতিচেতনাৰ দিশো"।

এদিন-দুদিনকৈ মহাবিদ্যালয়ত সময়বোৰ অতিবাহিত হোৱাত লাহে লাহে বুজি উঠিলোঁ, মহাবিদ্যালয়খনিত মই অতদিনে ভাৱি অহাৰ দৰে সকলো কথা একে নহয়। সেয়ে লাহে লাহে মহাবিদ্যালয়খনিক মোৰ ফালৰ পৰা কিবা এটি নতুন খোজ দিবলৈ বদ্ধপৰিকৰ হ'লো, কিন্তু সেই চিন্তা তেতিয়া ছাত্ৰ ৰাজনীতি নাছিল।

"তুমি কেনেকুৱা স্বাধীনতা, যি স্বাধীনতাৰ
কোনো বৰণ নাই, মাথোঁ ক'লাৰ বাহিৰে..."

— সনন্ত তাঁতী

মহাবিদ্যালয়ত ভৰি দিয়া পাঁচমাহৰ পিছতে এনে এটি কৰ্ম কৰিবলৈ যি দৃঢ় সাহসিক পদক্ষেপ লৈছিলো, তাৰ অন্তৰালত নিশ্চয়কৈ লুকাই আছিল এনে মনোভাৱ। মোৰ ইচ্ছা-আকাংক্ষাক উৎসাহৰ ৰূপ দি সকলোৱে যি সহায় কৰিলে তাৰ বাবে সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

সম্পাদক হিচাপে কাৰ্যকাল ঃ

— ২০১৮ চনৰ ১৯ ডিচেম্বৰ তাৰিখে উল্লেখনীয় দিন হিচাপে চিহ্নিত হৈছিল শপতগ্ৰহণ অনুষ্ঠান।

— তাৰ পিছত আহিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয়ৰ পটভূমিত তৰ্ক প্ৰতিযোগিতাৰ পৰিৱেশ যিমানখিনি উন্নত হ'ব লাগিছিল, সিমানখিনি উন্নত কৰিব পৰা নাছিলো যদিও সকলোৰে সহযোগত যথেষ্ট গাম্ভীৰ্যতাৰে অনুষ্ঠান গৈ গৈছিল। ইয়াৰ উপৰিও ২৮ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ অন্তৰ্গত বাকী সকলোবোৰ প্ৰতিযোগিতা সুন্দৰকৈ অনুষ্ঠিত কৰোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ পোনপ্ৰথমে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগত মোক মনোনীত কৰাৰ বাবে মহাবিদ্যালয়ৰ পৰিয়াললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া ছাৰ, উপাধ্যক্ষা সম্পূৰ্ণা চলিহা বাইদেউ, তৰ্ক বিভাগৰ তত্ত্বাৱধায়ক জুলি গোঁহাই নেওগ বাইদেউক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বৰ্তমানৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াকো এই চেগতে আন্তৰিক ধন্যবাদ জনাইছোঁ। বিভিন্ন অনুষ্ঠান পৰিচালনা কৰোঁতে ওতপ্ৰোতভাৱে জড়িত হৈ পৰামৰ্শ আগবঢ়োৱা সকলো অধ্যাপক-অধ্যাপিকাৰ ওচৰতো চিৰঋণী হৈ থাকিম। সকলো অনুষ্ঠানত পূৰ্ণ সহযোগ আগবঢ়োৱা দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টী সকলোলৈ ধন্যবাদ জনাই বিখ্যাত কবি সনন্ত তাঁতীৰ এটি কবিতাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ।

"ভালে থাকক দিনবোৰ
ভালে থাকক সময়
মই ভালে নাথাকিলেও
ভালে থাকক মানুহৰ শোভাযাত্ৰা
জয় আৰু বিজয়"

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**পিতাম্বৰদেৱ গোস্বামী**
তৰ্ক আৰু আলোচনা সম্পাদক

# সাংস্কৃতিক সম্পাদক (২০১৮-২০১৯ বৰ্ষ)



আমাৰ এই প্ৰতিবেদনৰ আৰম্ভনিতেই মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক ভক্তি নিবেদন কৰিছোঁ। আৰু লগতে মোৰ মৰমৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি ভন্টিসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত গোলাঘাটত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছিল শ্ৰী বিৰাজ বল্লভ গোস্বামীৰ নেতৃত্বত এটি নাট্য দল আৰু সংগীতত অংশ গ্ৰহণ কৰিছিল শ্ৰী ধ্ৰুৱজ্যোতি দত্ত আৰু শ্ৰীমতী গায়ত্ৰী দাসে। ২৬ জানুৱাৰীত অনুষ্ঠিত হোৱা গণতন্ত্ৰ দিৱসত উত্তৰ লক্ষীমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক খেলপথাৰত লক্ষীমপুৰ জিলাৰ উদ্যোগত উদ্‌যাপন কৰা শ্ৰী তন্ময় জ্যোতি ফুকন আৰু শ্ৰী জ্যোতি শংকৰ হাজৰীকাৰ নেতৃত্বত এটি গায়ন-বায়ন দলে গায়ন বায়ন প্ৰদৰ্শন কৰিবলৈ সুযোগ পায়। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা আমাৰ মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মোৰ দায়িত্ব পালনত সহায় কৰাৰ বাবে তেওঁলোকক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ পাচত ৮ মাৰ্চত গোটেই বিশ্বজুৰি পালন কৰা "নাৰী দিৱস"ত আমাৰ মহাবিদ্যালয়ে এখনি "Wall Painting" প্ৰতিযোগিতা অনুষ্ঠিত কৰা লগতে উক্ত দিনটো উলহ-মালহেৰে পালন কৰে। সাংস্কৃতিক বিভাগৰ সম্পাদকৰূপে দায়িত্বভাৰ লোৱা দিনৰে পৰা মোৰ সকলো কাম-কাজত মোৰ প্ৰতিটো খোজত সহায় কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু বিভাগীয় উপদেষ্টা শ্ৰীযুত দিগন্ত শইকীয়া আৰু শ্ৰীযুক্তা ৰুমী দত্ত, শ্ৰীযুত মৃন্ময় কাকতি, শ্ৰীযুত বিজু সোণোৱাল, শ্ৰীযুত তনুজ্যোতি বৰা চাৰলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ এই ভূমিকাত সহায় কৰা সকলো বন্ধু-বান্ধৱী, দাদা-বাইদেউলৈ আন্তৰিক শুভেচ্ছা থাকিল।

শেষত মই জ্ঞাত বা অজ্ঞাতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো আৰু পৰৱৰ্তী সম্পাদকে দুগুন উৎসাহেৰে বিভাগীয় কাম কাজৰ দায়িত্ব পালন কৰিব বুলি মই আশা ৰাখিলোঁ। প্ৰতিবেদনৰ আকাৰে মনৰ ভাৱ প্ৰকাশৰ সুবিধা দিয়াৰ বাবে আলোচনী শাখাৰ সম্পাদক তথা সম্পাদনা সমিতিক মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**শংকৰজ্যোতি বুঢ়াগোঁহাই**

সাংস্কৃতিক সম্পাদক

# ছাত্ৰ জিৰণী কোঠা সম্পাদক ( ২০১৮-২০১৯ বৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিক মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিছোঁ, যিসকলৰ প্ৰচেষ্টাত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ে প্ৰাণ পাই উঠিছে। লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়লৈ প্ৰথম যেতিয়া আহিছিলো কেতিয়াও ভবা নাছিলো নিৰ্বাচনত নামিম বুলি। আচম্বিতে লোৱা সিদ্ধান্তই মোক ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰালে। লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, প্ৰাক্তন উপাধ্যক্ষা মহোদয়া প্ৰমুখ্যে চিৰপূজ্য শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দৰ লগতে বন্ধু-বান্ধৱী, দাদা-বাইদেউসকললৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০১৮-২০১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণী কোঠা বিভাগৰ সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ ছাত্ৰ জিৰণী কোঠা বিভাগৰ দায়িত্ব গ্ৰহণ কৰোঁ। মোৰ কাৰ্যকালত মোৰ বিভাগৰ অন্তৰ্গত কামখিনি নিয়াৰিকৈ পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। ছাত্ৰ জিৰণী কোঠাটি পৰিস্কাৰ কৰি ৰাখিবৰ বাবে সদায় যত্নপৰ হৈছিলো। মোৰ কাৰ্যকালতে ছাত্ৰ জিৰণী কোঠাটি নতুনকৈ নিৰ্মাণ কৰাৰ কাম হাতত লোৱা হয়।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ ছাত্ৰ জিৰণী কোঠাৰ লগত সংগতি থকা প্ৰতিটো খেলেই ভালদৰে অনুষ্ঠিত কৰিবলৈ যত্ন কৰিছিলোঁ। ছাত্ৰ জিৰণী কোঠাৰ বিভিন্ন খেল যেনে- ডবা খেল, লুডু, কেৰেম আৰু বিশেষ আকৰ্ষণীয় মিষ্টাৰ এল. টি. কে. প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যাও যথেষ্ট আছিল।

শেষত প্ৰতিটো ক্ষেত্ৰত সহায় কৰা স্নাতকোত্তৰ মহলাৰ ছাত্ৰ একতা সভাৰ সভাপতি ভাস্কৰ আৰু সাধাৰণ সম্পাদক সুবাস শইকীয়া আৰু প্ৰতিজন সদস্যকে ধন্যবাদ জনাইছোঁ। প্ৰতিটো খোজতে সহায় কৰা বহিঃ ক্ৰীড়া বিভাগৰ সম্পাদক জ্যোতিষ্মান হাজৰীকা, ছাত্ৰ জিৰণী কোঠাৰ তত্বাৱধায়ক কুল গগৈ ছাৰৰ লগতে প্ৰতিজন বন্ধু, দাদা আৰু শিক্ষাগুৰু সকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকালত যদি অনিচ্ছাকৃতভাৱে কিবা ভুল ক্ৰটি ৰৈ গৈছে তাৰ বাবে সকলোকে ক্ষমা প্ৰাৰ্থনা জনালোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**গকুল সন্দিকৈ**
**ছাত্ৰ জিৰণী কোঠা**

# ছাত্ৰী জিৰণী কোঠা সম্পাদিকা ( ২০১৮-২০১৯ বৰ্ষ)



যি সকল মহান ব্যক্তিৰ ত্যাগ আৰু অশেষ চেষ্টাৰ ফলত ঐতিহ্যমণ্ডিত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খন স্থাপিত হৈ বৰ্তমান শিক্ষা, সংস্কৃতি, সাহিত্য, সমাজসেৱা, ক্ৰীড়া আদি বিভিন্ন দিশত প্ৰতিটো বছৰতে সফলতাৰ ফালে আগবাঢ়ি যাবলৈ সক্ষম হৈছে, সৰ্বপ্ৰথমে মই সেই সকল মহান ব্যক্তিক শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছোঁ।

এনে এখন মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই মই নিজকে ধন্য মানিছোঁ। কিন্তু তাতকৈ বেছি মই আনন্দ অনুভৱ কৰিছোঁ যে এনে এখন মহাবিদ্যালয়ত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ পাইছোঁ।

২০১৮-২০১৯ বৰ্ষৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰোঁ। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মই জিৰণী কোঠাৰ কামসমূহ কৰাৰ চেষ্টা কৰিছিলোঁ। ছাত্ৰী সকলৰ অভাৱ-অভিযোগবোৰ পূৰাবৰ বাবে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অৱগত কৰিছিলো। মই কেৱল জিৰণী কোঠাৰ দায়িত্বতে আৱদ্ধ নাথাকি মহাবিদ্যালয়ৰ অন্যান্য আয়োজিত অনুষ্ঠান যেনে— সৰস্বতী পূজা, শংকৰদেৱৰ তিৰোভাৱ তিথি, নৱাগত আদৰণি সভা আদিত একাগ্ৰতাৰে কৰ্মত নিয়োজিত হোৱাৰ চেষ্টা কৰিছিলো।

প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অতি হেঁপাহেৰে অপেক্ষা কৰি থকা আমাৰ **'মহাবিদ্যালয় সপ্তাহ'** ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ প্ৰতিযোগিতা আছিল চালাড, ৰুমাল চিলাই, ৰংগুলি, কইনা, মিচ এল. টি. কে. আদি। সকলো প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হৈ যায়। এই প্ৰতিযোগিতা সমূহৰ ভিতৰত উল্লেখনীয় আছিল কইনা সাজপাৰ প্ৰতিযোগিতা আৰু মিচ এল. টি. কে. প্ৰতিযোগিতা য'ত প্ৰতিযোগীৰ সংখ্যা বেচি আছিল। উক্ত প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মোক সহৃদয়তাৰে সহযোগ কৰা মোৰ তত্বাৱধায়ক মৰমী গোঁহাই বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ সম্পূৰ্ণা চলিহা বাইদেউ, ৰুমী দত্ত বাইদেউ প্ৰমুখ্যে সকলো চাৰ বাইদেউলৈ মোৰ ফালৰ পৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ আৰু লগতে মোৰ সকলো বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ এই এবছৰীয়া কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়।
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**টুম্পাৰাণী সৰকাৰ**
ছাত্ৰী জিৰণী কোঠা

# ।। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ ফলাফল সমূহ ।।

## (২০১৭-১৮ আৰু ২০১৮-১৯ বৰ্ষ)

২০১৭-১৮ বৰ্ষ ঃ

### লঘু ক্ৰীড়া বিভাগ

■ একক বেডমিন্টন (ল'ৰা)

চেম্পিয়ন ঃ কাব্যজ্যোতি বৰকাকতি

ৰাণাছ্ আপ ঃ তুলসী দত্ত

■ যুটীয়া বেডমিন্টন (ল'ৰা)

চেম্পিয়ন ঃ কাব্যজ্যোতি বৰকাকতি, পল্লৱ গগৈ

ৰাণাছ্ আপ ঃ তুলসী দত্ত, বিৰিঞ্চি চুতীয়া

■ একক (ছোৱালী)

চেম্পিয়ন ঃ মিতালী নৰহ

ৰাণাছ্ আপ ঃ মাইনা পেগু

■ ভলীবল (ল'ৰা)

চেম্পিয়ন ঃ স্নাতক ষষ্ঠ ষান্মাসিক, এল টি কে ক্লাব

ৰাণাছ্ আপ ঃ স্নাতক ষষ্ঠ ষান্মাসিক, অৰ্থনীতি বিভাগ

### তৰ্ক আৰু আলোচনা বিভাগ

■ তৰ্ক প্ৰতিযোগিতা ঃ

প্ৰথম স্থান ঃ সুভাষ শইকীয়া

দ্বিতীয় স্থান ঃ পিন্টু মণ্ডল

তৃতীয় স্থান ঃ বৰ্ণালী বৰুৱা, মাধুৰ্য তামুলী ফুকন

■ আকস্মিক প্ৰতিযোগিতা ঃ

প্ৰথম স্থান ঃ পিন্টু মণ্ডল

দ্বিতীয় স্থান ঃ সুভাষ শইকীয়া

তৃতীয় স্থান ঃ মাধুৰ্য তামুলী ফুকন

■ কুইজ প্ৰতিযোগিতা ঃ

প্ৰথম স্থান ঃ জাহ্নবী বৰা, বুলুমণি বৰা, জয়প্ৰভা দত্ত

দ্বিতীয় স্থান ঃ মাধুৰ্য তামুলী ফুকন, নীতিশ কুমাৰ শইকীয়া
ৰিম্পী নাথ

তৃতীয় স্থান ঃ দিব্যজ্যোতি দাস, বিতুমণি শইকীয়া
নিতু প্ৰসাদ মিলি

### সাংস্কৃতিক বিভাগ

■ আধুনিক গীত ঃ

প্ৰথম স্থান ঃ দ্বীপজ্যোতি হাজৰিকা

দ্বিতীয় স্থান ঃ স্বপ্নালী ডেকা

তৃতীয় স্থান ঃ মিতালী নাথ

■ জ্যোতি সংগীত ঃ

প্ৰথম স্থান ঃ নমিতা কলিতা

দ্বিতীয় স্থান ঃ শিল্পী গগৈ

তৃতীয় স্থান ঃ ৰিজামণি কলিতা

■ ৰাভা সংগীত ঃ

প্ৰথম স্থান ঃ পুৰুষোত্তম দলে

দ্বিতীয় স্থান ঃ মিতালী নাথ

তৃতীয় স্থান ঃ স্বপ্নালী ডেকা

■ নৃত্য প্ৰতিযোগিতা ঃ

প্ৰথম স্থান ঃ শিবানী বৰুৱা

দ্বিতীয় স্থান ঃ মুনমী বৰপাত্ৰ গোঁহাই

তৃতীয় স্থান ঃ নাজিমা বেগম, আৰতি হাজং

### গুৰু ক্ৰীড়া বিভাগ (দৌৰ)

■ ১০০ মিটাৰ (ল'ৰা)

প্ৰথম স্থান ঃ পংকজ দলে

দ্বিতীয় স্থান ঃ ভাস্কৰ দত্ত

তৃতীয় স্থান ঃ তুলসী দত্ত

■ ১০০ মিটাৰ (ছোৱালী)

প্ৰথম স্থান ঃ দিপ্তী নাথ

দ্বিতীয় স্থান ঃ স্বপ্না পেগু

তৃতীয় স্থান ঃ বিবি ৰাজখোৱা

■ ২০০ মিটাৰ (ল'ৰা)

প্ৰথম স্থান ঃ পংকজ দলে

দ্বিতীয় স্থান ঃ ভাস্কৰ দত্ত

তৃতীয় স্থান ঃ মানস প্ৰতীম গগৈ

■ ২০০ মিটাৰ (ছোৱালী)

প্ৰথম স্থান ঃ দিপ্তী নাথ
দ্বিতীয় স্থান ঃ স্বপ্না পেগু
তৃতীয় স্থান ঃ বিবি ৰাজখোৱা

■ ৪০০ মিটাৰ (ল'ৰা)

প্ৰথম স্থান ঃ পংকজ দলে
দ্বিতীয় স্থান ঃ ভাস্কৰ দত্ত
তৃতীয় স্থান ঃ অচ্যুৎ গগৈ

■ ৪০০ মিটাৰ (ছোৱালী)

প্ৰথম স্থান ঃ দিপ্তী নাথ
দ্বিতীয় স্থান ঃ পূজা বৰুৱা
তৃতীয় স্থান ঃ স্বপ্না পেগু

■ ১৫০০ মিটাৰ (ল'ৰা)

প্ৰথম স্থান ঃ ভাস্কৰ দত্ত
দ্বিতীয় স্থান ঃ পংকজ দলে
তৃতীয় স্থান ঃ ৰাজু শইকীয়া

■ ১৫০০ মিটাৰ (ছোৱালী)

প্ৰথম স্থান ঃ স্বপ্না পেগু
দ্বিতীয় স্থান ঃ পূজা বৰুৱা
তৃতীয় স্থান ঃ দ্বিপ্তী নাথ

■ ৩০০০ মিটাৰ (ল'ৰা)

প্ৰথম স্থান ঃ অচ্যুৎ গগৈ
দ্বিতীয় স্থান ঃ ভাস্কৰ দত্ত
তৃতীয় স্থান ঃ পংকজ দলে

■ লং জাম্প (ল'ৰা)

প্ৰথম স্থান ঃ মানস প্ৰতীম গগৈ
দ্বিতীয় স্থান ঃ ৰাজু শইকীয়া
তৃতীয় স্থান ঃ চন্দন ফুকন, উমা কামান

■ হাই জাম্প (ছোৱালী)

প্ৰথম স্থান ঃ পূজা বৰুৱা
দ্বিতীয় স্থান ঃ ৰূপজ্যোতি পেগু
তৃতীয় স্থান ঃ স্বপ্না পেগু

■ লং জাম্প (ল'ৰা)

প্ৰথম স্থান ঃ মানস প্ৰতীম গগৈ
দ্বিতীয় স্থান ঃ পংকজ দলে
তৃতীয় স্থান ঃ বিপুল বৰগোঁহাই, ৰাজু শইকীয়া

■ লং জাম্প (ছোৱালী)

প্ৰথম স্থান ঃ পূজা বৰুৱা
দ্বিতীয় স্থান ঃ ৰূপজ্যোতি পেগু
তৃতীয় স্থান ঃ দিপ্তী নাথ

■ দিছকাছ থ্ৰ' (ল'ৰা)

প্ৰথম স্থান ঃ পদ্মভূষণ দত্ত
দ্বিতীয় স্থান ঃ নাছিৰোল্লাহ আহমেদ
তৃতীয় স্থান ঃ যুগান্ত চেতিয়া

■ ক্ৰিকেট চেম্পিয়ন ঃ (স্নাতক চতুৰ্থ ষাম্মাসিক, বি.এ.)

সঞ্জীৱ বৰগোঁহাই, পুলিন বৰা, দীপক গোঁহাই, লক্ষী গগৈ, ধ্ৰুৱ শইকীয়া, পাপু দত্ত, ৰক্তিম বৰগোঁহাই, দুলেন হাজৰিকা, চহিদুল আলী, চন্দন ফুকন, ৰুবুল গগৈ।

■ ক্ৰিকেট ৰাণাৰ্ছ আপ (বি. এ., ষষ্ঠ ষাম্মাসিক)

বিপ্লৱ গগৈ, তুলসী দত্ত, ধীৰাজ বৰুৱা, সঞ্জয় কেওঁট, তন্ময় দত্ত, ৰবিন চুতীয়া, নাছিৰোল্লাহ আহমেদ, পুলক লাহন, দিব্যজ্যোতি বৰুৱা, ধীৰেন সোনোৱাল, ৰাহুল কোঁৱৰ।

**শ্ৰেষ্ঠ ক্ৰীড়াবিদ (ল'ৰা) ঃ পংকজ দলে**

**শ্ৰেষ্ঠ ক্ৰীড়াবিদ ( ছোৱালী ) ঃ দিপ্তী নাথ**

■ দিছকাছ থ্ৰ ( ছোৱালী)

প্ৰথম স্থান ঃ মাইনা পেগু
দ্বিতীয় স্থান ঃ আৰতি হাজং
তৃতীয় স্থান ঃ মিতালী নৰহ

■ চট্‌ফুট থ্ৰ' (ল'ৰা)

প্ৰথম স্থান ঃ পদ্মভূষণ দত্ত
দ্বিতীয় স্থান ঃ নাছিৰোল্লাহ আহমেদ
তৃতীয় স্থান ঃ সঞ্জীৱ কলিতা

■ চট্‌ফুট থ্ৰ' ( ছোৱালী)

প্ৰথম স্থান ঃ মাইনা পেগু
দ্বিতীয় স্থান ঃ পূজা বৰুৱা
তৃতীয় স্থান ঃ ৰিম্মা দলে

■ জেভ্‌লিন থ্ৰ (ল'ৰা)

প্ৰথম স্থান ঃ হিমাংশু চায়েঙ্গীয়া
দ্বিতীয় স্থান ঃ পংকজ দলে
তৃতীয় স্থান ঃ মানস প্ৰতীম গগৈ

■ জেভ্‌লিন থ্ৰ (ছোৱালী)

প্ৰথম স্থান : মাইনা পেগু
দ্বিতীয় স্থান : ৰূপা মিলি
তৃতীয় স্থান : পূজা বৰুৱা, ৰূপজ্যোতি পেগু।

## সাহিত্য আৰু আলোচনী বিভাগ

■ কবিতা আবৃত্তি (অসমীয়া) ঃ

প্ৰথম স্থান : ভাগ্যশ্ৰী বৰুৱা
দ্বিতীয় স্থান : সুভাষ শইকীয়া, স্বপ্নালী ডেকা
তৃতীয় স্থান : পৰী নাথ

■ কবিতা আবৃত্তি (ইংৰাজী) ঃ

প্ৰথম স্থান : প্ৰাঞ্জল দাস
দ্বিতীয় স্থান : পৰী নাথ, দ্বীপজ্যোতি হাজৰিকা
তৃতীয় স্থান : বৰ্ণালী বৰুৱা

■ বাতৰি পৰিবেশন (অসমীয়া) ঃ

প্ৰথম স্থান : পৰী নাথ
দ্বিতীয় স্থান : বৰ্ণালী বৰুৱা, ধ্ৰুৱজ্যোতি দত্ত
তৃতীয় স্থান : প্ৰাঞ্জল দাস

■ বাতৰি পৰিবেশন (ইংৰাজী) ঃ

প্ৰথম স্থান : প্ৰাঞ্জল দাস
দ্বিতীয় স্থান : পৰী নাথ
তৃতীয় স্থান : বৰ্ণালী বৰুৱা

■ বক্তৃতা প্ৰতিযোগিতা

প্ৰথম স্থান : বৰ্ণালী বৰুৱা
দ্বিতীয় স্থান : মাধূৰ্য তামুলী ফুকন
তৃতীয় স্থান : পিন্টু মণ্ডল

## ঠাইতে বহি লিখা সাহিত্য প্ৰতিযোগিতা

■ কবিতা লিখন

প্ৰথম স্থান : আশাৰাণী নাথ
দ্বিতীয় স্থান : ৰবীন চুতীয়া
তৃতীয় স্থান : স্বপ্নালী ডেকা

■ গল্প লিখন ঃ

প্ৰথম স্থান : ভাস্কৰজ্যোতি ভূঞা
দ্বিতীয় স্থান : স্বপ্নালী ডেকা
তৃতীয় স্থান : আশাৰাণী নাথ

■ প্ৰবন্ধ লিখন ঃ

প্ৰথম স্থান : ডলী বৰা
দ্বিতীয় স্থান : বৰ্ণালী বৰুৱা
তৃতীয় স্থান : আশাৰাণী নাথ, ৰবীন চুতীয়া।

## গ্ৰন্থ সমালোচনা প্ৰতিযোগিতা

প্ৰথম স্থান : দিপ্তী শইকীয়া, (পথ প্ৰদৰ্শক আত্মা)
দ্বিতীয় স্থান : পাপু দত্ত,
(আপোনাৰ ভৱিষ্যৎ আপোনাৰ হাতত)
বুলবুলি বৰা, (অগ্নিৰ ডেউকা)
তৃতীয় স্থান : কৃষ্ণা বৰা, (মিছন ইণ্ডিয়া)।

■ প্ৰাচীৰ পত্ৰিকাৰ ফলাফল-

প্ৰথম স্থান : উদ্ভিদ বিজ্ঞান বিভাগ
দ্বিতীয় স্থান : পদাৰ্থবিজ্ঞান বিভাগ
তৃতীয় স্থান : সমাজতত্ব বিভাগ
শ্ৰেষ্ঠ কবিতা : আহ্বান, দলি বৰা
শ্ৰেষ্ঠ প্ৰবন্ধ : জি.এছ.টি, চন্দ্ৰমল্লিকা হাজৰিকা
শ্ৰেষ্ঠ গল্প : উজুতিত তেজৰ টোপাল, দিপীকা বৰা
শ্ৰেষ্ঠ অংগসজ্জাঃ গাৰ্হস্থ্য বিজ্ঞান বিভাগ
শ্ৰেষ্ঠ বেটুপাতঃ শিক্ষাতত্ব বিভাগ

## সাহিত্য প্ৰতিযোগিতা (পূৰ্বে প্ৰস্তুত)

■ প্ৰবন্ধ

প্ৰথম স্থান : ৰিংকুমণি বৰা
দ্বিতীয় স্থান : ডলি বৰা

■ কবিতা

প্ৰথম স্থান : ৰিংকুমণি বৰা
দ্বিতীয় স্থান : ডলি বৰা

■ লিমাৰিক-

প্ৰথম স্থান : জয়প্ৰভা দত্ত
দ্বিতীয় স্থান : ৰিংকুমণি বৰা

## সমাজ সেৱা বিভাগ-

■ চাফাই প্ৰতিযোগিতা

প্ৰথম স্থান : প্ৰাণী বিজ্ঞান বিভাগ
দ্বিতীয় স্থান : ৰাজনীতি বিজ্ঞান বিভাগ
তৃতীয় স্থান : অসমীয়া বিভাগ

## শ্ৰেষ্ঠ সমাজসেৱক

ল'ৰা : ৰবিন চুতীয়া

ছোৱালী : বৰ্ণালী বৰুৱা

■ ভেশচন প্ৰতিযোগিতাৰ ফলাফল-

প্ৰথম স্থান : দ্বীপজ্যোতি হাজৰিকা
দ্বিতীয় স্থান : বৰ্ণালী বৰুৱা
তৃতীয় স্থান : মিঠু গোৱালা, ক্ষীৰোদ নায়ক

## ছাত্ৰী জিৰণি কোঠা

■ চালাদ প্ৰতিযোগিতা

প্ৰথম স্থান : চুম্পী চাংমাই
দ্বিতীয় স্থান : ভাগ্যশ্ৰী বৰুৱা

■ ৰুমাল চিলাই প্ৰতিযোগিতা

প্ৰথম স্থান : পৰিণীতা গগৈ
দ্বিতীয় স্থান : প্ৰণিতা বৰা
তৃতীয় স্থান : অনুজাশ্ৰী দত্ত

■ ৰংগুলী প্ৰতিযোগিতা

প্ৰথম স্থান : পৰিণীতা গগৈ, মিতালী নাথ
দ্বিতীয় স্থান : চিত্ৰলেখা শইকীয়া, চিল্পী গগৈ
তৃতীয় স্থান : ভাগ্যশ্ৰী বৰুৱা, তুম্পাৰাণী নাথ

■ কইনা প্ৰতিযোগিতা

প্ৰথম স্থান : ডিম্পী কলিতা
দ্বিতীয় স্থান : তনুজাশ্ৰী দত্ত
তৃতীয় স্থান : বৰ্ষা দত্ত

■ মিচ এল. টি. কে. প্ৰতিযোগিতা

প্ৰথম স্থান : নিশা শইকীয়া
দ্বিতীয় স্থান : ডিম্পী কলিতা
তৃতীয় স্থান : জোনমনি নাথ

## ২০১৮-১৯

## সাংস্কৃতিক বিভাগ

■ ৰাভা সংগীত-

প্ৰথম স্থান : শংকৰজ্যোতি বুঢ়াগোঁহাই
দ্বিতীয় স্থান : পুৰুষোত্তম দলে
তৃতীয় স্থান : গায়ত্ৰী দাস

■ জয়ন্ত সংগীত-

প্ৰথম স্থান : শংকৰজ্যোতি বুঢ়াগোঁহাই
দ্বিতীয় স্থান : মাধুৰ্য মোহন বৰুৱা
তৃতীয় স্থান : শিল্পী গগৈ

■ বৰগীত-

প্ৰথম স্থান : শংকৰজ্যোতি বুঢ়াগোঁহাই
দ্বিতীয় স্থান : তন্ময়জ্যোতি ফুকন
তৃতীয় স্থান : গায়ত্ৰী দাস, পিতাম্বৰদেৱ গোস্বামী

■ আধুনিক গীত

প্ৰথম স্থান : শংকৰজ্যোতি বুঢ়াগোঁহাই
দ্বিতীয় স্থান : ধ্ৰুৱজ্যোতি দত্ত
তৃতীয় স্থান : মাধুৰ্য মোহন বৰুৱা

■ ভূপেন্দ্ৰ সংগীত-

প্ৰথম স্থান : শংকৰজ্যোতি বুঢ়াগোঁহাই
দ্বিতীয় স্থান : মাধুৰ্য মোহন বৰুৱা
তৃতীয় স্থান : শিল্পী গগৈ, ধ্ৰুৱজ্যোতি দত্ত

■ জ্যোতি সংগীত

প্ৰথম স্থান : গায়ত্ৰী দাস
দ্বিতীয় স্থান : শংকৰজ্যোতি বুঢ়াগোঁহাই
তৃতীয় স্থান : মাধুৰ্য মোহন বৰুৱা

■ পাৰ্বতী প্ৰসাদৰ গীত-

প্ৰথম স্থান : মাধুৰ্য মোহন বৰুৱা
দ্বিতীয় স্থান : গায়ত্ৰী দাস
তৃতীয় স্থান : ধ্ৰুৱজ্যোতি দত্ত

■ নাটক-

প্ৰথম স্থান : তেজৰ চেঁকুৰা (পদাৰ্থ বিজ্ঞান বিভাগ)
দ্বিতীয় স্থান : ভ্ৰূণ (সমাজতত্ব বিভাগ)
তৃতীয় স্থান : ভ্ৰূণ (শিক্ষা বিভাগ)

■ একক অভিনয়-

প্ৰথম স্থান : বিৰাজবল্লব গোস্বামী
দ্বিতীয় স্থান : জগদীশ নাথ
তৃতীয় স্থান : হৰিকৃষ্ণ শইকীয়া

**শ্ৰেষ্ঠ অভিনেতা- বিৰাজবল্লৰ গোস্বামী**

**শ্ৰেষ্ঠ গায়ক- শংকৰজ্যোতি বুঢ়াগোঁহাই**

■ সাংস্কৃতিক শোভাযাত্ৰা

প্ৰথম স্থান : পদাৰ্থ বিজ্ঞান
দ্বিতীয় স্থান : ভূগোল
তৃতীয় স্থান : শিক্ষা
চতুৰ্থ স্থান : উদ্ভিদ বিজ্ঞান, অসমীয়া।

## সাহিত্য আৰু আলোচনী বিভাগ

### কবিতা আবৃত্তিপ্ৰতিযোগিতাৰ ফলাফল (অসমীয়া)

প্ৰথম স্থান : ভাগ্য বৰুৱা
দ্বিতীয় স্থান : পীতাম্বৰ দেৱ গোস্বামী
তৃতীয় স্থান : মিগাংকৰ শইকীয়া

■ ইংৰাজী

প্ৰথম স্থান : প্ৰাঞ্জল দাস
দ্বিতীয় স্থান : ধ্ৰুৱজিত দত্ত
তৃতীয় স্থান : জয়দ্বীপ বৰপাত্ৰ

### বাতৰি পৰিবেশন (অসমীয়া)

প্ৰথম স্থান : ভাগ্যশ্ৰী বৰুৱা
দ্বিতীয় স্থান : মৃগাংক শইকীয়া
তৃতীয় স্থান : মুনমী বৰপাত্ৰ গোঁহাই

■ ইংৰাজী

প্ৰথম স্থান : ধ্ৰুৱজ্যোতি দত্ত
দ্বিতীয় স্থান : জয়দ্বীপ বৰপাত্ৰ
তৃতীয় স্থান : অঞ্জু চেতিয়া

### বক্তৃতা প্ৰতিযোগিতা

প্ৰথম স্থান : পিন্টু মণ্ডল
দ্বিতীয় স্থান : দেৱযানী গগৈ

■ ঠাইতে লিখা সাহিত্য প্ৰতিযোগিতা (কবিতা)

প্ৰথম স্থান : দিপজ্যোতি হাজৰিকা
দ্বিতীয় স্থান : বিকাশ হাজৰিকা
তৃতীয় স্থান : মণিকা শইকীয়া

■ প্ৰবন্ধ

প্ৰথম স্থান : দেৱজানী গগৈ
দ্বিতীয় স্থান : বিকাশ হাজৰিকা
তৃতীয় স্থান : দিপজ্যোতি হাজৰিকা

■ গল্প

প্ৰথম স্থান : জানমনি গগৈ
দ্বিতীয় স্থান : মাধৱ দাস
দেৱযানী গগৈ
তৃতীয় স্থান : হিমাংশু বৰা

■ ঘৰতে লিখি অনা কবিতা প্ৰতিযোগিতা

প্ৰথম স্থান : শিল্পী গগৈ
দ্বিতীয় স্থান : জয়প্ৰভা দত্ত
তৃতীয় স্থান : হিমাংশু বৰা
জানমনি গগৈ

■ ঘৰতে লিখি অনা প্ৰবন্ধ

বিষয়- বৌদ্ধিক উৎকৰ্ষ সাধনত গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব

প্ৰথম স্থান : জাহ্নৱী বৰা
দ্বিতীয় স্থান : জয়প্ৰভা দত্ত
তৃতীয় স্থান : বিনীৰাম মিলি

■ গ্ৰন্থ সমালোচনা

প্ৰথম স্থান : বুলবুলী বৰা
দ্বিতীয় স্থান : নিহাৰিকা বৰা
মণিকা শইকীয়া
তৃতীয় স্থান : জয়প্ৰভা দত্ত

■ প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা

শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা : 'প্ৰতিশ্ৰুতি' অসমীয়া বিভাগ
দ্বিতীয় শ্ৰেষ্ঠ : 'পাপৰ পৰাচিত' সমাজতত্ত্ব বিভাগ
তৃতীয় শ্ৰেষ্ঠ : 'ভ্ৰুণ নিৰ্ণয়' শিক্ষাবিভাগ
শ্ৰেষ্ঠ বেটুপাত : 'সমন্বয়' (সমাজতত্ত্ব বিভাগ)
শ্ৰেষ্ঠ প্ৰবন্ধ : অসমীয়া সংস্কৃতিত ঢেঁকী
মণিকা শইকীয়া, অসমীয়া বিভাগ
শ্ৰেষ্ঠ কবিতা : 'অস্তিত্ব'
দেৱব্ৰত শইকীয়া, অৰ্থনীতি বিভাগ
শ্ৰেষ্ঠ অংগসজ্জা : শিক্ষাবিভাগ
শ্ৰেষ্ঠ সম্পাদকীয় : ভাস্কৰজিৎ ভুঞা, উদ্ভিদবিজ্ঞান বিভাগ
শ্ৰেষ্ঠ সাহিত্যিক : দেৱযানী গগৈ, ৰাজনীতি বিজ্ঞান বিভাগ

## সমাজসেৱা বিভাগ

■ ভেশচন

প্ৰথম স্থান : সুভাষ শইকীয়া
দ্বিতীয় স্থান : মুনমী বৰপাত্ৰ গোঁহাই
তৃতীয় স্থান : লক্ষ্মী দত্ত
শ্ৰেষ্ঠ সমাজ সেৱক : লক্ষ্মী গগৈ, সঞ্জীৱ বৰগোঁহাই
শ্ৰেষ্ঠ সমাজ সেৱিকা : পূজা বৰা

■ সমাজ সেৱা প্ৰতিযোগিতা

প্ৰথম স্থান : সমাজতত্ত্ব বিভাগ
দ্বিতীয় স্থান : ৰাজনীতি বিজ্ঞান, অসমীয়া বিভাগ
তৃতীয় স্থান : উদ্ভিদ বিজ্ঞান, শিক্ষা বিভাগ

**বহিঃ ক্ৰীড়া বিভাগ (দৌৰ)**

■ **১০০ মিটাৰ (ল'ৰা)**

প্ৰথম স্থান ঃ বিপুল বৰগোঁহাই
দ্বিতীয় স্থান ঃ পুলিন বৰা
তৃতীয় স্থান ঃ সমীৰণ বৰা

■ **১০০ মিটাৰ (ছোৱালী)**

প্ৰথম স্থান ঃ দেৱযানী গগৈ
দ্বিতীয় স্থান ঃ গুণ চেতিয়া
তৃতীয় স্থান ঃ বিবি ৰাজখোৱা

■ **২০০ মিটাৰ (ল'ৰা)**

প্ৰথম স্থান ঃ বিপুল বৰগোঁহাই
দ্বিতীয় স্থান ঃ সমীৰণ বৰা
তৃতীয় স্থান ঃ ছিদানন্দ সন্দিকৈ

■ **২০০ মিটাৰ (ছোৱালী)**

প্ৰথম স্থান ঃ গুণ চেতিয়া
দ্বিতীয় স্থান ঃ বিবি ৰাজখোৱা
তৃতীয় স্থান ঃ দেৱযানী গগৈ, প্ৰণামী চেতিয়া

■ **৪০০ মিটাৰ (ল'ৰা)**

প্ৰথম স্থান ঃ বিপুল বৰগোঁহাই
দ্বিতীয় স্থান ঃ অচ্যুত গগৈ
তৃতীয় স্থান ঃ সমীৰণ বৰা

■ **৪০০ মিটাৰ (ছোৱালী)**

প্ৰথম স্থান ঃ গুণ চেতিয়া
দ্বিতীয় স্থান ঃ দেৱযানী গগৈ
তৃতীয় স্থান ঃ প্ৰণামী চেতিয়া

■ **৮০০ মিটাৰ (ল'ৰা)**

প্ৰথম স্থান ঃ বিপুল বৰগোঁহাই
দ্বিতীয় স্থান ঃ অচ্যুত গগৈ
তৃতীয় স্থান ঃ ধৰণী নাথ

■ **৮০০ মিটাৰ (ছোৱালী)**

প্ৰথম স্থান ঃ গুণ চেতিয়া
দ্বিতীয় স্থান ঃ দেৱযানী গগৈ
তৃতীয় স্থান ঃ প্ৰণামী চেতিয়া

■ **১৬০০ মিটাৰ (ল'ৰা)**

প্ৰথম স্থান ঃ বিপুল বৰগোঁহাই
দ্বিতীয় স্থান ঃ অচ্যুত গগৈ
তৃতীয় স্থান ঃ চিদানন্দ সন্দিকৈ

■ **৫০০০ মিটাৰ (ল'ৰা)**

প্ৰথম স্থান ঃ বিপুল বৰগোঁহাই
দ্বিতীয় স্থান ঃ অচ্যুত গগৈ
তৃতীয় স্থান ঃ চিদানন্দ সন্দিকৈ

■ **ডিচকাচ থ্ৰ' (ল'ৰা)**

প্ৰথম স্থান ঃ পাৰ্থ শইকীয়া
দ্বিতীয় স্থান ঃ সমীৰণ বৰা
তৃতীয় স্থান ঃ হিমাংশু চাৰভীয়া

■ **ডিচকাচ থ্ৰ' (ছোৱালী)**

প্ৰথম স্থান ঃ শিল্পী গগৈ
দ্বিতীয় স্থান ঃ দেৱযানী গগৈ
তৃতীয় স্থান ঃ প্ৰণামী চেতিয়া

■ **চটফুট (ল'ৰা)**

প্ৰথম স্থান ঃ পাৰ্থ শইকীয়া
দ্বিতীয় স্থান ঃ হিমাংশু চাৰভীয়া
তৃতীয় স্থান ঃ কৌশিক দত্ত

■ **চটফুট (ছোৱালী)**

প্ৰথম স্থান ঃ দেৱযানী গগৈ
দ্বিতীয় স্থান ঃ বিবি ৰাজখোৱা

■ **জেৱলিন থ্ৰ' (ল'ৰা)**

প্ৰথম স্থান ঃ হিমাংশু চাৰভীয়া
দ্বিতীয় স্থান ঃ ৰুছীয়া দলে
তৃতীয় স্থান ঃ যুগল কিশোৰ মহন্ত

■ **জেৱলিন থ্ৰ' (ছোৱালী)**

প্ৰথম স্থান ঃ দেৱযানী গগৈ
দ্বিতীয় স্থান ঃ প্ৰণামী চেতিয়া
তৃতীয় স্থান ঃ দীক্ষিতা হাওবৰা

■ **লং জাম্প (ল'ৰা)**

প্ৰথম স্থান ঃ ৰুছীয়া দলে
দ্বিতীয় স্থান ঃ চিদানন্দ সন্দিকৈ
তৃতীয় স্থান ঃ বিপুল বৰগোঁহাই, মানস প্ৰতীম গগৈ

■ **লং জাম্প (ছোৱালী)**

প্ৰথম স্থান ঃ বিবি ৰাজখোৱা
দ্বিতীয় স্থান ঃ প্ৰণামী চেতিয়া, গুণ চেতিয়া
তৃতীয় স্থান ঃ দেৱযানী গগৈ

■ হাইজাম্প (ল'ৰা)

প্ৰথম স্থান ঃ মানস প্ৰতীম গগৈ
দ্বিতীয় স্থান ঃ ৰুবুল গোঁহাই
তৃতীয় স্থান ঃ ৰাজা শইকীয়া

**আন্তঃ ক্ৰীড়া বিভাগ**

■ ভলীবলৰ বিজয়ী দল

গোলজাৰ আহমেদ, সত্যব্ৰত পাৰে, দেৱজিত, উমা কামান, ফাজৰুল কৰিম, ৰঞ্জু পেগু, হিমাংশু চাৰুণ্ডীয়া

■ বিজিত দল (উদ্ভিদ বিজ্ঞান বিভাগ)

ৰুবুল গোঁহাই, চিত্ৰ দত্ত, ভাস্কৰজ্যোতি গগৈ, বিতোপন বৰা, শংকৰজ্যোতি বৰগোঁহাই, সীমান্ত শইকীয়া।

■ ল'ৰা বেডমিন্টন প্ৰতিযোগিতা (একক)

বিজয়ী- যুগল কিশোৰ মহন্ত
বিজিত- শংকৰ বৰগোঁহাই

■ ছোৱালী বেডমিন্টন প্ৰতিযোগিতা (একক)

বিজয়ী- ভাস্বতী বৰগোঁহাই
বিজিত- দেৱজানী গগৈ

■ বেডমিন্টন প্ৰতিযোগিতা যুটীয়া (ছোৱালী)

বিজয়ী- দুলু শইকীয়া
শিল্পী গগৈ
বিজিত- অৰ্মিত শইকীয়া
দেৱজানী গগৈ

■ বেডমিন্টন প্ৰতিযোগিতা যুটীয়া (ল'ৰা)

বিজয়ী- ফিৰোজ আহমেদ
জাহিল হুছেইন
বিজিত- যুগল কিশোৰ মহন্ত
দেৱব্ৰত শইকীয়া

**ছাত্ৰ জিৰণী কোঠাৰ ফলাফল**

■ দবা খেল

বিজয়ী- পদ্মভূষণ দত্ত
বিজিত- ৰঘুনাথ হাজৰিকা

■ কেৰম বৰ্ড (একক)

বিজয়ী- চন্দন ফুকন
বিজিত- যুগল কিশোৰ মহন্ত

■ কেৰম বৰ্ড (যুটীয়া)

বিজয়ী- চন্দন ফুকন, প্ৰশান্ত দত্ত
বিজিত- পদ্মভূষণ দত্ত, যুগল কিশোৰ মহন্ত

**দেহশ্ৰী প্ৰতিযোগিতা**

■ মিষ্টাৰ এল. টি. কে

প্ৰথম স্থান ঃ লক্ষী গগৈ
দ্বিতীয় স্থান ঃ আনন্দ মিলি
তৃতীয় স্থান ঃ মিঠু গুৱালা, সঞ্জীৱ পায়েং

**ছাত্ৰী জিৰণী কোঠাৰ প্ৰতিযোগিতা**

■ ৰংগুলী প্ৰতিযোগিতা

প্ৰথম স্থান ঃ দেৱজানী গগৈ, মুনমী শইকীয়া
দ্বিতীয় স্থান ঃ ৰিমজিত দাস, হিমাদ্ৰী শইকীয়া
তৃতীয় স্থান ঃ দ্বিপশিখা বৰুৱা, ডিম্পী বৰুৱা

■ মিচ এল. টি. কে.

বিজয়ী- ভস্বতী বৰগোঁহাই
বিজিত- জুনমনি নাথ

■ কইনা প্ৰতিযোগিতা

প্ৰথম স্থান ঃ জ্যোতি দত্ত
দ্বিতীয় স্থান ঃ ভাগ্যশ্ৰী বৰুৱা
তৃতীয় স্থান ঃ প্ৰণামী চেতিয়া

■ চিলাই প্ৰতিযোগিতা


প্ৰথম স্থান ঃ প্ৰণীতা বৰা
দ্বিতীয় স্থান ঃ দিম্পী বৰুৱা
তৃতীয় স্থান ঃ প্ৰণীতা গগৈ

■■

# প্ৰেৰণাৰ উৎস স্বৰূপ এখন গ্ৰন্থ ঃ নৰেন্দ্ৰ মোদীৰ EXAM WARRIORS

ড° বুবুল কুমাৰ শইকীয়া
অধ্যক্ষ, এল. টি. কে. মহাবিদ্যালয়

বৰ্তমান আমাৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই প্ৰথমবাৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই প্ৰতিমাহৰ শেষৰ দেওবাৰটোত দেশৰ যুৱ প্ৰজন্মক উৎসাহিত কৰিবৰ বাবে "মন কি বাত" নামৰ এক বাৰ্তালাপ ৰেডিঅ'ত ধাৰাবাহিকভাৱে প্ৰচাৰ কৰি আহিছে। প্ৰধানমন্ত্ৰী গৰাকীয়ে ২০১৮ চনত দেশৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা প্ৰদান কৰিবৰ বাবে 'Exam Warriors' শীৰ্ষক এখনি গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থখনি প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা উচিত। আমাৰ এই আলোচনাত অতি সম্যকভাৱে গ্ৰন্থখনিৰ পৰিচয় দাঙি ধৰিবলৈ চেষ্টা কৰিম।




নৰেন্দ্ৰ মোদীৰ 'Exam Warriors' গ্ৰন্থখনি পঁচিশটা অধ্যায়ত বিভক্ত কৰিছে। লেখকগৰাকীয়ে এই পঁচিশটা অধ্যায়ক একো একোটা মন্ত্ৰ বুলি অভিহিত কৰিছে। এই পঁচিশটা মন্ত্ৰৰ লগতে তেখেতে শেষত 'Letters to Parents and Teachers' আৰু 'Yoga Asanas' শীৰ্ষক দুটি প্ৰবন্ধ উল্লেখ কৰিছে।

**মন্ত্ৰ নং ১ ঃ** Exam Are Like Festivals -Celebrate Them.

এই অধ্যায়ত লেখকে পৰীক্ষাটোক এটা উৎসৱ বুলি অভিহিত কৰিছে। উৎসৱবোৰ আমি যেনেকৈ উদ্‌যাপন কৰোঁ তেনেধৰণে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাবোৰক উৎসৱ হিচাপে উদ্‌যাপন কৰিব লাগে। তেখেতে উল্লেখ কৰিছে যে— 'Festivals brings out the best in us. Exams too are meant to bring out the best in you.

**মন্ত্ৰ নং ২ ঃ** Exams Test Your Current Preparation, Not you, chill.

ইয়াত লেখক গৰাকীয়ে উল্লেখ কৰিছে যে এজন ছাত্ৰই অৱতীৰ্ণ হোৱা এটা পৰীক্ষাই ছাত্ৰগৰাকীক বৰ্তমান নিজকে কেনেদৰে সাজু কৰিছে সেইয়াহে বুজায়। সমগ্ৰ জীৱনটোক নুবুজায়। এটা পৰীক্ষাত অসফল হোৱা মানে সমগ্ৰ জীৱনটো অসফলতাক নুবুজায়। গতিকে, পৰীক্ষাৰ বাবে নিজকে সাজু কৰা, অৱতীৰ্ণ হোৱা আৰু কেতিয়াও পৰাজয়ৰ বাবে ভয় নকৰিবলৈ লেখকগৰাকীয়ে আহ্বান জনাইছে।

**মন্ত্ৰ নং ৩ ঃ** Laugh in, Laugh Out.

এই অধ্যায়ত তেখেতে উল্লেখ কৰিছে যে ছাত্ৰ-ছাত্ৰীসকল পৰীক্ষাৰ দিনা যথেষ্ট মানসিক চাপত থাকে, ফলত পৰীক্ষাগৃহত কেতিয়াবা জনা প্ৰশ্নৰ উত্তৰো ভুল কৰে বা ভুলকৈ লিখে। গতিকে, পৰীক্ষা হ'লত সোমাওঁতে হাঁহি মুখেৰে সোমাব লাগে অৰ্থাৎ কোনো ধৰণৰ মানসিক চাপ নোহোৱাকৈ সোমাব লাগে।

গ্ৰন্থ পৰিচয়

# প্ৰেৰণাৰ উৎস স্বৰূপ এখন গ্ৰন্থ ঃ নৰেন্দ্ৰ মোদীৰ EXAM WARRIORS

**ড° বুবুল কুমাৰ শইকীয়া**
অধ্যক্ষ, এল. টি. কে. মহাবিদ্যালয়

বৰ্তমান আমাৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই প্ৰথমবাৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই প্ৰতিমাহৰ শেষৰ দেওবাৰটোত দেশৰ যুৱ প্ৰজন্মক উৎসাহিত কৰিবৰ বাবে "মন কি বাত" নামৰ এক বাৰ্তালাপ ৰেডিঅ'ত ধাৰাবাহিকভাৱে প্ৰচাৰ কৰি আহিছে। প্ৰধানমন্ত্ৰী গৰাকীয়ে ২০১৮ চনত দেশৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা প্ৰদান কৰিবৰ বাবে 'Exam Warriors' শীৰ্ষক এখনি গ্ৰন্থ ৰচনা কৰে। এইগ্ৰন্থখনি প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা উচিত। আমাৰ এই আলোচনাত অতি সম্যকভাৱে গ্ৰন্থখনিৰ পৰিচয় দাঙি ধৰিবলৈ চেষ্টা কৰিম।

নৰেন্দ্ৰ মোদীৰ 'Exam Warriors' গ্ৰন্থখনি পঁচিশটা অধ্যায়ত বিভক্ত কৰিছে। লেখকগৰাকীয়ে এই পঁচিশটা অধ্যায়ক একো একোটা মন্ত্ৰ বুলি অভিহিত কৰিছে। এই পঁচিশটা মন্ত্ৰৰ লগতে তেখেতে শেষত 'Letters to Parents and Teachers' আৰু 'Yoga Asanas' শীৰ্ষক দুটি প্ৰবন্ধ উল্লেখ কৰিছে।

**মন্ত্ৰ নং ১ ঃ** Exam Are Like Festivals




-Celebrate Them.

এই অধ্যায়ত লেখকে পৰীক্ষাটোক এটা উৎসৱ বুলি অভিহিত কৰিছে। উৎসৱবোৰ আমি যেনেকৈ উদ্‌যাপন কৰোঁ তেনেধৰণে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাবোৰক উৎসৱ হিচাপে উদ্‌যাপন কৰিব লাগে। তেখেতে উল্লেখ কৰিছে যে— 'Festivals brings out the best in us. Exams too are meant to bring out the best in you.

**মন্ত্ৰ নং ২ ঃ** Exams Test Your Current Preparation, Not you, chill.

ইয়াত লেখক গৰাকীয়ে উল্লেখ কৰিছে যে এজন ছাত্ৰই অৱতীৰ্ণ হোৱা এটা পৰীক্ষাই ছাত্ৰগৰাকীক বৰ্তমান নিজকে কেনেদৰে সাজু কৰিছে সেইয়াহে বুজায়। সমগ্ৰ জীৱনটোক নুবুজায়। এটা পৰীক্ষাত অসফল হোৱা মানে সমগ্ৰ জীৱনটো অসফলতাক নুবুজায়। গতিকে, পৰীক্ষাৰ বাবে নিজকে সাজু কৰা, অৱতীৰ্ণ হোৱা আৰু কেতিয়াও পৰাজয়ৰ বাবে ভয় নকৰিবলৈ লেখকগৰাকীয়ে আহ্বান জনাইছে।

**মন্ত্ৰ নং ৩ ঃ** Laugh in, Laugh Out.

এই অধ্যায়ত তেখেতে উল্লেখ কৰিছে যে ছাত্ৰ-ছাত্ৰীসকল পৰীক্ষাৰ দিনা যথেষ্ট মানসিক চাপত থাকে, ফলত পৰীক্ষাগৃহত কেতিয়াবা জনা প্ৰশ্নৰ উত্তৰো ভুল কৰে বা ভুলকৈ লিখে। গতিকে, পৰীক্ষা হ'লত সোমাওঁতে হাঁহি মুখেৰে সোমাব লাগে অৰ্থাৎ কোনো ধৰণৰ মানসিক চাপ নোহোৱাকৈ সোমাব লাগে।

তেতিয়া নিশ্চিতভাৱে পৰীক্ষা ভাল হ'ব আৰু তাৰ পাছত হাঁহি মুখেৰে ওলাব লাগে।

মন্ত্ৰ নং ৪ ঃ Be a Warrior, Not a Worrier.

এই অধ্যায়টিত তেখেতে ছাত্ৰ-ছাত্ৰী সকলক যোদ্ধা হ'বলৈ আহ্বান জনাইছে, উদ্বেগিত হ'বলৈ নহয়। ইয়াৰ উদাহৰণ স্বৰূপে তেখেতে ৰাণী লক্ষ্মীবাই আৰু ২০১৭ চনৰ টি-২০ বিশ্বকাপৰ ভাৰতীয় ক্ৰিকেট দলটিলৈ আঙুলিয়াই দিছে।

মন্ত্ৰ নং ৫ ঃ Knowledge is Permanent- Pursue it

এই অধ্যায়ত উল্লেৰ্খ কৰিছে যে জ্ঞানেই হৈছে চিৰস্থায়ী। অধ্যয়নৰ উদ্দেশ্য হৈছে জ্ঞান অৰ্জন কৰা। তেখেতে উল্লেখ কৰিছে-"The journey of acquiring knowledge is itself a rewarding experince"

মন্ত্ৰ নং ৬ ঃ Compete- with yourself

এই অধ্যায়ত লেখকে নিজৰ মাজতে প্ৰতিযোগিতা কৰিবলৈ আহ্বান জনাইছে। তেখেতে উল্লেখ কৰিছে 'See yourself as your own cometitor instead of competing with others'।

মন্ত্ৰ নং ৭ ঃ It's your Time- Make the Most of it

এই অধ্যায়ত লেখক নৰেন্দ্ৰ মোদীয়ে সময়ৰ সঠিক ব্যৱহাৰ সম্পৰ্কত ব্যাখ্যা আগবঢ়াইছে। পৰীক্ষাৰ সময়ত নিজে নিয়মানুবৰ্তিতাৰে কেনেদৰে সময়ৰ ব্যৱহাৰ কৰিব পাৰি তাৰ বিষয়ে আলোচনা কৰিছে।

মন্ত্ৰ নং ৮ ঃ The Present is God's Greatest 'Present'- Live Here and Now

ইয়াত তেখেতে উল্লেখ কৰিছে যে অতীতৰ পৰা শিক্ষা লোৱা ভৱিষ্যতলৈ আঁচনি যুগুত কৰিবা। কিন্তু কামখিনি বৰ্তমান কৰা এই বিষয়ে আলোচনা কৰি তেখেতে লিখিছে— 'The most important time is now, so make the most of it.

মন্ত্ৰ নং ৯ ঃ Technology is a Great Teacher- Embrace it

নৰেন্দ্ৰ মোদীয়ে প্ৰযুক্তিবিদ্যাক এগৰাকী মহান শিক্ষক বুলি কৈছে আৰু আকোঁৱালি ল'বলৈ আহ্বান কৰিছে। কিন্তু প্ৰযুক্তিবিদ্যাৰ প্ৰতি আসক্তি হ'বলৈ বাধা কৰিছে।

মন্ত্ৰ নং ১০ ঃ To do your Best, Take Adequate Rest

এই অধ্যায়ত লেখকে ছাত্ৰ-ছাত্ৰী সকল অধ্যয়নৰ মাজত বিৰতি ল'বলৈ আহ্বান জনাইছে।

মন্ত্ৰ নং ১১ ঃ Sleep is a Great Weapon- Sharpen it

এই অধ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে টোপনি যোৱাৰ ব্যাখ্যা কৰিছে। তেখেতে উল্লেখ কৰিছে— A good night's sleep is the key to doing well in exams.

মন্ত্ৰ নং ১২ ঃ Play to shine

এই অধ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক খেলা-ধূলাৰ লগত জড়িত হ'বলৈ আহ্বান জনাইছে। খেলা ধূলাই ছাত্ৰ-ছাত্ৰীসকলৰ সুস্বাস্থ্য গঠনত সহায় কৰে সেই বিষয়ে উল্লেখ কৰিছে।

মন্ত্ৰ নং ১৩ ঃ Be your own Anchor- Celebrate Your Strengths

এই অধ্যায়ত লেখকে ছাত্ৰ-ছাত্ৰীৰ সততাৰ দক্ষতাৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব প্ৰদান কৰিছে।

মন্ত্ৰ নং ১৪ ঃ Revise and Become Wise

এই অধ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ সময়ত কেনেদৰে পাঠ্যক্ৰম পুণৰাবৃত্তি কৰিব লাগে তাক অতি সুন্দৰভাৱে বৰ্ণনা কৰিছে।

মন্ত্ৰ নং ১৫ ঃ Little Things Matter— Observe Exam Discipline

এই অধ্যায়ত লেখক মোদীয়ে পৰীক্ষাৰ নিয়মানুবৰ্তিতা সম্পৰ্কে আলোচনা কৰিছে। পৰীক্ষাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সমূহ আগৰদিনা আবেলিয়েই ঠিক কৰি থ'ব লাগে। পৰীক্ষাগৃহত প্ৰশ্ন কাকতখনত থকা নিৰ্দেশনাসমূহ অতি সূক্ষ্ম ভাৱে অধ্যয়ন কৰিব লাগে।

মন্ত্ৰ নং ১৬ ঃ Your Exam, Your Methods— Choose your own style

এই অধ্যায়ত লেখক গৰাকী পৰীক্ষাত প্ৰশ্নসমূহৰ উত্তৰ কেনেদৰে লিখিব লাগে তাৰ বৰ্ণনা দাঙি ধৰিছে। পৰীক্ষাৰ প্ৰশ্নসমূহৰ উত্তৰ লিখোঁতে সময়ৰ ব্যৱহাৰ কেনেদৰে কৰিব লাগে তাৰ আভাস দাঙি ধৰিছে।

মন্ত্ৰ নং ১৭ ঃ Presentation is key- Master it

এই অধ্যায়ত পৰীক্ষাৰ উত্তৰ সমূহ কেনেদৰে উপস্থাপন

কৰিব লাগে তাৰ বিশদ বৰ্ণনা দাঙি ধৰিছে। তেখেতে কৈছে যে— Good presentation is like beautiful icing on your favourite cake- it enhances the taste and leaves a lasting impression.

**মন্ত্ৰ নং ১৮ ঃ** To cheat is to be cheap

তেখেতে এই অধ্যায়ত প্ৰথম শাৰীটোতে উল্লেখ কৰিছে 'Cheating is WRONG' প্ৰবঞ্চনা কৰাটো অতি অনিষ্টকৰ। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেখেতে লিখিছে— 'Cheating is the biggest disservice you can do to your parents, society and, most importantly to yourself.'

**মন্ত্ৰ নং ১৯ ঃ** The Answer sheet is a one way Ticket- Move Ahead

ইয়াত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি লিখিছে যে হৈ যোৱা পৰীক্ষাৰ প্ৰশ্নকাকত সম্পৰ্কত পৰিয়াল বা বন্ধুবৰ্গৰ লগত আলোচনা কৰি সময় কটোৱাৰ কোনো প্ৰয়োজন নাই। এনে কৰিলে অহেতুক সময় আৰু শক্তিৰ অপচয় হয় আৰু কেতিয়াবা ঋণাত্মক ভাৱৰ সৃষ্টি হয়। তাতোতকৈ পৰৱৰ্তী পৰীক্ষাটোলৈ প্ৰস্তুতি কৰাই শ্ৰেয়।

**মন্ত্ৰ নং ২০ ঃ** Discover Yourself- Experience All That Life Offers

এই অধ্যায়ত লেখকে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি লিখিছে— Looking at a beautiful picture of a river is one thing, but to truly know its beauty, you need to step into the waters and experience it.

**মন্ত্ৰ নং ২১ ঃ** India is Increadible- Travel and Explore

এই অধ্যায়ত পৰীক্ষাৰ সমাপ্তিৰ পিছত ভ্ৰমণ কৰাৰ কথা উল্লেখ কৰিছে। ভ্ৰমণে যথেষ্ট অভিজ্ঞ কৰি তোলে। তেখেতে উল্লেখ কৰিছে— Blessed with unparallaled beauty and diversity, India has many things to offer.

**মন্ত্ৰ নং ২২ ঃ** As one Journey Ends, Another Begins

এই অধ্যায়ত ছাত্ৰ-ছাত্ৰী সকলক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত নিজৰ পছন্দৰ বিষয়, পাঠ্যক্ৰম আৰু শিক্ষানুষ্ঠান বাচনি কৰিবলৈ আহ্বান কৰিছে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি কৈছে— Your interests will shape your future.

**মন্ত্ৰ নং ২৩ ঃ** Aspire, Not to Be, but to Do

লেখকে ইয়াত ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ প্ৰতি কিবা এটা কৰিবলৈ আহ্বান জনাইছে। লেখকৰ ভাষাত— Think of how best you can make difference to society and let that ideal guide you.

**মন্ত্ৰ নং ২৪ ঃ** Be Grateful

এই অধ্যায়ত প্ৰথম শাৰীটোতে এনেদৰে উল্লেখ কৰিছে— 'Your success is not yours alone. Behind your success are the efforts of many people whom you meet (and don't meet) in your daily life'। এই অধ্যায়টোত ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ সকলোৰে ওচৰত কৃতজ্ঞ হ'বলৈ আহ্বান জনাইছে।

**মন্ত্ৰ নং ২৫ ঃ** Yoga Brings Transformation- Practise Regularly

এই অধ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক যোগৰ তাৎপৰ্য আৰু প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিছে।

এনেদৰে গ্ৰন্থখনিত পঁচিশটা অধ্যায়ৰ পঁচিশটা মন্ত্ৰ সন্নিবিষ্ট কৰিছে। গ্ৰন্থখনৰ শেষত নৰেন্দ্ৰ মোদীয়ে অভিভাৱক সকললৈ এখন চিঠি লিখিছে। এই চিঠিখন অভিভাৱকসকলৰ বাবে গুৰুত্বপূৰ্ণ। ইয়াৰ পিছত যোগৰ আসন সমূহ ৰঙীন ছবিৰে সৈতে সংযুক্ত কৰিছে। নিঃসন্দেহে এই গ্ৰন্থখনিয়ে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰি। আশা কৰিছোঁ, প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই গ্ৰন্থখনি অধ্যয়ন কৰে।

■■

# তত্ত্বাৱধায়কৰ

## একলম





সাহিত্য হ'ল এটা ভাষাৰ পৰিচয়, এটা জাতিৰ অস্তিত্ব। প্ৰবাহমান কালৰে পৰাই সাহিত্যই সমাজৰ ওপৰত বিভিন্ন প্ৰকাৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এনে এক উদ্দেশ্যৰে জন্ম হৈছিল লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনীখন। মহাবিদ্যালয় আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উৎকৰ্ষ সাধন হোৱাত যথেষ্ট সহায় হয়।

আলোচনীখনৰ তত্ত্বাৱধায়কৰ দায়িত্বত থাকি নিজকে ধন্য মানিছোঁ। এখন সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশ কৰাৰ সপোন এটাই সদাই খেদি ফুৰিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ ভিন্নধৰ্মী লেখনিসমূহে আলোচনী প্ৰকাশৰ সপোন বাস্তৱায়িত কৰি তুলিলে। আনহাতে, ছাত্ৰ-ছাত্ৰীসকলৰ উপকৃত হোৱাকৈ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ মূল্যবান লেখনি অন্তৰ্ভুক্ত কৰা হৈছে। আশা কৰিছো, আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলক এক নতুনত্বৰ সন্ধান দিব।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সম্পাদনা সমিতিৰ সন্মানীয় বিষয়ববীয়াসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ২০১৭-২০১৮ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আকাশ নাথে সেই বৰ্ষত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক নথকা হেতুকে মহাবিদ্যালয় সপ্তাহত অতিৰিক্ত দায়িত্ব পালন কৰাৰ বাবে মৰমৰ ছাত্ৰ আকাশলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে মৰমৰ ছাত্ৰ তন্ময় জ্যোতি ফুকনে ২০১৮-২০১৯ বৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ গধুৰ দায়িত্ব পালন কৰাত ত্ৰুটি কৰা নাই। তন্ময়

জ্যোতি ফুকনলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। ইয়াৰ উপৰি, আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে সহায় আগবঢ়োৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা ড° মালিনী গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° উপেন ৰাভা হাকাচাম, বিশিষ্ট সাংবাদিক শৈলেন বৰুৱা, বিশিষ্ট সাংবাদিক কুমুদ বৰুৱা ডাঙৰীয়াক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ লগতে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ক্ৰমে ড° হামিদুৰ ৰহমান, সম্পূৰ্ণা চলিহা আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক নাৰায়ণ বৰুৱা ছাৰলৈ এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ বেটুপাতটি অতি সুন্দৰভাৱে সজাই দিয়াৰ বাবে ভ্ৰাতৃপ্ৰতীম ড° সঞ্জীৱ বৰালৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। গাৰ্গী ডট্ কমৰ স্বত্বাধিকাৰী উৎপল চুতীয়াৰ লগতে সমূহ কৰ্মকৰ্তাসকলক ধন্যবাদ জনালোঁ। শেষত আলোচনীখনত ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

— ড° বিনীতা চহৰীয়া





মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ



মাননীয় অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ



মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ কৰ্মচাৰীসকলৰ একাংশ



মহাবিদ্যালয়ৰ তত্ত্বাৱধায়কৰ সৈতে ছাত্ৰ একতা সভা (২০১৭-১৮ বৰ্ষ) ৰ বিষয়ববীয়াসকল



মাননীয় অধ্যক্ষ মহোদয়ৰ সৈতে ছাত্ৰ একতা সভা (২০১৮-১৯ বৰ্ষ) ৰ বিষয়ববীয়াসকল

# মহাবিদ্যালয়ৰ গৌৰৱ



নিশা শইকীয়া

ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হোৱা কিক্ বক্সিং প্ৰতিযোগিতাত ৬ টাকৈ সোণৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।



শংকৰজ্যোতি বুঢ়াগোহাঁই

৭২ সংখ্যক স্বাধীনতা দিৱস উপলক্ষ্যে অনুষ্ঠিত জিলাভিত্তিত দেশপ্ৰেমমূলক গীতত প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।



সুভাষ শইকীয়া

জিলাভিত্তিত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।

## মহাবিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল



বিদ্যুত বিকাশ ভূঞা
ইংৰাজী বিভাগ



ধৰ্মেন্দ্ৰ সন্দিকৈ
শিক্ষা বিভাগ



ধিৰাজ বৰুৱা
ৰাজনীতি বিজ্ঞান বিভাগ



পুলক লাহন
শিক্ষা বিভাগ



ডলি বৰা
ৰাজনীতি বিজ্ঞান বিভাগ



পৰি নাথ
ইংৰাজী বিভাগ



পূবালী বৰা
অসমীয়া বিভাগ



অক্ষকুমাৰ গগৈ
উদ্ভিদ বিজ্ঞান বিভাগ



আচিফ সৰোৱৰ
উদ্ভিদ বিজ্ঞান বিভাগ



বাবুল পেগু
প্ৰাণী বিজ্ঞান বিভাগ



ভাস্কৰ দত্ত
উদ্ভিদ বিজ্ঞান বিভাগ



বিটু বাস্ফৰ
উদ্ভিদ বিজ্ঞান বিভাগ



বিতুপন সোনোৱাল
উদ্ভিদ বিজ্ঞান বিভাগ



দেৱব্ৰত সোনোৱাল
উদ্ভিদ বিজ্ঞান বিভাগ



দুদু দাস
প্ৰাণী বিজ্ঞান বিভাগ



হেমন্ত বৰা
উদ্ভিদ বিজ্ঞান বিভাগ



ইমদাদুল হুছেইন
উদ্ভিদ বিজ্ঞান বিভাগ



জিতুল শইকীয়া
উদ্ভিদ বিজ্ঞান বিভাগ

# মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকল



পৰি নাথ
শ্ৰেষ্ঠ সাহিত্যিক, ২০১৭-১৮ বৰ্ষ



দেৱযানী গগৈ
শ্ৰেষ্ঠ সাহিত্যিক,২০১৮-১৯ বৰ্ষ



সুভাষ শইকীয়া
শ্ৰেষ্ঠ তাৰ্কিক, ২০১৭-১৮-১৯ বৰ্ষ



শংকৰজ্যোতি বুঢ়াগোহাঁই
শ্ৰেষ্ঠ গায়ক, ২০১৮-১৯ বৰ্ষ



নিশা শইকীয়া
মিছ এল. টি. কে., ২০১৭-১৮ বৰ্ষ



ভাস্বতী বৰগোঁহাই
মিছ এল. টি. কে., ২০১৮-১৯ বৰ্ষ



দিপ্তী শইকীয়া
শ্ৰেষ্ঠ গ্ৰন্থ সমালোচক, ২০১৭-১৮ বৰ্ষ



বুলবুলি বৰা
শ্ৰেষ্ঠ গ্ৰন্থ সমালোচক, ২০১৮-১৯ বৰ্ষ



ৰবীন চুতীয়া
শ্ৰেষ্ঠ সমাজসেৱক, ২০১৭-১৮ বৰ্ষ



বৰ্ণালী বৰুৱা
শ্ৰেষ্ঠ সমাজসেৱিকা, ২০১৭-১৮ বৰ্ষ



পুজা বৰা
শ্ৰেষ্ঠ সমাজসেৱিকা , ২০১৮-১৯ বৰ্ষ



বিৰাজ বল্লভ গোস্বামী
শ্ৰেষ্ঠ অভিনেতা, ২০১৮-১৯ বৰ্ষ



লক্ষী গগৈ
মিষ্টাৰ এল. টি. কে., ২০১৮-১৯ বৰ্ষ



বিপুল বৰগোহাঁই
শ্ৰেষ্ঠ খেলুৱৈ, ২০১৮-১৯ বৰ্ষ



দিপ্তী নাথ
শ্ৰেষ্ঠ খেলুৱৈ, ২০১৭-১৮ বৰ্ষ



যুগল কিশোৰ মহন্ত
বেডমিন্টন চেম্পিয়ন, ২০১৮-১৯ বৰ্ষ

## মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ উদ্বোধনী অনুষ্ঠানৰ কেইটিমান সুমধুৰ ক্ষণ



বক্তৃতানুষ্ঠানৰ সমল ব্যক্তি বিশিষ্ট বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামী



ৰূপালী জয়ন্তী উদ্বোধনী অনুষ্ঠানৰ সভাকক্ষৰ এটি দৃশ্যাংশ



চিত্ৰ প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° লাৱণ্য বুঢ়াগোহাঁই



চিত্ৰ প্ৰদৰ্শনীৰ এটি দৃশ্যাংশ



ৰূপালী জয়ন্তী উদ্বোধনী অনুষ্ঠানৰ গ্ৰন্থ উন্মোচনী সভাৰ এটি মুহূৰ্ত্ত



সম্বৰ্দ্ধনা আৰু অন্তৰংগ আলাপ অনুষ্ঠানৰ উদ্বোধক লক্ষীমপুৰৰ বিধায়ক উৎপল দত্ত



ছাত্ৰ সকলৰ দ্বাৰা পৰিৱেশিত খোল বাদন



সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত্ত

# মহাবিদ্যালয়ৰ কেইটিমান স্মৰণীয় মুহূৰ্ত



মহাবিদ্যালয়ৰ এটি বক্তৃতানুষ্ঠানত সাহিত্য অকাডেমী বঁটা প্ৰাপক বিশিষ্ট সাহিত্যিক ড° মালিনী গোস্বামী




IQAC ৰ উদ্যোগত আয়োজিত কৰ্মশালাৰ সমল ব্যক্তি সুনীল বসুমতাৰী




তেজপুৰ বিশ্ববিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হোৱা তিনিদিনীয়া কৰ্মশালাৰ এটি মুহূৰ্ত




অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত 'গণ মাধ্যম' শীৰ্ষক বক্তৃতানুষ্ঠানত বিশিষ্ট সাংবাদিক কুমুদ বৰুৱা আৰু শৈলেন বৰুৱা




'সাহিত্য আৰু আলোচনী বিভাগ'ৰ উদ্যোগত আয়োজিত 'গল্প কথা' শীৰ্ষক অনুষ্ঠানত বিশিষ্ট গল্পকাৰ অতনু ভট্টাচাৰ্য আৰু বিশিষ্ট কণ্ঠশিল্পী মিতালী দে



মহাবিদ্যালয়ৰ 'কমিউনিটি কলেজ'ৰ ছাত্ৰী সকলৰ দ্বাৰা আয়োজিত ভোগালী জলপান মেলা



'ভাৰত ৰত্ন' অটল বিহাৰী বাজপেয়ীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ এটি মুহূৰ্ত




মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা 'ৰাষ্ট্ৰীয় একতা দিৱস'ৰ এটি দৃশ্য

# কেইটিমান স্মৰণীয় মুহূৰ্ত



মহাবিদ্যালয়ৰ এন. এচ.এচ. গোট আৰু সম্প্ৰসাৰণ কমিটিৰ উদ্যোগত আয়োজিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ



মহাবিদ্যালয়ৰ ডি.বি.টি. হাবত অনুষ্ঠিত হোৱা কৰ্মশালাৰ এটি মুহূৰ্ত



'ড্ৰামাটিক চ'ছাইটি'ৰ উদ্যোগত মঞ্চস্থ হোৱা 'কাৰেঙৰ লিগিৰী' নাটকৰ এটি দৃশ্যাংশ



মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ এটি মুহূৰ্ত




নৱাগতা আদৰণী সভাৰ বিশিষ্ট অতিথি ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বনজিৎ ভট্ট (২০১৯ বৰ্ষ)



নৱাগতা আদৰণী সভাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীত পৰিবেশনৰ এটি দৃশ্য



নৱাগতা আদৰণী সভাৰ আমন্ত্ৰিত অতিথি জীৱন যুদ্ধৰ অক্লান্ত কৰ্মী জুলি বৰুৱা (২০১৮ বৰ্ষ)




মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপনৰ এটি মুহূৰ্ত

# মহাবিদ্যালয় সংগীত

কথা-সুৰ ঃ যুগান্ত গগৈ

(১)

পোহৰৰ সন্ধান দিলা তুমি
সোৱণশিৰিৰ পাৰতে বৈ,
ধন্য কৰিলা আমাৰ জীৱন
পোহৰৰে হাত শিৰত থৈ।

(২)

জীৱনৰ ছন্দ
পালো বিচাৰি
মধুময় পৰশত,
জ্বলিব লাগিছে
অৰ্বুদ চাকি
তোমাৰ সুলভ আৱেশত।
জীৱন উৰ্ব্বৰ কৰি আছা নিতে
পোহৰৰে নৈ হৈ

(৩)

ন-পুৰণি অভিনৱ চিন্তাৰ
মেলিলা সোণালী দুৱাৰ
কৌটিকলীয়া এলান্ধু আঁতৰাই
আনিছা নৱ জোৱাৰ
দিগন্ত বিয়পি পৰিছে খিয়াতি
থাকিবা সেউজীয়া হৈ।

# LAKHIMPUR TELAHI KAMALABARIA
# COLLEGE MAGAZINE

2017-2018 & 2018-2019 SESSION

